GPS S6 03
Exam Code: PSM6C

মানৱ অধিকাৰ

ষষ্ঠ ষাণ্মাসিক

ৰাজনীতি বিজ্ঞান

খণ্ড ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শান্তণু চক্রৱর্তী, কটন বিশ্ববিদ্যালয়
ড° ধ্রুব প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° শুভ্রজিৎ কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
৮ , ৯	ড° নৱনীতা মেধি, জে.বি. আইন মহাবিদ্যালয়, গুৱাহাটী	গীতাঞ্জলী মেধি, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়(অধ্যায় ৮,৯)
১০	ড° নৱনীতা মেধি, জে. বি. আইন মহাবিদ্যালয়, গুৱাহাটী জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়	জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৮,৯)
১১	ড° পংকজ কুমাৰ শর্মা, কুমাৰ ভাস্কৰ বার্মা সংস্কৃত আৰু পুৱাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী	মৃণাল শর্মা, ৱৰভাগ মহাবিদ্যালয়, নলবাৰী (অধ্যায় ১০)
	পদ্মেশ্বৰ কাটনী, চিনামাৰা মহাবিদ্যালয়, যোৱহাট	ভৃগু কলিতা, বাক্সা (অধ্যায় ১১,১৩,১৪)
১২, ১৩, ১৪	ড° পংকজ কুমাৰ শর্মা, কুমাৰ ভাস্কৰ বার্মা সংস্কৃত আৰু পুৱাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী	গীতাঞ্জলী মেধি, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১৫	পদ্মেশ্বৰ কাটনী, চিনামাৰা মহাবিদ্যালয়, যোৱহাট	(অধ্যায় ১২) অৱিন্দম শর্মা, নলবাৰী (অধ্যায় ১৫)

সম্পাদনা ঃ

মূল বিষয়ৱস্তু সম্পাদনা ঃ ড° ধ্রুব প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয় **(অধ্যায় ৮,৯,১০)**
জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয় **(অধ্যায় ১১,১২,১৩,১৪, ১৫)**
ভাষা সম্পাদনা ঃ জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নৱেম্বৰ, ২০১৯

ISBN : 978-93-89559-51-4

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ মহিলাৰ অধিকাৰ ১০৯-১২০

মহিলাৰ অধিকাৰ ঃ মহিলাৰ অসমতা নিৰাময়ৰ ঘোষণাপত্ৰ, মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্ত , মহিলাৰ ওপৰত চলা হিংসা নিৰাময়ৰ ঘোষণাপত্ৰ; মহিলা বিষয়ক বিশ্বজনীন আলোচনাচক্ৰ ; ভাৰতত মহিলাৰ অধিকাৰ

অধ্যায় ৯ ঃ শিশুৰ অধিকাৰ ১২১-১৩২

শিশুৰ অধিকাৰ ঃ শিশুৰ অধিকাৰৰ ঘোষণাপত্ৰ , শিশুৰ অধিকাৰৰ সিদ্ধান্ত , শিশুৰ অধিকাৰৰ সিদ্ধান্তৰ ঐচ্ছিক প্ৰট'ক'ল , শিশুৰ বাবে বিশ্ব শীৰ্ষ সন্মিলন ; শিশু শ্ৰমিকৰ সমস্যা ঃ ভাৰতত শিশু শ্ৰমিকৰ সমস্যা

অধ্যায় ১০ ঃ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ ১৩৩-১৪৩

বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ ঃ মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ অধিকাৰৰ ঘোষণাপত্ৰ, ১৯৭১, শাৰীৰিকভাৱে অক্ষম লোকৰ অধিকাৰৰ ঘোষণাপত্ৰ , ১৯৭৫, বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ সিদ্ধান্ত ; ভাৰতত বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ

অধ্যায় ১১ ঃ শৰণাৰ্থীৰ অধিকাৰ ১৪৪-১৫৩

আন্তৰ্জাতিক পৰ্যায়ত শৰণাৰ্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাসমূহ; ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তৰ ভূমিকা

অধ্যায় ১২ ঃ বয়োজ্যেষ্ঠসকলৰ অধিকাৰ ১৫৪-১৬৬

বয়োজ্যেষ্ঠসকল ঃ তেওঁলোকৰ সমস্যা আৰু প্ৰত্যাহ্বানসমূহ ; বয়োজ্যেষ্ঠসকলৰ অধিকাৰ ঃ বিশ্বজনীন দৃষ্টিভংগী ;বয়োজ্যেষ্ঠসকলৰ অধিকাৰ ঃ ভাৰতীয় দৃষ্টিভংগী

অধ্যায় ১৩ ঃ খিলঞ্জীয়া লোকৰ অধিকাৰ ১৬৭-১৭৬

খিলঞ্জীয়া লোকৰ ধাৰণা আৰু সংজ্ঞা; খিলঞ্জীয়া লোকৰ অধিকাৰৰ গুৰুত্ব; খিলঞ্জীয়া লোকৰ অধিকাৰ সুৰক্ষাৰ বাৰে কৰা আন্তৰ্জাতিক প্ৰচেষ্টাসমূহ ঃ খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণাপত্ৰৰ ব্যৱস্থাসমূহ ; ভাৰতবৰ্ষত খিলঞ্জীয়া লোকৰ অধিকাৰ

অধ্যায় ১৪ ঃ মানৱ অধিকাৰ শিক্ষা ১৭৭-১৮৮

মানৱ অধিকাৰ শিক্ষাৰ ধাৰণা ; মানৱ অধিকাৰ শিক্ষাৰ প্ৰাসংগিকতা ; মানৱ অধিকাৰ শিক্ষাৰ ক্ষেত্ৰত বিশ্ব প্ৰচাৰ অভিযান ; ভাৰতবৰ্ষত মানৱ অধিকাৰ শিক্ষাৰ প্ৰসাৰণ ; ভাৰতবৰ্ষত মানৱ অধিকাৰ শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকা

অধ্যায় ১৫ ঃ মানৱ অধিকাৰৰ সুৰক্ষাত বে-চৰকাৰী সংস্থাসমূহৰ ভূমিকা ১৮৯-২০০

মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণত বে-চৰকাৰী সংস্থাবোৰৰ ভূমিকা; মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণৰ ক্ষেত্ৰত এমনেষ্টি ইণ্টাৰনেচনেলৰ ভূমিকা; মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণৰ ক্ষেত্ৰত হিউমেন ৰাইট্ছ ওৱাট্ছৰ ভূমিকা

দ্বিতীয় খণ্ডৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ ষষ্ঠ ষাণ্মাসিকৰ তৃতীয় পাঠ্যবিষয় অথবা কাকতৰ এইটো হ'ল দ্বিতীয় খণ্ড। 'মানৱ অধিকাৰ' শীৰ্ষক পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডটোত মুঠ আঠটা অধ্যায় (অধ্যায় ৮-১৫) সন্নিৱিষ্ট কৰা হৈছে।

অষ্টম অধ্যায়ত মহিলাৰ অধিকাৰবোৰ আলোচনা কৰা হৈছে। এই অধিকাৰবোৰৰ সু�ৰক্ষা তথা পোষকতাৰ বাবে আন্তঃৰাষ্ট্ৰীয় তথা ৰাষ্ট্ৰীয় পৰ্যায়ত চলি থকা প্ৰয়াসবোৰো আলোচনাকালত পৰীক্ষা কৰি চোৱা হৈছে।

নৱম অধ্যায়ত আলোচনা কৰা বিষয়টো হ'ল শিশুৰ অধিকাৰ। ইয়াত শিশু শ্ৰমিকৰ সমস্যাটোৰ বিষয়েও আলোচনা কৰা হৈছে।

দশম অধ্যায়ত বিশেষভাৱে সক্ষম ব্যক্তিৰ অধিকাৰ আৰু তেওঁলোকৰ অধিকাৰবোৰ সুৰক্ষিত ৰাখিবলৈ তথাপোষকতা কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত লোৱা ব্যৱস্থাবোৰৰ বিষয়ে আলোচনা কৰা হৈছে ।

একাদশ অধ্যায়ত শৰণাৰ্থীৰ অধিকাৰ আৰু শৰণাৰ্থীৰ মানৱ অধিকাৰৰ সুৰক্ষা তথা পোষকতাত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ বাবে থকা উচ্চায়োগ (UNHCR)ৰ ভূমিকা আলোচনা কৰা হৈছে।

দ্বাদশ অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল বয়োজ্যেষ্ঠ লোকৰ অধিকাৰ।

ত্ৰয়োদশ অধ্যায়ত খিলঞ্জীয়াসকলৰ অধিকাৰবোৰৰ ৰক্ষা আৰু পোষকতাৰ বাব আন্তঃৰাষ্ট্ৰীয় তথা ৰাষ্ট্ৰীয় পৰ্যায়ত গ্ৰহণ কৰা ব্যৱস্থাবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

চতুৰ্দশ অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল মানৱ অধিকাৰ শিক্ষাৰ ধাৰণাটো। আলোচনা কালত বিশ্ব সম্প্ৰদায় আৰু ভাৰতে মানৱ অধিকাৰ শিক্ষাৰ ধাৰণাটোৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ চলোৱা প্ৰয়াসবোৰো বৰ্ণনা কৰা হৈছে।

পঞ্চদশ অধ্যায়ত মানৱ অধিকাৰৰ সুৰক্ষা তথা পোষকতাত এম্‌নেষ্টি ইণ্টাৰনেশ্যনেল আৰু হিউমেন ৰাইট্ছ ওৱাট্ছ নামৰ আন্তঃৰাষ্ট্ৰীয় সংস্থা দুটাৰ বিশেষ উল্লেখেৰে ৰে-চৰকাৰী সংস্থাবোৰৰ ভূমিকা আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ৮ ঃ মহিলাৰ অধিকাৰ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ মহিলাৰ অধিকাৰ
৮.৩.১ মহিলাৰ অসমতা নিৰাময়ৰ ঘোষণাপত্ৰ
৮.৩.২ মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্ত
৮.৩.৩ মহিলাৰ ওপৰত চলা হিংসা নিৰাময়ৰ ঘোষণাপত্ৰ
৮.৪ মহিলা বিষয়ক বিশ্বজনীন আলোচনাচক্ৰ
৮.৫ ভাৰতত মহিলাৰ অধিকাৰ
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্ৰগতিৰ খতিয়ান
৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মহিলাৰ অধিকাৰবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মহিলাৰ বিভিন্ন অধিকাৰ তথা সুৰক্ষাৰ কথা বিশেষভাৱে উল্লেখ থকা ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰ, সিদ্ধান্ত তথা আচাৰ-বিধিবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মহিলাৰ অধিকাৰ বিষয়ক বিশ্বজনীন আলোচনাচক্ৰবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতত মহিলাৰ অধিকাৰৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব ।

৮.২ পৰিচয়

মানুহৰ জীৱনত অধিকাৰ এক গুৰুত্বপূৰ্ণ উপাদান। কিছুমান অধিকাৰ অবিহনে মানুহৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশ নঘটে। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত বিস্তৃতৰূপত, কিন্তু সাধাৰণ অৰ্থত, মানুহৰ বিভিন্ন অধিকাৰৰ বিষয়ে আলোচনা কৰা হৈছে। কিন্তু সমাজৰ কিছুমান বিশেষ শ্ৰেণীৰ সদস্যক, যেনে— মহিলা, শিশু আৰু অন্যধৰণে সক্ষম লোকক (এই শ্ৰেণীত মানসিকভাৱে মন্দ বুদ্ধি আৰু শাৰীৰিকভাৱে অক্ষম লোকসকলক সামৰি লোৱা হয়) কিছুমান বিশেষ অধিকাৰৰ প্ৰয়োজন যাতে তেওঁলোকে তেওঁলোকৰ

জীৱনৰ বিশেষ প্ৰয়োজনবোৰ পূৰাব পাৰে। এই অধ্যায়ত আমি সাধাৰণভাৱে মহিলাৰ অধিকাৰ আৰু ভাৰতত মহিলাৰ অধিকাৰৰ বিষয়ে আলোচনা কৰিম।

৮.৩ মহিলাৰ অধিকাৰ

বেছিভাগ সমাজতে মহিলাই পুৰুষৰ সমান সন্মান তথা মৰ্যাদা লাভ কৰা দেখা নাযায়। মহিলাক প্ৰায়েই প্ৰাপ্য সন্মান আৰু স্বীকৃতিৰ পৰা বঞ্চিত কৰা হয়। মহিলাৰ অধিকাৰ সঘনাই বিভিন্ন ধৰণে খৰ্ব কৰা হয়। মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ হকে মাত মাতি অহাসকলৰ সুদীৰ্ঘ প্ৰচেষ্টাৰ অন্তত বৰ্তমান বিষয়টোৱে গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে। মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ বিষয়টোৰ পৃষ্ঠপোষকতা কৰাত ৰাষ্ট্ৰসংঘই এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখ কৰা হৈছে যে ৰাষ্ট্ৰসংঘৰ এটা প্ৰধান লক্ষ্য হ'ল মৌলিক মানৱ অধিকাৰৰ প্ৰতি আস্থা পুনৰ ওভটাই অনা, ব্যক্তিৰ মূল্য আৰু মৰ্যাদা পুনৰ প্ৰতিষ্ঠা কৰা আৰু পুৰুষ-মহিলাৰ সম-অধিকাৰ সুনিশ্চিত কৰা (Agarwal, H.O. (2006) : *Human Rights.* Allahabad: Central Law Publications.)। তলৰ শিতানত মহিলাৰ অধিকাৰ সুনিশ্চিত আৰু পৃষ্ঠপোষকতা কৰিবলৈ আন্তৰ্জাতিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত কেনেধৰণৰ গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেই বিষয়ে আলোচনা কৰিম।

৮.৩.১ মহিলাৰ অসমতা নিৰাময়ৰ ঘোষণাপত্ৰ

ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ কেন্দ্ৰিক সকলো কাৰ্যসূচীৰে অবিচ্ছেদ্য অংগ হ'ল মহিলাৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰা আৰু সেইবোৰক সুৰক্ষা প্ৰদান কৰা। ১৯৪৬ চনত ৰাষ্ট্ৰসংঘই মহিলাৰ সৈতে জড়িত সমস্যাবিলাক চোৱাচিতা কৰিবলৈ মহিলাৰ স্থিতি বিষয়ক আয়োগ গঠন কৰিছিল। ৰাষ্ট্ৰসংঘৰ চনদ আৰু মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত মহিলাৰ অধিকাৰ বিষয়ক কিছুমান নীতি-নিয়ম তথা সা-সুবিধাৰ কথা উল্লেখ কৰা হৈছে যদিও সেইখিনিয়েই পৰ্যাপ্ত নহয়। সেয়েহে মহিলাৰ অধিকাৰৰ লগত জড়িত সমস্যা তথা বিষয়সমূহ বহলভাৱে সামৰি ল'ব পৰাকৈ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৬৭ চনৰ ৭ নৱেম্বৰত মহিলাৰ অসমতা নিৰাময় ঘোষণাপত্ৰখন গ্ৰহণ কৰিছিল। ঘোষণাপত্ৰখনত এটা প্ৰস্তাৱনা আৰু ১১টা অনুচ্ছেদ আছে। ঘোষণাপত্ৰখনৰ জৰিয়তে পুৰুষ আৰু মহিলাৰ মাজত সমতা স্থাপনত জোৰ দিয়া হৈছে। ঘোষণাপত্ৰখনত মহিলাৰ প্ৰতি দেখুওৱা বৈষম্যমূলক আচৰণক মানৱীয় মৰ্যাদাৰ প্ৰতি কৰা অপৰাধ হিচাপে গণ্য কৰা হ'ব বুলি কোৱা হৈছে। এই ঘোষণাপত্ৰত সন্নিৱিষ্ট কিছুমান অধিকাৰ হ'ল—

(ক) প্ৰতিগৰাকী মহিলাৰ সমান ৰাজনৈতিক অধিকাৰ, যেনে— ভোটদানৰ অধিকাৰ, নিৰ্বাচিত হোৱাৰ অধিকাৰ, ৰাজহুৱা কাৰ্য্যালয়ত পদবী গ্ৰহণৰ অধিকাৰ আছে ।

(খ) প্ৰতিগৰাকী ব্যক্তিৰে লিংগৰ বৈষম্য নোহোৱাকৈ শিক্ষা লাভৰ অধিকাৰ আছে।

(গ) কার্য্যক্ষেত্রত প্রতিগৰাকী মহিলাৰ সমান অধিকাৰ, যেনে— নিয়োগৰ ক্ষেত্রত বৈষম্যতাৰ বিৰুদ্ধে অধিকাৰ, সমান মজুৰিৰ অধিকাৰ, প্রসূতীকালীন ছুটীৰ অধিকাৰ আছে।

(ঘ) পুৰুষৰ সমানে প্রতিগৰাকী নাৰীৰ নিজৰ জাতীয়তা সলনি কৰাৰ অধিকাৰ আছে।

(ঙ) পৌৰ অধিকাৰৰ ক্ষেত্রত সকলো মহিলাৰে সমান অধিকাৰ আছে।

ঘোষণাপত্রখনে সকলো ৰাষ্ট্রকে ঘোষণাপত্রখনত সন্নিৱিষ্ট ব্যৱস্থাসমূহৰ কার্য্যকৰণৰ বাবে ফলপ্রসূ ব্যৱস্থা হাতত ল'বলৈ আহ্বান জনাইছে।

৮.৩.২ মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্ত

মহিলাৰ অসমতা নিৰাময়ৰ ঘোষণাপত্রত অর্ন্তভুক্ত নীতিসমূহ কার্যৰূপায়িত কৰিবলৈ ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই ১৯৭৯ চনৰ ১৮ ডিচেম্বৰত মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্ত গৃহীত কৰিছিল। এই সিদ্ধান্তখন ১৯৮১ চনৰ ৩ ছেপ্তেম্বৰৰ পৰা কার্যকৰী কৰা হৈছিল। এই সিদ্ধান্তৰ মূল লক্ষ্য আছিল ৰাজনৈতিক আৰু ৰাজহুৱা জীৱনত নাৰীৰ বিৰুদ্ধে চলা সকলো প্রকাৰৰ বৈষম্যমূলক আচৰণ নির্মূল কৰা। এই সিদ্ধান্তত এটা প্রস্তাৱনা আৰু ৩০টা অনুচ্ছেদ আছে।

এই সিদ্ধান্তৰ ১নং অনুচ্ছেদ মতে 'মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য' — এই খণ্ডবাক্যটোৱে লিংগৰ ওপৰত ভিত্তি কৰি সৃষ্টি কৰা যিকোনো ধৰণৰ প্রভেদ, বহিষ্কৰণ নাইবা বাধাৰ কথা বুজায় যিবোৰৰ ফলত ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক-পৌৰ অথবা অন্য যিকোনো ক্ষেত্রত মহিলাই মানৱ অধিকাৰ, মৌলিক স্বাধীনতা উপভোগ অথবা অনুশীলন কৰা কার্যত বাধা প্রদান কৰা হয়।

এই সিদ্ধান্ত মানি লোৱা দেশবোৰে তলত উল্লেখ কৰা ব্যৱস্থাসমূহ মানি চলিব লাগে—

- মহিলাৰ প্রতি দেখুওৱা সকলোধৰণৰ বৈষম্যমূলক আচৰণক গৰিহণা দিব লাগে।
- সকলো ক্ষেত্রতে, বিশেষকৈ ৰাজনৈতিক, সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্রত, মহিলাৰ পূর্ণ বিকাশ আৰু অগ্রগতি সুনিশ্চিত কৰিবলৈ স্বীকৃত বিধি-বিধানকে ধৰি সকলো প্রকাৰৰ উপযুক্ত ব্যৱস্থা গ্রহণ কৰিব লাগে।
- কোনো এটা লিংগৰ ব্যক্তি নীচ অথবা উচ্চ বুলি সৃষ্টি হোৱা ধাৰণাৰ আধাৰত পুৰুষ আৰু মহিলাই কৰা আচৰণৰ সামাজিক আৰু সাংস্কৃতিক আর্হিৰ সংশোধন কৰিবলৈ সকলো প্রকাৰৰ উপযুক্ত ব্যৱস্থা গ্রহণ কৰিব লাগে।
- মহিলাৰ সকলো ধৰণৰ অবৈধ সৰবৰাহ আৰু শোষণ অথবা বলপূর্বক যৌনকর্মীত পৰিণতকৰণ ৰোধ কৰিবলৈ স্বীকৃত বিধি-বিধানকে ধৰি সকলো প্রকাৰৰ উপযুক্ত ব্যৱস্থা গ্রহণ কৰিব লাগে।

- দেশৰ ৰাজনৈতিক আৰু ৰাজহুৱা জীৱনত মহিলাৰ বিপক্ষে চলা বৈষম্য নিৰ্মূল কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
- পুৰুষৰ সমানে মহিলাসকলক জাতীয়তা আহৰণ, সলনি আৰু বৰ্তাই ৰখাৰ অধিকাৰ প্ৰদান কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
- শিক্ষা, নিয়োগ, স্বাস্থ্য যত্ন আৰু অৰ্থনৈতিক তথা সামাজিক জীৱনৰ আন আন ক্ষেত্ৰবোৰত পুৰুষৰ সমানে মহিলায়ো অধিকাৰ উপভোগ কৰাৰ সুবিধা নিশ্চিত কৰিবলৈ মহিলাৰ প্ৰতি দেখুওৱা সকলো বৈষম্যমূলক আচৰণ নাইকিয়া কৰিবলৈ সকলো প্ৰকাৰৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

এই সিদ্ধান্তখনে পৰৱৰ্তী সময়ত মহিলাৰ বিৰুদ্ধে বৈষম্য নিৰাময়ক কমিটি এখন গঠনৰ পথ সুচল কৰি তুলিছিল। ১৯৮১ চনত এই কমিটিখন গঠন কৰা হৈছিল। কমিটিখনক দেশবোৰে সিদ্ধান্তখনত অৰ্ন্তভুক্ত নীতি-নিয়মবোৰ কাৰ্যক্ষেত্ৰ প্ৰয়োগ কৰিছেনে নাই, কৰিছে যদি তাৰ অগ্ৰগতি কেনেকুৱা ইত্যাদি বিষয় চোৱা-চিতা কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। কমিটিখনে প্ৰতিবেদনখন দাখিল প্ৰক্ৰিয়াৰ জৰিয়তে সিদ্ধান্তখনৰ কাৰ্য ৰূপায়ণ সুনিশ্চিত কৰাৰ চেষ্টা কৰে। সিদ্ধান্তখনৰ কাৰ্যৰূপায়ণৰ মান উন্নত কৰিবলৈ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৯৯ চনৰ ৭ অক্টোবৰ তাৰিখে মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণ সিদ্ধান্তৰ ঐচ্ছিক প্ৰ'ট'ক'ল গ্ৰহণ কৰিছিল। এই ঐচ্ছিক প্ৰ'ট'ক'লে লিংগ বৈষম্য, যৌন শোষণ আৰু অন্য উৎপীড়নৰ বলি হোৱা মহিলাক ৰাষ্ট্ৰীয় চৰকাৰৰ ওচৰত অভিযোগ দাখিল নকৰি পোনে পোনে কমিটীৰ কায চপাৰ সুযোগ দিয়ে।

৮.৩.৩ মহিলাৰ ওপৰত চলা হিংসা নিৰাময়ৰ ঘোষণাপত্ৰ

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৯৩ চনৰ ২০ ডিচেম্বৰত মহিলাৰ ওপৰত চলা হিংসা নিৰাময়ৰ ঘোষণাপত্ৰখন গ্ৰহণ কৰে। ঘোষণাপত্ৰখনে মহিলাৰ ওপৰত চলা হিংসাৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে— 'লিংগভিত্তিক যিকোনো হিংসাত্মক কাৰ্য, যি কাৰ্যৰ দ্বাৰা মহিলাৰ অপকাৰ হোৱাৰ অথবা মহিলাই শাৰীৰিক, যৌন অথবা মানসিক কষ্ট পায় অথবা পোৱাৰ সম্ভাৱনা থাকে, তেনে কাম সংঘটিত কৰাৰ ভাবুকি, ভীতি প্ৰদৰ্শন অথবা ৰাজহুৱা নাইবা ব্যক্তিগত জীৱনত স্বাধীনতা উপভোগৰ পৰা বলপূৰ্বকভাৱে বঞ্চিতকৰণৰ সকলো দৰণৰ ঘটনাকে মহিলাৰ ওপৰত চলা হিংসা হিচাপে গণ্য কৰা হ'ব '। হিংসাৰ এই সংজ্ঞাই নাৰীৰ বিৰুদ্ধে হোৱা ৰাজহুৱা আৰু ব্যক্তিগত হিংসাক সাঙুৰি লৈছে। এই ঘোষণাপত্ৰই উল্লেখ কৰিছে যে মহিলাৰ ক্ষেত্ৰত হোৱা হিংসাই তেওঁলোকৰ অধিকাৰ আৰু স্বাধীনতা খৰ্ব কৰে আৰু অধিকাৰ আৰু স্বাধীনতা উপভোগৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে।

এই ঘোষণাপত্ৰৰ জৰিয়তে কোৱা হৈছে যে মহিলাসকলৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, পৌৰ অথবা অন্য যিকোনো ক্ষেত্ৰতে সকলো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা পুৰুষৰ সমানে উপভোগ কৰাৰ আৰু সুৰক্ষা কৰাৰ অধিকাৰ আছে। এই ঘোষণাপত্ৰখনে মহিলাৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ অধিকাৰ

সন্নিৱিষ্ট কৰিছে, যেনে-জীৱন, স্বাধীনতা, সুৰক্ষাৰ অধিকাৰ; সমতা আৰু আইনৰ সমান সুৰক্ষাৰ অধিকাৰ; সকলো ধৰণৰ বৈষম্যতা, শাস্তি, মর্যাদাহানিকৰ আচৰণৰ পৰা স্বাধীনতাৰ অধিকাৰ ; শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত আহৰণ সাধ্য সর্বোচ্চ স্বীকৃত মানৰ গৰাকী হোৱাৰ অধিকাৰ; কাম কৰা উপযুক্ত পৰিৱেশৰ অধিকাৰ।

ঘোষণাপত্ৰখনে বিচাৰে যে মহিলাৰ ওপৰত চলা সকলোধৰণৰ হিংসাক দেশবোৰে গৰিহণা দিয়া উচিত আৰু এনে হিংসা নির্মূল কৰিবলৈ হিংসাক প্রশ্রয় দিয়া কোনো প্রথা, পৰম্পৰা অথবা ধর্মীয় বিচাৰৰ প্রতিৰোধ কৰা উচিত। ঘোষণাপত্ৰখনত সন্নিৱিষ্ট ব্যৱস্থাসমূহৰ বাস্তৱত কার্য্যকৰীকৰণৰ বাবে ঘোষণাপত্ৰখনে ৰাষ্ট্রসংঘৰ সকলো প্রধান অংগ আৰু বিশেষীকৃত সংস্থাসমূহক অৱিহণা যোগাবলৈ আহ্বান জনাইছে ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ৰাষ্ট্রসংঘই কোন চনত মহিলাৰ অসমতা নিৰাময়ৰ ঘোষণাপত্ৰখন গ্রহণ কৰিছিল?

.....

প্রশ্ন ২ ঃ মহিলাৰ বিৰুদ্ধে সকলো বৈষম্য দূৰীকৰণ সিদ্ধান্ত মতে 'মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য'ৰ সজ্ঞা কি?

.....

.....

.....

প্রশ্ন ৩ ঃ মহিলাৰ ওপৰত চলা হিংসা নিৰাময়ৰ ঘোষণাপত্ৰখনে আগবঢ়োৱা মহিলাৰ বিৰুদ্ধে হোৱা হিংসাৰ সংজ্ঞা লিখক।

.....

.....

.....

প্রশ্ন ৪ ঃ মহিলাৰ ওপৰত চলা হিংসা নিৰাময়ৰ ঘোষণাপত্ৰখনত সন্নিৱিষ্ট যিকোনো দুটা অধিকাৰ উল্লেখ কৰক।

.....

.....

প্রশ্ন ৫ ঃ মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্তৰ কার্য ৰূপায়ণৰ বিষয়ে সংক্ষেপে লিখক।

.....

.....

.....

.....

.....

.....

.....

৮.৪ মহিলা বিষয়ক বিশ্বজনীন আলোচনাচক্র

পুৰুষ আৰু মহিলাক সম-অধিকাৰ প্রদানৰ কথা ঘোষণা কৰি ১৯৪৫ চনত ৰাষ্ট্রসংঘৰ চনদ গৃহীত হোৱাৰ পিছত চনদখনে মহিলা বিষয়ক, প্রধানকৈ মহিলাৰ অধিকাৰ বিষয়ক বিভিন্ন আলোচনাচক্র অনুষ্ঠিত কৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। এই পৰিপ্রেক্ষিতত মহিলাৰ সৈতে জড়িত বিভিন্ন বিষয় আলোচনা কৰিবলৈ মহিলা বিষয়ক বিভিন্ন বিশ্বজনীন আলোচনাচক্র অনুষ্ঠিত হৈছিল। ১৯৭৫ চনত মেক্সিকোত প্রথমখন মহিলা বিষয়ক বিশ্বজনীন আলোচনাচক্র অনুষ্ঠিত হৈছিল। এই আলোচনাচক্রত "সমতা, উন্নয়ন আৰু শান্তি" —এই তিনিটা কেন্দ্রীয় বিষয়ৰ ওপৰত আলোকপাত কৰা হৈছিল। ৰাষ্ট্রসংঘই ১৯৭৬-১৯৮৫ৰ দশকটো "আন্তর্জাতিক নাৰীৰ দশক" হিচাপে উদ্‌যাপন কৰিছিল। মেক্সিকো আলোচনাচক্রৰ কেন্দ্রীয় আলোচ্য বিষয়কেইটাৰ এই দশকটোত আগতকৈ অধিক বিকাশ ঘটোৱা হৈছিল। ১৯৮০ চনত ক'পেনহেগেন চহৰত দ্বিতীয়খন মহিলা বিষয়ক বিশ্বজনীন আলোচনাচক্র অনুষ্ঠিত হৈছিল। ইয়াত তিনিটা উপ-মুখ্য বিষয় সংযুক্ত কৰা হৈছিল— "শিক্ষা, নিয়োগ আৰু স্বাস্থ্য"। ১৯৮৫ চনত নাইৰোবিত মহিলা বিষয়ক তৃতীয়খন বিশ্বজনীন আলোচনাচক্র অনুষ্ঠিত হৈছিল। নাইৰোবি আলোচনাচক্রত পূর্বৱর্তী বিষয়বোৰৰ সৈতে "২০০০ চনলৈকে মহিলাৰ উন্নতিৰ বাবে প্রগতিশীল কর্ম-কৌশল" বিষয়টো যোগ দিয়া হৈছিল।

১৯৯৫ চনত বেইজিং চহৰত চতুর্থখন মহিলা বিষয়ক বিশ্বজনীন আলোচনাচক্র অনুষ্ঠিত হৈছিল। এই আলোচনাচক্রত পুনৰ "সমতা, উন্নয়ন আৰু শান্তি" —এই বিষয়কেইটাই প্রাধান্য পাইছিল। বেইজিং আলোচনাচক্রতে ঘোষণা কৰা হৈছিল যে "নাৰীৰ অধিকাৰবোৰো মানৱ অধিকাৰ।" এই আলোচনাচক্রত মহিলাৰ উন্নতিত বাধাৰ সৃষ্টি কৰা মুখ্য বিষয়বোৰ চিনাক্ত কৰি উলিওৱাত গুৰুত্ব আৰোপ কৰা হৈছিল আৰু সেইবোৰৰ বিৰুদ্ধে কার্যব্যৱস্থা গ্রহণ কৰিবলৈ এখন উমৈহতীয়া মঞ্চ গৃহীত কৰা হৈছিল। আলোচনাচক্রত চিনাক্ত কৰি উলিওৱা বাধা সৃষ্টিকাৰী মুখ্য বিষয়বোৰ হ'ল দৰিদ্রতা, শিক্ষা, স্বাস্থ্য, হিংসা, সশস্ত্র দ্বন্দ, অর্থনৈতিক অৱস্থা আৰু ক্ষমতাৰ ভাগ বাটোৱাৰা। সমগ্র বিশ্বতে এইবোৰৰ বিৰুদ্ধে যুঁজিবলৈ মহিলাসকললক সক্ষম কৰি তুলিবলৈ নানা অনুষ্ঠান-প্রতিষ্ঠান গঢ়ি তোলাৰ কথা কোৱা হৈছিল। আলোচনাচক্রত ১৯৯৬-ৰ পৰা ২০০১ চনৰ ভিতৰত ৰাষ্ট্রসংঘকে ধৰি আন আন্তর্জাতিক সম্প্রদায়বোৰে নাৰীৰ উন্নতিৰ বাবে গুৰুত্বৰ আধাৰত কার্যপন্থা গ্রহণ কৰিবলৈ সংকল্পৱদ্ধ হৈছিল।

৮.৫ ভাৰতত মহিলাৰ অধিকাৰ

মহিলাৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ ৰাষ্ট্রসংঘই গ্রহণ কৰা ব্যৱস্থাবোৰ মানি চলাৰ লগতে ভাৰতেও নিজাকৈ বহুতো ব্যৱস্থা গ্রহণ কৰিছে। এই ব্যৱস্থাবোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল-

- **সাংবিধানিক ব্যৱস্থা**

  প্রতিগৰাকী নাগৰিককে তেওঁৰ প্রাপ্য অধিকাৰ প্রদান কৰাৰ বিষয়ত ভাৰতীয় সংবিধানে অতি সংবেদনশীল মনোভাৱ প্রদর্শন কৰে। ভাৰতীয় সংবিধানে পুৰুষ-মহিলা উভয়কে সমান অধিকাৰ প্রদান কৰিছে। উদাহৰণস্বৰূপে— সংবিধানৰ ১৪ নং অনুচ্ছেদত উল্লেখ আছে যে "ৰাষ্ট্রই কোনো নাগৰিককে আইনৰ সন্মুখত সমতা প্রদান কৰিবলৈ অথবা সমান সুৰক্ষা প্রদান কৰিবলৈ অমান্তি হ'ব নোৱাৰিব"। ১৬ নং অনুচ্ছেদত উল্লেখ আছে যে ৰাজহুৱা বিভাগবোৰত নিয়োগ লাভৰ ক্ষেত্রত প্রতিগৰাকী নাগৰিকে সমান সুবিধা লাভ কৰিব। এই অনুচ্ছেদবোৰৰ দ্বাৰা স্পষ্টকৈ বুজিব পাৰি যে ভাৰতৰ সংবিধানে পুৰুষ-মহিলা নির্বিশেষে সকলো নাগৰিককে সমান অধিকাৰ প্রদান কৰছে। লিংগ বৈষম্যৰ ক্ষেত্রত অৱশ্যে সংবিধানে মহিলাসকলৰ হকে কিছুমান বিশেষ ব্যৱস্থা গ্রহণ কৰিছে। উদাহৰণস্বৰূপে অনুচ্ছেদ ১৫(৩)-ত উল্লেখ কৰা হৈছে যে ৰাষ্ট্রই মহিলাৰ বাবে বিশেষ সুবিধাৰ সৃষ্টি কৰিব পাৰে। অনুচ্ছেদ ৩৯(ক)-ত কোৱা হৈছে যে পুৰুষ আৰু মহিলাৰ সম অধিকাৰৰ ভিত্তিত ৰাষ্ট্রই সকলো নাগৰিকৰ বাবে জীৱিকা অর্জনৰ উপযুক্ত পন্থা সৃষ্টি কৰিব লাগিব। অনুচ্ছেদ ৩৯(ঘ)ত কোৱা হৈছে যে সমান কামৰ বাবে পুৰুষ আৰু মহিলাই সমান পা�ৰিশ্রমিক লাভ কৰিব। অনুচ্ছেদ ৪২-ত উল্লেখ আছে যে ৰাষ্ট্রই কর্মউপযোগী যুক্তিসংগত তথা মানৱীয় পৰিবেশ গঢ়াটো সুনিশ্চিত কৰিব আৰু মহিলাক প্রসূতিকালীন সকাহ দিয়াৰ ব্যৱস্থা কৰিব। মহিলাৰ ৰাজনৈতিক স্থিতি উন্নত কৰিবলৈ সংবিধানৰ অনুচ্ছেদ ২৪৩ ঘ (৩) আৰু ২৪৩ ন (৩)-ত কোৱা হৈছে যে ৰাষ্ট্রই পঞ্চায়তী ৰাজ অনুষ্ঠান আৰু পৌৰসভাবোৰত মুঠ আসনৰ এক তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষিত ৰাখিব পাৰে।

- **বিধায়িনী ব্যৱস্থা**

  সাংবিধানিক ব্যৱস্থাৰ উপৰিও ভাৰতবর্ষত মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে বিভিন্ন বিধায়িনী ব্যৱস্থা গ্রহণ কৰা হৈছে। এই ক্ষেত্রত ভাৰতীয় সংসদে বহুকেইখন আইন প্রণয়ন কৰিছে। এই আইনসমূহ হ'ল — অনৈতিক মানৱ সৰবৰাহ প্রতিৰোধী আইন (১৯৫৬), যৌতুক নিবাৰণ আইন (১৯৬১), সমান পাৰিশ্রমিক প্রদান আইন (১৯৭৬), মহিলাৰ অশালীন উপস্থাপন (প্রতিৰোধী) আইন (১৯৮৬), সতীদাহ প্রথা (প্রতিৰোধী) আয়োগ আইন (১৯৮৭), ৰাষ্ট্রীয় মহিলা আয়োগ আইন (১৯৯০), গার্হস্থ্য হিংসাৰ পৰা মহিলাক সুৰক্ষা প্রদানকাৰী আইন (২০০৫), বাল্যবিবাহ নিষেধকাৰী আইন (২০০৬) ইত্যাদি।

● ৰাষ্ট্ৰীয় মহিলা আয়োগ

দেশৰ মহিলাসকলৰ জীৱনধাৰণৰ মান উন্নত কৰিবলৈ ভাৰতৰ সংসদে ৰাষ্ট্ৰীয় মহিলা আয়োগ আইন ১৯৯০ চনত প্ৰণয়ন কৰিছিল। এই আইনৰ আধাৰতে ৰাষ্ট্ৰীয় মহিলা আয়োগ গঠন কৰা হৈছিল। ৰাষ্ট্ৰীয় মহিলা আয়োগ ১৯৯২ চনৰ ৩১ জানুৱাৰীত গঠন কৰা হৈছিল। আয়োগত এগৰাকী অধ্যক্ষ, পাঁচগৰাকী অন্য সদস্য আৰু এগৰাকী সদস্য সচিব থাকে। আয়োগৰ সদস্যসকলক ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে নিযুক্তি প্ৰদান কৰে। মহিলাৰ বিষয়ক লৈ সচেতন ব্যক্তিসকলৰ মাজৰ পৰা আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলক নিযুক্তি দিয়া হয়। আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলৰ কাৰ্য্যকাল ৩ বছৰ।

আয়োগৰ কিছুমান কাম-কাজ তলত দিয়াধৰণৰ—


- সংবিধান আৰু অন্য আইনৰ অধীনত সুৰক্ষা প্ৰদান কৰা মহিলা অধিকাৰবোৰৰ উপভোগক লৈ জড়িত সকলোবোৰ বিষয়ৰ অনুসন্ধান আৰু পৰীক্ষা কৰা।
- মহিলাৰ অধিকাৰ সুৰক্ষা বিষয়ক প্ৰতিবেদন প্ৰতিবছৰে নাইবা আয়োগে উপযুক্ত বুলি বিবেচনা কৰা সময়ত কেন্দ্ৰীয় চৰকাৰৰ হাতত দাখিল কৰা।
- মহিলাৰ জীৱন-যাপনৰ মান উন্নত কৰিবলৈ সংবিধানপ্ৰদত্ত অথবা ন্যায়িক সুবিধাবোৰৰ ফলপ্ৰসূ কাৰ্যৰূপায়ণৰ বাবে কেন্দ্ৰীয় আৰু যিকোনো ৰাজ্য চৰকাৰক উপযুক্ত দিহা-পৰামৰ্শ প্ৰদান কৰা।
- মহিলাক প্ৰভাৱিত কৰা সাংবিধানিক তথা অন্য আইনপ্ৰদত্ত সুবিধাসমূহ সময়ে সময়ে পুনৰীক্ষণ কৰা আৰু প্ৰয়োজনসাপেক্ষে সংশোধনীৰ পৰামৰ্শ আগবঢ়োৱা।
- মহিলাৰ সৈতে জড়িত সংবিধানপ্ৰদত্ত আইনগত সুবিধাসমূহ খৰ্ব কৰা গোচৰসমূহ সংশ্লিষ্ট কৰ্তৃপক্ষৰ আগত উত্থাপন কৰা।
- মহিলাক অধিকাৰ উপভোগৰ পৰা বঞ্চিত কৰা, মহিলাক সুৰক্ষা প্ৰদান কৰিবলৈ বলবৎ কৰা আইনৰ সঠিক কাৰ্যৰূপায়ণ নোহোৱা, নীতি নিৰ্ধাৰণকাৰী সিদ্ধান্তবোৰ পালন নকৰা, মহিলা আৰু অন্যক সকাহ দিবলৈ, কল্যাণ সাধিবলৈ তথা কষ্ট লাঘৱ কৰাৰ লক্ষ্যেৰে সৃষ্ট আৰ্হি অথবা নিৰ্দেশ মানি নচলাৰ অভিযোগবোৰ গ্ৰহণ কৰা আৰু চ্যু ম'ট' (suo moto) নিৰ্দেশ জাৰি কৰা ইত্যাদি।



চিন্তা-চৰ্চা কৰক ৮.১

ৰাষ্ট্ৰীয় মহিলা আয়োগৰ বৰ্তমানৰ অধ্যক্ষগৰাকীৰ নাম বিচাৰি উলিয়াবলৈ চেষ্টা কৰক।

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ ভাৰতত বলবৎ হৈ থকা মহিলাৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰা তথা সুৰক্ষা প্রদান কৰা যিকোনো দুখন আইনৰ নাম লিখক।

.....

প্রশ্ন ৭ ঃ ভাৰতত মহিলাৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ সংবিধানত অন্তর্ভুক্ত কৰা দুটা ব্যৱস্থা উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন ৮ ঃ প্রথম মহিলা বিষয়ক বিশ্বজনীন আলোচনাচক্র ১৯৭৫ চনত ..... চহৰত অনুস্থিত হৈছিল। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ৯ ঃ ভাৰতৰ ৰাষ্ট্রীয় মহিলা আয়োগৰ যিকোনো দুটা কার্য উল্লেখ কৰক।

.....

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রতিগৰাকী ব্যক্তিয়েই কিছুমান মৌলিক অধিকাৰ উপভোগ কৰাৰ সুবিধা লাভ কৰে। কিন্তু সমাজৰ দুটামান শ্রেণীয়ে, যেনে— মহিলা, শিশু আৰু অন্যধৰণে সক্ষম ব্যক্তিসকলে প্রায়েই এই অধিকাৰবোৰ উপভোগৰ ক্ষেত্রত বৈষম্যতাৰ বলি হয়।
- মহিলাৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰিবলৈ আৰু সেইবোৰক সুৰক্ষা প্রদান কৰিবলৈ ৰাষ্ট্রসংঘই বহুতো ব্যৱস্থা গ্রহণ কৰিছে। মহিলাৰ স্থিতি বিষয়ক আয়োগ, মহিলাৰ অসমতা নিৰাময়ৰ ঘোষণাপত্র, মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্ত, মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্তৰ ঐচ্ছিক প্র'ট'ক'ল, মহিলাৰ ওপৰত চলা হিংসা নিৰাময়ৰ ঘোষণাপত্র আদি হ'ল বিষয়টো সন্দর্ভত ৰাষ্ট্রসংঘই দেখুওৱা সদিচ্ছাৰ প্রতিফলন।
- মহিলাৰ অধিকাৰৰ পৃষ্ঠপোষকতা সুনিশ্চিত কৰিবলৈ ৰাষ্ট্রসংঘই বহুতো আন্তর্জাতিক সম্মিলনো অনুষ্ঠিত কৰিছে। মহিলা বিষয়ক প্রথমখন বিশ্ব সম্মিলন ১৯৭৫ চনত মেক্সিকো চহৰত অনুষ্ঠিত হৈছিল। সম্মিলনখনে "সমতা, উন্নয়ন আৰু শান্তি" —এই তিনিটা মূল বিষয়ৰ ওপৰত আলোকপাত কৰিছিল। ১৯৮০ চনত কোপেনহেগেনত দ্বিতীয়খন বিশ্ব সম্মিলন অনুষ্ঠিত হৈছিল য'ত "শিক্ষা, নিয়োগ আৰু স্বাস্থ্য" শীর্ষক তিনিটা উপ-মুখ্য বিষয় যোগ দিয়া হৈছিল। ১৯৮৫ চনত নাইৰোবিত তৃতীয়খন বিশ্ব সম্মিলন অনুষ্ঠিত হৈছিল আৰু

তাত ওপৰোক্ত বিষয়বোৰৰ লগতে ২০০০ চনৰ ভিতৰত "মহিলাৰ অগ্রগতিৰ বাবে প্রগতিশীল কার্য-কৌশল" শীর্ষক নীতিটো যোগ দিয়া হৈছিল। ১৯৯৫ চনত বেইজিঙত অনুষ্ঠিত বিশ্ব সম্মিলনত মহিলাৰ অধিকাৰবোৰ মানৱ অধিকাৰ বুলি ঘোষণা কৰা হৈছিল।

- ভাৰততো মহিলাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ বহুতো সাংবিধানিক আৰু ন্যায়িক সুবিধাৰ সৃষ্টি কৰা হৈছে। ভাৰতীয় সংবিধানত এই উদ্দেশ্যে বহুকেইটা অনুচ্ছেদ অর্ন্তভুক্ত কৰা হৈছে। এই বিষয়ত গ্রহণ কৰা দুখনমান আইন আৰু ন্যায়িক সা-সুবিধা কেইটামান হ'ল— ৰাষ্ট্রীয় মহিলা আয়োগ গঠন, অনৈতিকভাৱে কৰা মানৱ সৰবৰাহ প্রতিৰোধী আইন (১৯৫৬), যৌতুক নিবাৰণ আইন (১৯৬১), মহিলাৰ অশালীন উপস্থাপন (প্রতিৰোধী) আইন (১৯৮৬), গার্হস্থ্য হিংসাৰ পৰা মহিলাক সুৰক্ষা প্রদান কৰা আইন (২০০৫) ইত্যাদি।
- ভাৰতত মহিলাৰ অধিকাৰ সুৰক্ষা আৰু পোষকতাত ৰাষ্ট্রীয় মহিলা আয়োগে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে।



৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law 4 Publications.
2) Stephen, R.M. (2002). *Human Rights : Concepts and Perspectives*. New Delhi : Concept Publishing Company.
3) Syed, M.H. (2003) . *Human Rights : The New Era*. New Delhi: Kilaso Books.
4) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi : Akansha Publishing House.

অসমীয়া গ্রন্থ ঃ

১) বৈশ্য ধনেশ্বৰ (২০০৫)ঃ *মানৱ অধিকাৰ*। গুৱাহাটীঃ লয়ার্ছ বুক ষ্টল প্রকাশক।

২) দেৱ, অ., দেৱ, ই., দেৱ, সু (অনুবাদ, গুণ বৰুৱা) (২০০১) ঃ *মানৱ অধিকাৰ ঃ এখনি আদি গ্রন্থ*। নতুন দিল্লীঃ নেশ্যনেল বুক ট্রাষ্ট।

৮.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯৬৭ চনৰ ৭ নৱেম্বৰত

২ নং প্রশ্নৰ উত্তৰ ঃ 'মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য' মানে হ'ল লিংগৰ ওপৰত ভিত্তি কৰি সৃষ্টি কৰা যিকোনো ধৰণৰ প্রভেদ, বহিষ্কৰণ নাইবা বাধা যিবোৰৰ

ফলত ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক-পৌৰ অথবা অন্য যিকোনো ক্ষেত্রত মহিলাই মানৱ অধিকাৰ মৌলিক স্বাধীনতা উপভোগ অথবা অনুশীলন কৰা কার্যত বাধা প্রদান কৰা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ মহিলাৰ ওপৰত চলা হিংসা নিৰাময়ৰ ঘোষণাপত্রখনে মহিলাৰ ওপৰত চলা হিংসাৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে— 'লিংগভিত্তিক যিকোনো হিংসাত্মক কার্য, যি কার্যৰ দ্বাৰা মহিলাৰ অপকাৰ হোৱাৰ অথবা মহিলাই শাৰীৰিক, যৌন অথবা মানসিক কষ্ট পায় অথবা পোৱাৰ সম্ভাৱনা থাকে, তেনে কাম সংঘটিত কৰাৰ ভাবুকি, ভীতি প্রদর্শন অথবা ৰাজহুৱা নাইবা ব্যক্তিগত জীৱনত স্বাধীনতা উপভোগৰ পৰা বলপূর্বকভাৱে বঞ্চিতকৰণৰ সকলো দৰণৰ ঘটনাকে মহিলাৰ ওপৰত চলা হিংসা হিচাপে গণ্য কৰা হ'ব '।

৪ নং প্রশ্নৰ উত্তৰ ঃ জীৱন, স্বাধীনতা, সুৰক্ষাৰ অধিকাৰ; সমতা আৰু আইনৰ সমান সুৰক্ষাৰ অধিকাৰ ।

৫ নং প্রশ্নৰ উত্তৰ ঃ মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্তখনে মহিলাৰ বিৰুদ্ধে বৈষম্য নিৰাময়ক কমিটি এখন গঠনৰ পথ সুচল কৰি তুলিছিল। ১৯৮১ চনত এই কমিটিখন গঠন কৰা হৈছিল। কমিটিখনক দেশবোৰে সিদ্ধান্তখনত অর্ন্তভুক্ত নীতি-নিয়মবোৰ কার্যক্ষেত্র প্রয়োগ কৰিছেনে নাই, কৰিছে যদি তাৰ অগ্রগতি কেনেকুৱা ইত্যাদি বিষয় চোৱা-চিতা কৰাৰ দায়িত্ব অর্পণ কৰা হৈছিল। কমিটিখনে প্রতিবেদনখন দাখিল প্রক্রিয়াৰ জৰিয়তে সিদ্ধান্তখনৰ কার্য ৰূপায়ণ সুনিশ্চিত কৰাৰ চেষ্টা কৰে। সিদ্ধান্তখনৰ কার্যৰূপায়ণৰ মান উন্নত কৰিবলৈ ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই ১৯৯৯ চনৰ ৭ অক্টোবৰ তাৰিখে মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণ সিদ্ধান্তৰ ঐচ্ছিক প্র'ট'ক'ল গ্রহণ কৰিছিল। এই ঐচ্ছিক প্র'ট'ক'লে লিংগ বৈষম্য, যৌন শোষণ আৰু অন্য উৎপীড়নৰ বলি হোৱা মহিলাক ৰাষ্ট্রীয় চৰকাৰৰ ওচৰত অভিযোগ দাখিল নকৰি পোনে পোনে কমিটীৰ কায চপাৰ সুযোগ দিয়ে।

৬ নং প্রশ্নৰ উত্তৰ ঃ অনৈতিকভাৱে কৰা মানৱ সৰবৰাহ প্রতিৰোধী আইন (১৯৫৬) আৰু যৌতুক নিবাৰণ আইন (১৯৬১)

৭ নং প্রশ্নৰ উত্তৰ ঃ ক) অনুচ্ছেদ ৪২-ত উল্লেখ আছে যে ৰাষ্ট্রই কর্মউপযোগী যুক্তিসংগত তথা মানৱীয় পৰিবেশ গঢ়াটো সুনিশ্চিত কৰিব আৰু মহিলাক প্রসূতিকালীন সকাহ দিয়াৰ ব্যৱস্থা কৰিব।

খ) মহিলাৰ ৰাজনৈতিক স্থিতি উন্নত কৰিবলৈ সংবিধানৰ অনুচ্ছেদ ২৪৩ ঘ (৩) আৰু ২৪৩ ন (৩)-ত কোৱা হৈছে যে ৰাষ্ট্রই পঞ্চায়তী ৰাজ অনুষ্ঠান আৰু পৌৰসভাবোৰত মুঠ আসনৰ এক তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষিত ৰাখিব পাৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মেক্সিকো

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ক) সংবিধান আৰু অন্য আইনৰ অধীনত সুৰক্ষা প্ৰদান কৰা মহিলাৰ অধিকাৰবোৰ পালনক লৈ জড়িত সকলোবোৰ বিষয়ৰ অনুসন্ধান আৰু পৰীক্ষা কৰা।

খ) মহিলাৰ অধিকাৰ সুৰক্ষা বিষয়ক প্ৰতিবেদন প্ৰতি বছৰে নাইবা আয়োগে উপযুক্ত বুলি বিবেচনা কৰা সময়ত কেন্দ্ৰীয় চৰকাৰৰ হাতত দাখিল কৰা।



৮.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্তৰ ঐচ্ছিক প্ৰ'ট'ক'লখন কোন চনত গ্ৰহণ কৰা হৈছিল?

প্ৰশ্ন ২ ঃ কোনটো দশকক 'আন্তৰ্জাতিক মহিলা দশক' হিচাপে উদ্‌যাপন কৰা হৈছিল?

প্ৰশ্ন ৩ ঃ ভাৰতৰ ৰাষ্ট্ৰীয় মহিলা আয়োগৰ সদস্যসকলৰ কাৰ্য্যকাল কিমান?

প্ৰশ্ন ৪ ঃ ভাৰতৰ ৰাষ্ট্ৰীয় মহিলা আয়োগৰ গঠনৰ বিষয়ে সংক্ষেপে লিখক ।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মহিলা বিষয়ক বিশ্বজনীন আলোচনাচক্ৰৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্তৰ বিষয়ে টোকা এটা লিখক

প্ৰশ্ন ৩ ঃ ১৯৯৩ চনৰ মহিলাৰ ওপৰত চলা হিংসা নিৰাময়ৰ ঘোষণাপত্ৰখনত সন্নিৱিষ্ট মহিলাৰ অধিকাৰৰোৰৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতত মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ মহিলাৰ অধিকাৰৰ পৃষ্ঠপোষকতা আৰু সুৰক্ষাত ৰাষ্ট্ৰসংঘৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতত মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন সাংবিধানিক আৰু বিধায়িনী ব্যৱস্থা পৰীক্ষা কৰক।

****

অধ্যায় ৯ ঃ শিশুৰ অধিকাৰ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ শিশুৰ অধিকাৰ

৯.৩.১ শিশুৰ অধিকাৰৰ ঘোষণাপত্ৰ

৯.৩.২ শিশুৰ অধিকাৰৰ সিদ্ধান্ত

৯.৩.৩ শিশুৰ অধিকাৰৰ সিদ্ধান্তৰ ঐচ্ছিক প্ৰট'ক'ল

৯.৩.৪ শিশুৰ বাবে বিশ্ব শীৰ্ষ সন্মিলন

৯.৪ শিশু শ্ৰমিকৰ সমস্যা

৯.৪.১ ভাৰতত শিশু শ্ৰমিকৰ সমস্যা

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্ৰগতিৰ খতিয়ান

৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শিশুৰ অধিকাৰ আৰু শিশুৰ অধিকাৰ তথা সুৰক্ষা সুনিশ্চিত কৰিবলৈ থকা ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰ তথা সন্মিলনবোৰৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- শিশুৰ বাবে বিশ্ব শীৰ্ষ সন্মিলন ১৯৯০ ৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- শিশু শ্ৰমিকৰ সমস্যাটো পৰীক্ষা কৰিব পাৰিব
- ভাৰতত শিশু শ্ৰমিকৰ সমস্যাটো আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

এজন ব্যক্তিৰ জীৱনত বিভিন্ন ধৰণৰ অধিকাৰে গুৰুত্বপূৰ্ণ উপাদানৰ ভূমিকা পালন কৰে। বৰ্তমান সময়ত শিশুৰ অধিকাৰ আলোচনাৰ এক গুৰুত্বপূৰ্ণ বিষয়ত পৰিণত হৈছে। আমি সকলোৱে জানো যে মানৱ অধিকাৰসমূহ সমাজৰ সকলো শ্ৰেণীৰ লোকৰ ক্ষেত্ৰতে সমানে প্ৰযোজ্য হ'ব লাগে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে সকলো শ্ৰেণীৰ লোকে সম পৰ্যায়ত মানৱ অধিকাৰসমূহ উপভোগ কৰাৰ সুযোগ নাপায়। অসুৰক্ষিত শ্ৰেণীৰ লোকসকলৰ

অধিকাৰ সঘনে খর্ব হয়। বিশেষকৈ শিশুৰ অধিকাৰ প্রায়ে ভংগ হোৱা দেখা যায়। শিশুৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ আন্তঃৰাষ্ট্রীয়, ৰাষ্ট্রীয় আৰু স্থানীয় পর্যায়ত বিভিন্ন ব্যৱস্থা গ্রহণ কৰা হৈছে। এই অধ্যায়ত আমি শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্রত ৰাষ্ট্রসংঘৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিম। লগতে ভাৰতবর্ষৰ পৰিপ্রেক্ষিতত শিশু শ্রমিকৰ সমস্যাটোও পৰীক্ষা কৰা হ'ব।

৯.৩ শিশুৰ অধিকাৰ

শিশুৰ জীৱনতো অধিকাৰৰ গুৰুত্ব আছে। কাৰণ, অধিকাৰ অবিহনে শিশুৰ মানসিক, শাৰীৰিক আৰু আধ্যাত্মিক বিকাশ সম্ভৱপৰ নহয়। যদি এটা শিশুক সমাজৰ আদর্শ ব্যক্তিৰূপে গঢ়ি তুলিব লাগে, তেন্তে সেই শিশুটিক সার্বজনীন মানৱ অধিকাৰৰূপে স্বীকৃত সকলো মৌলিক অধিকাৰ উপভোগ কৰাৰ সুবিধা দিব লাগিব। ৰাষ্ট্রসংঘই শিশুৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰে আৰু সেই অধিকাৰবোৰৰ সুৰক্ষাৰ বাবে বহুতো ব্যৱস্থা গ্রহণ কৰিছে। তলত সেইবোৰৰ বিষয়ে আলোচনা কৰা হ'ল—

৯.৩.১ শিশুৰ অধিকাৰৰ ঘোষণাপত্র

ৰাষ্ট্রসংঘই ১৯৫৯ চনৰ ২০ নৱেম্বৰ তাৰিখে দহটা নীতি সম্বলিত শিশুৰ অধিকাৰৰ ঘোষণাপত্রখন গ্রহণ কৰিছিল। ঘোষণাপত্রখনত কোৱা হৈছিল যে শিশুই বিকাশৰ সুবিধা পোৱা উচিত, প্রতিটো শিশুৰে একোটাকৈ নাম, নাগৰিকত্ব, সামাজিক সুৰক্ষা আৰু বিনামূলীয়া প্রাথমিক শিক্ষাৰ অধিকাৰ থকা উচিত, শিশুক সকলো প্রকাৰৰ অৱহেলা, নিষ্ঠুৰতা আৰু শোষণৰ পৰা সুৰক্ষিত ৰখা উচিত। এক নির্ধাৰিত বয়স নোহোৱাকৈ শিশুসকলক কোনো ধৰণৰ কামত নিয়োজিত কৰা নহ'ব। এক স্বাধীন আৰু মর্যাদাপূর্ণ পৰিৱেশত মানসিক, শাৰীৰিক আৰু আধ্যাত্মিক বিকাশৰ অধিকাৰ শিশুসকলৰ থাকিব। ঘোষণাপত্রখনত ইয়াকো কোৱা হৈছিল যে শিশু যিহেতু শাৰীৰিক আৰু মানসিকভাৱে অপৰিপক্ক হৈ থাকে, সেয়েহে তেওঁলোকক জন্মৰ আগত আৰু পিছত সকলো ধৰণৰ উপযুক্ত ন্যায়িক সুৰক্ষাৰ লগতে বিশেষ সুৰক্ষা আৰু আদৰ-যত্নৰ প্রয়োজন হয়। ঘোষণাপত্রখনত ইয়াকো উল্লেখ কৰা হৈছে যে যিকোনো ধৰণৰ পৰিস্থিতিত শিশুসকলে পোন প্রথমে সুৰক্ষা আৰু সকাহ পাব লাগিব। ঘোষণাপত্রত উল্লিখিত সকলো ধৰণৰ অধিকাৰ শিশুসকলে জাতি, লিংগ, ভাষা অথবা ধর্ম নির্বিশেষে উপভোগ কৰিব পাব লাগিব বুলি ঘোষণাপত্রখনে মতামত আগবঢ়াইছে।

৯.৩.২ শিশুৰ অধিকাৰৰ সিদ্ধান্ত

শিশুৰ অধিকাৰৰ ঘোষণাপত্রত অর্ন্তভুক্ত নীতিবোৰৰ কার্যৰূপায়ণৰ বাবে ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই ১৯৮৯ চনৰ ২০ নৱেম্বৰত শিশুৰ অধিকাৰৰ সিদ্ধান্তখন গৃহীত কৰিছিল।

এই সিদ্ধান্তত সন্নিবিষ্ট নীতি-নিয়মবোৰ ১৯৯০ চনৰ ২ ছেপ্টেম্বৰৰ পৰা কার্যকৰী হৈছিল। সিদ্ধান্তখনত ৫৪টা অনুচ্ছেদ আছে। সিদ্ধান্তখনে ১৮ বছৰৰ তলৰ সকলোকে শিশুৰূপে সংজ্ঞাৱদ্ধ কৰিছে। সিদ্ধান্তখনে শিশুৰ অধিকাৰকো মানৱ অধিকাৰ বুলি স্বীকৃতি দিছে। তদুপৰি আন কিছুমান অধিকাৰক শিশুৰ কল্যাণৰ বাবে জৰুৰী বুলি অর্ন্তভুক্ত কৰিছে। এনে কিছুমান অধিকাৰ হ'ল— জীৱনৰ অধিকাৰ, জন্মৰ পিছত পঞ্জীকৃত হোৱাৰ অধিকাৰ, নাগৰিকত্ব লাভৰ অধিকাৰ, পৰিয়ালকেন্দ্রিক পৰিবেশ লাভৰ অধিকাৰ, গোপনীয়তাৰ অধিকাৰ, চিন্তা-বিবেক আৰু ধর্মৰ স্বাধীনতা, ভাব প্রকাশৰ স্বাধীনতা, সকলো ধৰণৰ শাৰীৰিক আৰু মানসিক হিংসা,বৈষম্যতাৰ পৰা সুৰক্ষা লাভৰ অধিকাৰ, আঘাতৰ পৰা সুৰক্ষা লাভৰ অথবা অৱহেলাৰ বলি নোহোৱাৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ, সর্বোচ্চ শাৰীৰিক মানদণ্ড লাভৰ অধিকাৰ, শিশু শ্রমিকৰ ওপৰত চলা শোষণৰ পৰা সুৰক্ষা লাভৰ অধিকাৰ, শাৰীৰিক অথবা মানসিকভাৱে বাধাগ্রস্ত শিশুৰ একোটা সম্পূর্ণ আৰু মর্যাদাসম্পন্ন জীৱন-যাপনৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, জিৰণি আৰু অৱসৰ বিনোদৰ অধিকাৰ, সকলো প্রকাৰৰ শোষণৰ পৰা সুৰক্ষা লাভৰ অধিকাৰ ইত্যাদি। এই সিদ্ধান্তখনে এইটোও কৈছে যে ৰাষ্ট্রই শিশুসকলৰ বে-আইনী সৰবৰাহ বন্ধ কৰিব। সিদ্ধান্তখনৰ সদস্য ৰাষ্ট্রবোৰে এই অধিকাৰবোৰক সন্মান জনাবলৈ আৰু অধিকাৰবোৰ সুৰক্ষিত ৰাখিবলৈ বাধ্য। ৰাষ্ট্রই নিজৰ কর্তৃত্ব পৰিধিৰ ভিতৰত কোনো বৈষম্য নৰখাকৈ সকলো শিশুকে এই অধিকাৰবোৰ উপভোগ কৰাৰ সুবিধা দিব লাগে। শিশুৰ অধিকাৰ বিষয়ক কমিটি এখনে সিদ্ধান্তখনৰ ব্যৱস্থাবোৰ সদস্য ৰাষ্ট্রবোৰে মানি চলিছেনে নাই সেয়া লক্ষ্য ৰাখে। সিদ্ধান্তখনে ইয়াৰ ব্যৱস্থাসমূহৰ সফল কার্য্যকৰণৰ বাবে আন্তঃৰাষ্ট্রীয় পর্য্যায়ত ৰাষ্ট্রসমূহৰ সহযোগিতাক উৎসাহিত কৰিছে।

৯.৩.৩ শিশুৰ অধিকাৰৰৰ সিদ্ধান্তৰ ঐচ্ছিক প্র'ট'ক'ল

ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই ২০০০ চনৰ ১৫ মে' তাৰিখে দুখন ঐচ্ছিক প্র'ট'ক'ল গ্রহণ কৰিছিল। ইয়াৰে এখন হ'ল সশস্ত্র সংঘর্ষত শিশু জড়িত হৈ পৰাৰ ওপৰত ঐচ্ছিক প্র'ট'ক'ল আৰু আনখন হ'ল শিশুৰ ক্রয়-বিক্রয়, শিশু যৌনকর্মী, শিশু পর্ণ'গ্রাফীৰ ওপৰত ঐচ্ছিক প্র'ট'ক'ল। দুয়োখন প্র'ট'ক'লৰ লক্ষ্য হ'ল শিশুক সশস্ত্র দ্বন্দ আৰু যৌন শোষণৰ পৰা ৰক্ষা কৰা।

সশস্ত্র সংঘর্ষত শিশু জড়িত হৈ পৰাৰ ওপৰত ঐচ্ছিক প্র'ট'ক'লখনে যিকোনো সশস্ত্র কার্য-কলাপত ব্যক্তিক বাধ্যতামূলকভাৱে জড়িত কৰাৰ নূন্যতম বয়স ১৮ বছৰ ধৰি দিছে। ১৮ বছৰৰ তলৰ সকলো শিশুকে যিকোনো ধৰণৰ হিংসাত্মক কামৰ অংশ কৰাৰ পৰা আঁতৰত ৰাখিবলৈ ঐচ্ছিক প্র'ট'ক'লৰ জৰিয়তে ৰাষ্ট্রবোৰক সর্বতোপ্রকাৰে

চেষ্টা কৰিবলৈ কোৱা হৈছে। শিশুৰ ক্ৰয়-বিক্ৰয়, শিশু যৌনকৰ্মী, শিশু পৰ্ণগ্ৰাফীৰ ওপৰত ঐচ্ছিক প্ৰ'ট'ক'লে শিশু অধিকাৰ গুৰুতৰভাৱে খৰ্বকাৰী এই কামবোৰৰ দ্বাৰা শিশু অপৰাধীকৰণৰ বিষয়টোৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ঐচ্ছিক প্ৰ'ট'ক'লখনে বিষয়টো সন্দৰ্ভত ৰাজহুৱা সজাগতা আৰু আন্তৰ্জাতিক সহযোগিতা বৃদ্ধিৰ ওপৰত জো�ৰ দিছে যাতে ইয়াক সমাজৰ পৰা নিৰ্মূল কৰিব পৰা যায়। এই ঐচ্ছিক প্ৰ'ট'ক'ল দুখনক মূল সিদ্ধান্তখনৰ সৈতে লগ লগাই সামগ্ৰিকভাৱে ব্যাখ্যা কৰিব পাৰি। সিদ্ধান্ত আৰু ঐচ্ছিক প্ৰ'ট'ক'ল দুখনৰ চালিকা নীতি হ'ল শিশুৰ প্ৰতি কোনো বৈষম্যমূলক আচৰণ নেদেখুওৱা, শিশুৰ স্বাৰ্থ ৰক্ষাৰ হকে কাম কৰা আৰু শিশুৰ অংশগ্ৰহণ।

৯.৩.৪ শিশুৰ বাবে বিশ্ব শীৰ্ষ সন্মিলন

১৯৯০ চনৰ ২৯ আৰু ৩০ ছেপ্টেম্বৰত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত শিশুৰ বাবে বিশ্ব শীৰ্ষ সন্মিলন অনুষ্ঠিত কৰা হৈছিল। সন্মিলনত শিশুৰ কল্যাণৰ পৃষ্ঠপোষকতা কৰি অভূতপূৰ্ব সংখ্যাত বিশ্বনেতাসকল উপস্থিত আছিল। ৰাষ্ট্ৰসংঘৰ নিউয়ৰ্ক কাৰ্যালয়ত অনুষ্ঠিত এই শীৰ্ষ সন্মিলনৰ উল্লেখনীয় কাৰ্যপন্থা হ'ল শিশুৰ অস্তিত্ব, সুৰক্ষা আৰু বিকাশৰ বিশ্ব ঘোষণাপত্ৰ আৰু ২০০০ চনত উপনীত হ'বলগীয়া শিশুকেন্দ্ৰিক মানৱীয় বিকাশ লক্ষ্যৰ বিস্তৃত নিয়মাৱলী সম্বলিত কাৰ্য-পৰিকল্পনা গ্ৰহণ। দুয়োখনৰে উদ্দেশ্য আছিল নৱজাতক আৰু প্ৰসূতি মাতৃৰ মৃত্যুৰ হাৰ কম কৰা, শিশুৰ অপৰিপুষ্টি তথা নিৰক্ষৰতা দূৰ কৰা, স্বাস্থ্য-পৰিয়াল কল্যাণ-শিক্ষা-খোৱাপানী-মলমূত্ৰ নিষ্কাশন ক্ষেত্ৰত বুনিয়াদী সা-সুবিধা বৃদ্ধি কৰা। সন্মিলনত উপস্থিত ১৫৯ দেশৰ ভিতৰত ৭৩ খনে বিশ্বৰ শিশুৰ হৈ যুটীয়া ঘোষণাপত্ৰ আৰু কাৰ্য-পৰিকল্পনাত স্বাক্ষৰ কৰিছিল।

১৯৯০ চনৰ বিশ্ব শীৰ্ষ সন্মিলনত ধাৰ্য কৰি লোৱা লক্ষ্যবোৰে বিশ্বৰ নাগৰিকক অভাৱনীয়ভাৱে সংগঠিত কৰিছিল। সমগ্ৰ বিশ্বতে শিশুৰ প্ৰতি উচ্চ হাৰত দায়বদ্ধতাৰ সৃষ্টি হৈছিল। চৰকাৰ, বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাৰ দাতা, প্ৰচাৰ মাধ্যম, নাগৰিক সমাজ আৰু আন্তৰ্জাতিক সংস্থাবোৰে এক উমৈহতীয়া উদ্দেশ্যেৰে নতুন নতুন অংশীদাৰীত্বমূলক সম্পৰ্ক গঢ়ি তুলিছিল।

শীৰ্ষ সন্মিলনৰ পিছত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২০০২ চনৰ মে' মাহত নিউয়'ৰ্কত শিশুকেন্দ্ৰিক বিষয়ক লৈ এখন বিশেষ অধিৱেশন অনুষ্ঠিত কৰিছিল। বিশেষ অধিৱেশনখনত শীৰ্ষ সন্মিলনত গৃহীত সিদ্ধান্তবোৰৰ কাৰ্যক্ষেত্ৰত হোৱা অগ্ৰগতি পুনৰীক্ষণ কৰা হৈছিল। অধিবেশনে "শিশুৰ বাবে উপযোগী এখন পৃথিৱী" শীৰ্ষক

আদর্শ নীতিটো গ্রহণ কৰিছিল। এই আদর্শ নীতিৰ মূল লক্ষ্য আছিল শিক্ষা, স্বাস্থ্য, অনাময়, জীৱন ধাৰণৰ মান আদি দিশত সমগ্র বিশ্বৰ শিশুৰ বাবে সহায় আগবঢ়াবলৈ কার্য-পৰিকল্পনা যুগুত কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ কোন চনত শিশুৰ অধিকাৰৰ ঘোষণাপত্রখন গ্রহণ কৰা হৈছিল?

.....

প্রশ্ন ২ ঃ শিশুৰ অধিকাৰৰ সিদ্ধান্তৰ ঐচ্ছিক প্র'ট'ক'ল দুখনৰ নাম লিখক।

.....

.....

প্রশ্ন ৩ ঃ ..... চনত শিশুৰ বাবে বিশ্ব শীর্ষ সন্মিলন অনুষ্ঠিত হৈছিল । (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ৪ ঃ শিশুৰ অধিকাৰৰ ঘোষণাপত্রখনত **সন্নিৱিষ্ট** যিকোনো চাৰিটা অধিকাৰ উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন ৫ ঃ শিশুৰ অধিকাৰৰ সিদ্ধান্তত **সন্নিৱিষ্ট** যিকোনো চাৰিটা অধিকাৰ উল্লেখ কৰক।

.....

.....

.....

.....

৯.৪ শিশু শ্রমিকৰ সমস্যা

আন্তর্জাতিক শ্রমিক সংস্থা (International Labour Organisation) ৰ মতে "শিশু শ্রমিক বুলিলে সেইবোৰ শিশুৰ কথা বুজোৱা হয় যিবোৰে অপৰিপক্ক বয়সতে প্রাপ্তবয়স্কৰ দৰে জীৱন কটাই আছে, স্বাস্থ্য আৰু শাৰীৰিক-মানসিক বিকাশ বাধাগ্রস্ত কৰা পৰিবেশত কম মজুৰিত দীঘলীয়া সময়ৰ বাবে কাম কৰি আছে"। এনে শিশুক প্রায়েই পৰিয়ালৰ পৰা আঁতৰাই অনা হয় আৰু উন্নত ভৱিষ্যৎ গঢ়িব পৰা শিক্ষা তথা প্রশিক্ষণ লাভৰ সুবিধাৰ পৰা বঞ্চিত কৰা

হয়। ৰাষ্ট্রসংঘৰ শিশুৰ জৰুৰীকালীন পুঁজি (UNICEF) ৰ এক প্রতিবেদন মতে বিশ্বত আনুমানিক ২৪৬ কৌটি শিশু শ্রমিক আছে। ইয়াৰে প্রায় ১৭১ কৌটি শিশুই খনি, ৰাসায়নিক পদার্থ প্রস্তুতকাৰী কোম্পানী, কৃষিৰ বাবে কীটনাশক দ্রব্য প্রস্তুতকাৰী কোম্পানী অথবা বিপদসংকুল যন্ত্র-পাতি নির্মাণ কোম্পানীত কাম কৰি আছে। শিশু শ্রমিকৰ সমস্যাটো নোহোৱা কৰিবলৈ আন্তঃৰাষ্ট্রীয় পর্যায়ত বহুতো ব্যৱস্থা গ্রহণ কৰা হৈছে। বিশ্ব শ্রমিক সংস্থাই ১৯৯০ চনত শিশু শ্রমিক নির্মূল কৰা আন্তর্জাতিক কার্যসূচী গ্রহণ কৰিছিল। একেটা সংস্থাই ১৯৯৯ চনৰ ১৭ জুনত শিশু শ্রমিকৰ নিকৃষ্টতম ৰূপ বিষয়ক সিদ্ধান্ত গ্রহণ কৰিছিল। এই সিদ্ধান্তখনৰ জৰিয়তে বিশ্বৰ দেশবোৰৰ প্রতি জৰুৰীকালীনভাৱে শিশু শ্রমিক নিয়োগত নিষেধাজ্ঞা জাৰি কৰিবলৈ আৰু শিশু শ্রমিক নাইকিয়া কৰিবলৈ প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিবলৈ গোহাৰি জনোৱা হৈছিল। মানৱ অধিকাৰ আয়োগ আৰু সংখ্যালঘূসকলৰ প্রতি বৈষম্যমূলক মনোভাৱ প্রতিৰোধ আৰু সুৰক্ষা বিষয়ক উপ-আয়োগকো শিশু শ্রমিক নাইকিয়া কৰিবলৈ দায়িত্ব অর্পণ কৰা হৈছিল।

যদিও বিশ্ব সম্প্রদায়ে শিশু শ্রমিকৰ সমস্যাটো নির্মূল কৰিবলৈ বিভিন্ন কার্যপন্থা হাতত লৈছে, তথাপিও এই সমস্যাটো নির্মূল হোৱা নাই।

৯.৪.১ ভাৰতত শিশু শ্রমিকৰ সমস্যা

ভাৰতত শিশু শ্রমিকৰ সমস্যাটোক এটা প্রধান আর্থ-সামাজিক সমস্যা বুলি গণ্য কৰা হয়। যদি আমি লোকপিয়ল প্রতিবেদন অধ্যয়ন কৰোঁ তেন্তে দেখিম যে ১৯৯১ চনত ভাৰতত কর্মৰত শিশুৰ সংখ্যা আছিল ১১.২৮ কৌটি। ২০০১ চনত ৫-১৪ বছৰীয়া শিশুৰ শিতানত এই সংখ্যা বাঢ়ি হ'লগৈ ১২.৬ কৌটি।

ভাৰতত শিশু শ্রমিক সমস্যাটোৰ প্রধান কাৰণসমূহ হ'ল— দৰিদ্রতা, বুভুক্ষা, শিক্ষাৰ অভাৱ, অনানুষ্ঠানিক অর্থনীতিৰ বিকাশ। ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশত নিয়োগকর্তাসকলে বিভিন্ন ক্ষুদ্র উদ্যোগ, যেনে— আইনাৰ উদ্যোগ, কার্পেট উদ্যোগ, ইটা ভাটা, হোটেল, দোকান ইত্যাদিত সস্তীয়া শ্রমিক নিয়োগ কৰিব বিচাৰে আৰু সেইবাবে এই নিয়োগকর্তাসকলে শিশু শ্রমিকসকলক অতি সামান্য বেতন দি কামত নিয়োগ কৰে। ভাৰতত ১৫ বছৰ বয়সৰ তলৰ ল'ৰা আৰু ছোৱালীক বিভিন্ন ধৰণৰ অসংগঠিত ক্ষেত্রত নিয়োগ কৰা হয়, য'ত তেওঁলোকে বিভিন্ন ধৰণৰ সমস্যা যেনে— দীঘলীয়া কামৰ সময়, বিপদজনক পৰিস্থিতিত কাম কৰা, কম মজুৰি, অস্বাস্থ্যকৰ পৰিস্থিতিত কাম কৰা ইত্যাদিৰ সমুখীন হয়। এনেকুৱা অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰা বাবে শিশুসকল বিভিন্ন ধৰণৰ স্বাস্থ্যজনিত সমস্যাৰ সমুখীন হয়। ভাৰতৰ বেছিভাগ নগৰ অঞ্চলত চাহ দোকানবোৰত শিশু শ্রমিকৰ হাৰ বৃদ্ধি পাইছে যিয়ে তেওঁলোকক অধিক অসুৰক্ষিত কৰি তুলিছে ।

বহুক্ষেত্ৰত দেখা যায় যে অভিভাৱকসকলে (যিসকল পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী হয়) ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিয়াবলৈ আগ্ৰহ প্ৰকাশ নকৰে। ভাৰতত সস্তীয়া শ্ৰমিক লাভ কৰিবলৈ কিছুমান অসামাজিক লোকে শিশু শ্ৰমিকৰ সমস্যাটোৰ সৃষ্টি কৰিছে। অত্যাধিক সামাজিক আৰু অৰ্থনৈতিক শোষণৰ কাৰণেও ভাৰতত শিশু শ্ৰমিকৰ সমস্যাটো সৃষ্টি হৈছে। বিশ্ব শ্ৰমিক সংস্থাই মত প্ৰকাশ কৰিছে যে শৈক্ষিক হস্তক্ষেপৰ জৰিয়তেহে শিশু শ্ৰমিকৰ সমস্যাটো নিৰ্মুল কৰিব পাৰি।

ভাৰতত শিশু শ্ৰমিকবোৰে বিপদসংকুল আৰু বিপদৰহিত দুয়োধৰণৰ উদ্যোগত কাম কৰে। বিড়ি তৈয়াৰ কৰা, কাৰ্পেট তৈয়াৰ কৰা, চিমেণ্ট উৎপাদন, ভিক্ষাবৃত্তি, কাপোৰত ছবি আঁকা, ৰং সনা, শাল বোৱা, দিয়াচলাই তৈয়াৰ কৰা, বিস্ফোৰক সামগ্ৰী আৰু স্পিলটিং নিৰ্মাণকাৰী উদ্যোগ, দেৱাল পৰিস্কাৰ কৰা, গৃহ নিৰ্মাণ উদ্যোগ, বিষাক্ত সামগ্ৰী ব্যৱহাৰ কৰা সংসাধন উদ্যোগ আদিক বিপদসংকুল উদ্যোগ বুলি ধৰা হয়। আনহাতে কৃষি, বিস্কুট তৈয়াৰ কৰা উদ্যোগ, বেকাৰী, গৰু চৰোৱা, আইচক্ৰীম তৈয়াৰ কৰা, ধূপ-কাঠি তৈয়াৰ কৰা, বাগিচা পতা, কাঠৰ কাম, পুতলা সজা, বাতৰি-কাকত বিলোৱা, সৰু দোকান-পোহাৰত কাম কৰা, চাইকেল মেৰামতি, দৰ্জি, ধোবা আদি কামক বিপদৰহিতৰ তালিকাত স্থান দিয়া হৈছে।

ভাৰতৰ পৰা শিশু শ্ৰমিকৰ সমস্যাটো নাইকিয়া কৰিবলৈ বহুতো সাংবিধানিক আৰু ন্যায়িক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২৪ মতে ১৪ বছৰৰ তলৰ কোনো শিশুকে কোনো উদ্যোগ, খনি অথবা আন কোনো বিপদসংকুল কামত নিয়োগ কৰিব পৰা নাযাব। সংবিধানৰ অনুচ্ছেদ ৪৫ মতে ৰাষ্ট্ৰই ১৪ বছৰ বয়সলৈ সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব লাগিব। ইয়াৰ উপৰি দেশত শিশু শ্ৰমিক নাইকিয়া কৰাৰ উদ্দেশ্যেৰে বহুকেইখন আইন সক্ৰিয় হৈ আছে। এনে দুখনমান আইন হ'ল— ভাৰতীয় কল-কাৰখানা আইন (১৯৪৮), ভাৰতীয় খনি আইন (১৯৫২), বিড়ি আৰু চিগাৰ কৰ্মীৰ (নিয়োগৰ দশা) আইন (১৯৬৬), শিশু শ্ৰমিক (প্ৰতিৰোধী আৰু নিয়ামক) আইন (১৯৮৬) আদি। দুখৰ বিষয় এয়ে যে ভাৰতত ইমানবোৰ আইন থকা সত্বেও আজি পৰ্যন্ত শিশু শ্ৰমিকৰ সমস্যাটো মানৱ অধিকাৰৰ ধাৰণাটোৰ প্ৰতি এক ভাবুকিস্বৰূপ হৈয়েই আছে।

জানি থোৱা ভাল



কৈলাশ সত্যাৰ্থী এজন ভাৰতীয় শিশু অধিকাৰ কৰ্মী আৰু নোবেল বঁটা বিজয়ী। তেখেতে সমগ্ৰ বিশ্বজুৰি শিশু অধিকাৰ ক্ষেত্ৰখনত কাম কৰি আহিছে আৰু ভাৰতকে ধৰি বিশ্বৰ কেইবাহাজাৰ শিশুৰ জীৱনৰ সুৰক্ষা প্ৰদান কৰিছে। তেখেতে ১৯৮০-ত শিশুকাল ৰক্ষা আন্দোলন আৰম্ভ কৰিছিল। তেখেতৰ জন্মভূমি মধ্য প্ৰদেশ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ কোন চনত বিশ্ব শ্রমিক সংস্থাই শিশু শ্রমিক নির্মূল কৰা আন্তর্জাতিক কার্যসূচী গ্রহণ কৰিছিল?

.....

প্রশ্ন ৭ ঃ ভাৰতত শিশু শ্রমিকৰ সমস্যাটো গঢ় লৈ উঠাৰ কাৰণসমূহৰ বিষয়ে সংক্ষেপে লিখক।

.....

.....

.....

.....

.....

.....

প্রশ্ন ৮ ঃ শিশু শ্রমিক (প্রতিৰোধী আৰু নিয়ামক) আইনখন ..... চনৰ পৰা বলবৎ হৈছিল। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ৯ ঃ ভাৰতত শিশু শ্রমিক সমস্যাটো নির্মূল কৰিবলৈ গ্রহণ কৰা দুটা সাংবিধানিক ব্যৱস্থা উল্লেখ কৰক।

.....

.....

.....

.....

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিশুৰ অধিকাৰসমূহ প্রায়ে ভংগ হোৱা দেখা যায়। শিশুৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ আন্তঃৰাষ্ট্রীয় আৰু ৰাষ্ট্রীয় পর্য্যায়ত বিভিন্ন ধৰণৰ পদক্ষেপ হাতত লোৱা হৈছে।
- শিশুৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰিবলৈ আৰু সেইবোৰক সুৰক্ষা দিবলৈ ৰাষ্ট্রসংঘই বহুতো ব্যৱস্থা গ্রহণ কৰিছে। ৰাষ্ট্রসংঘই ১৯৫৯ চনত শিশুৰ অধিকাৰৰ ঘোষণাপত্রখন গ্রহণ কৰিছিল। ঘোষণাপত্রখনত সন্নিৰিষ্ট কেইটামান অধিকাৰ হ'ল— শিশুৰ বিকাশৰ অধিকাৰ, নামৰ অধিকাৰ, নাগৰিকত্বৰ অধিকাৰ, সামাজিক সুৰক্ষা আৰু বিনামূলীয়া প্রাথমিক শিক্ষাৰ অধিকাৰ ।

- শিশুৰ অধিকাৰৰ ঘোষণাপত্ৰত অৰ্ন্তভুক্ত নীতিবোৰৰ কাৰ্যৰূপায়ণৰ বাবে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৮৯ চনৰ ২০ নৱেম্বৰত শিশুৰ অধিকাৰৰ সিদ্ধান্তখন গৃহীত কৰিছিল। সিদ্ধান্তখনে ১৮ বছৰৰ তলৰ সকলোকে শিশুৰূপে সংজ্ঞাৱদ্ধ কৰিছে। সিদ্ধান্তখনত সন্নিৱিষ্ট কিছুমান অধিকাৰক শিশুৰ কল্যাণৰ বাবে জৰুৰী বুলি অৰ্ন্তভুক্ত কৰিছে। এনে কিছুমান অধিকাৰ হ'ল— জীৱনৰ অধিকাৰ, **জন্মৰ পিছত পঞ্জীকৃত হোৱাৰ অধিকাৰ,** নাগৰিকত্ব লাভৰ অধিকাৰ, পৰিয়ালকেন্দ্ৰিক পৰিবেশ লাভৰ অধিকাৰ, **গোপনীয়তাৰ অধিকাৰ, চিন্তা-বিবেক আৰু ধৰ্মৰ স্বাধীনতা,** ভাব প্ৰকাশৰ স্বাধীনতা, সকলো ধৰণৰ শাৰীৰিক আৰু মানসিক হিংসা,বৈষম্যতাৰ পৰা সু�ৰক্ষা লাভৰ অধিকাৰ, আঘাতৰ পৰা সু�ৰক্ষা লাভৰ অথবা অৱহেলাৰ বলি নোহোৱাৰ অধিকাৰ, সামাজিক সু�ৰক্ষাৰ অধিকাৰ, **সৰ্বোচ্চ শাৰীৰিক মানদণ্ড লাভৰ অধিকাৰ,** শিশু শ্ৰমিকৰ ওপৰত চলা শোষণৰ পৰা সুৰক্ষা লাভৰ অধিকাৰ ইত্যাদি।
- ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২০০০ চনৰ ১৫ মে' তাৰিখে দুখন ঐচ্ছিক প্ৰ'ট'ক'ল গ্ৰহণ কৰিছিল। ইয়াৰে এখন হ'ল সশস্ত্ৰ সংঘৰ্ষত শিশু জড়িত হৈ পৰাৰ ওপৰত ঐচ্ছিক প্ৰ'ট'ক'ল আৰু আনখন হ'ল শিশুৰ ক্ৰয়-বিক্ৰয়, শিশু যৌনকৰ্মী, শিশু পৰ্ণগ্ৰাফীৰ ওপৰত ঐচ্ছিক প্ৰ'ট'ক'ল। দুয়োখন প্ৰ'ট'ক'লৰ লক্ষ্য হ'ল শিশুক সশস্ত্ৰ দ্বন্দ আৰু যৌন শোষণৰ পৰা ৰক্ষা কৰা।
- ১৯৯০ চনৰ ২৯ আৰু ৩০ ছেপ্টেম্বৰত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত শিশুৰ বাবে বিশ্ব শীৰ্ষ সন্মিলন অনুষ্ঠিত কৰা হৈছিল। সন্মিলনত শিশুৰ কল্যাণৰ পৃষ্ঠপোষকতা কৰি অভূতপূৰ্ব সংখ্যাত বিশ্বনেতাসকল উপস্থিত আছিল। ৰাষ্ট্ৰসংঘৰ নিউয়ৰ্ক কাৰ্যালয়ত অনুষ্ঠিত এই শীৰ্ষ সন্মিলনৰ উল্লেখনীয় কাৰ্যপন্থা হ'ল শিশুৰ অস্তিত্ব, সুৰক্ষা আৰু বিকাশৰ বিশ্ব ঘোষণাপত্ৰ আৰু ২০০০ চনত উপনীত হ'বলগীয়া শিশুকেন্দ্ৰিক মানৱীয় বিকাশ লক্ষ্যৰ বিস্তৃত নিয়মাৱলী সম্বলিত কাৰ্য-পৰিকল্পনা গ্ৰহণ। দুয়োখনৰে উদ্দেশ্য আছিল নৱজাতক আৰু প্ৰসূতি মাতৃৰ মৃত্যুৰ হাৰ কম কৰা, শিশুৰ অপৰিপুষ্টি তথা নিৰক্ষৰতা দূৰ কৰা, স্বাস্থ্য-পৰিয়াল কল্যাণ-শিক্ষা-খোৱাপানী-মলমূত্ৰ নিষ্কাশন ক্ষেত্ৰত বুনিয়াদী সা-সুবিধা বৃদ্ধি কৰা।
- শিশুৰ অধিকাৰ সুনিশ্চিতকৰণৰ ক্ষেত্ৰত থকা গুৰুতৰ প্ৰত্যাহ্বানবোৰৰ মাজৰে এটা হ'ল শিশু শ্ৰমিকৰ সমস্যা। বিশ্ব শ্ৰমিক সংস্থাই ১৯৯০ চনত শিশু শ্ৰমিক নাইকিয়া কৰিবলৈ আন্তৰ্জাতিক কাৰ্যসূচী গ্ৰহণ কৰিছে আৰু ১৯৯৯ চনৰ ১৭ জুনত শিশু শ্ৰমিকৰ নিকৃষ্টতম ৰূপ সিদ্ধান্ত গ্ৰহণ কৰিছে।
- ভাৰততো শিশু শ্ৰমিকৰ সমস্যাটো সমাধান কৰিবলৈ বিভিন্ন আইন গ্ৰহণ কৰা হৈছে। ভাৰতীয় কল-কাৰখানা আইন (১৯৪৮), ভাৰতীয় খনি আইন (১৯৫২), বিড়ি আৰু চিগাৰ কৰ্মীৰ (নিয়োগৰ অৱস্থা) আইন (১৯৬৬), শিশু শ্ৰমিক (প্ৰতিৰোধী আৰু নিয়ামক) আইন (১৯৮৬) হ'ল এই বিষয়ত থকা কেইখনমান ভাৰতীয় আইনৰ নাম।



৯.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.

2) Gupta, D.C. (2010). *Indian Government and Politics.* Delhi : Vikas Publishing House.

3) Malhotra, S; Upadhyay, P; M Srivastava, R & Pandey, S. (2005) . *Human Rights: Emerging Issues.* New Delhi: Kilaso Books Publication.

4) Syed, M.H. (2003). *Human Rights : The New Era*. New Delhi: Kilaso Books.

5) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi : Akansha Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) বৈশ্য ধনেশ্বৰ (২০০৫)ঃ *মানৱ অধিকাৰ*। গুৱাহাটীঃ লয়ার্ছ বুক ষ্টল প্ৰকাশক।

২) দেৱ, অ., দেৱ, ই., দেৱ, সু (অনুবাদ, গুণ বৰুৱা) (২০০১) ঃ *মানৱ অধিকাৰ ঃ এখনি আদি গ্ৰন্থ*। নতুন দিল্লীঃ নেশ্যনেল বুক ট্ৰাষ্ট।

৯.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ২০ নৱেম্বৰ, ১৯৫৯

২ নং প্ৰশ্নৰ উত্তৰ ঃ সশস্ত্ৰ সংঘৰ্ষত শিশু জড়িত হৈ পৰাৰ ওপৰত ঐচ্ছিক প্ৰ'ট'ক'ল আৰু শিশুৰ ক্ৰয়-বিক্ৰয়, শিশু যৌনকৰ্মী, শিশু পৰ্ণ'গ্ৰাফীৰ ওপৰত ঐচ্ছিক প্ৰ'ট'ক'ল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ২৯ আৰু ৩০ ছেপ্টেম্বৰ, ১৯৯০

৪ **নং প্ৰশ্নৰ উত্তৰ ঃ** বিকাশৰ অধিকাৰ, নামৰ অধিকাৰ, নাগৰিকত্বৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ জীৱনৰ অধিকাৰ, নাগৰিকত্ব লাভৰ অধিকাৰ, পৰিয়ালকেন্দ্ৰিক পৰিবেশ লাভৰ অধিকাৰ, ভাব প্ৰকাশৰ স্বাধীনতা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯০

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত শিশু শ্ৰমিক সমস্যাটোৰ প্ৰধান কাৰণসমূহ হ'ল— দৰিদ্ৰতা, বুভুক্ষা, শিক্ষাৰ অভাৱ, অনানুষ্ঠানিক অৰ্থনীতিৰ বিকাশ। ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশত নিয়োগকৰ্তাসকলে বিভিন্ন ক্ষুদ্ৰ উদ্যোগ, যেনে— আইনাৰ উদ্যোগ, কাৰ্পেট উদ্যোগ, ইটা ভাটা, হোটেল, দোকান ইত্যাদিত সস্তীয়া শ্ৰমিক নিয়োগ কৰিব বিচাৰে আৰু সেইবাবে এই নিয়োগকৰ্তাসকলে শিশু শ্ৰমিকসকলক অতি সামান্য বেতন দি কামত নিয়োগ কৰে। ভাৰতত ১৫ বছৰ বয়সৰ তলৰ ল'ৰা আৰু ছোৱালীক বিভিন্ন ধৰণৰ অসংগঠিত ক্ষেত্ৰত নিয়োগ কৰা হয়, য'ত তেওঁলোকে বিভিন্ন ধৰণৰ সমস্যা যেনে— দীঘলীয়া কামৰ সময়, বিপদজনক পৰিস্থিতিত কাম কৰা, কম মজুৰি, অস্বাস্থ্যকৰ পৰিস্থিতিত কাম কৰা ইত্যাদিৰ সমুখীন হয়। বহুক্ষেত্ৰত দেখা যায় যে অভিভাৱকসকলে (যিসকল পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী হয়) ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিয়াবলৈ আগ্ৰহ প্ৰকাশ নকৰে। ভাৰতত সস্তীয়া শ্ৰমিক লাভ কৰিবলৈ কিছুমান অসামাজিক লোকে শিশু শ্ৰমিকৰ সমস্যাটোৰ সৃষ্টি কৰিছে। অত্যাধিক সামাজিক আৰু অৰ্থনৈতিক শোষণৰ কাৰণেও ভাৰতত শিশু শ্ৰমিকৰ সমস্যাটো সৃষ্টি হৈছে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮৬

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২৪ মতে ১৪ বছৰৰ তলৰ কোনো শিশুকে কোনো উদ্যোগ, খনি অথবা আন কোনো বিপদসংকুল কামত নিয়োগ কৰিব পৰা নাযাব।

খ) সংবিধানৰ অনুচ্ছেদ ৪৫ মতে ৰাষ্ট্ৰই ১৪ বছৰ বয়সলৈ সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব লাগিব।



৯.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ শিশুৰ অধিকাৰৰ সিদ্ধান্তৰ ঐচ্ছিক প্ৰ'ট'ক'ল দুখন কোন চনত গ্ৰহণ কৰা হৈছিল?

প্ৰশ্ন ২ ঃ শিশুৰ অধিকাৰৰ সিদ্ধান্তই আগবঢ়োৱা শিশুৰ সংজ্ঞাটো লিখক।

প্ৰশ্ন ৩ ঃ ভাৰতৰ পৰা শিশু শ্ৰমিক নাইকিয়া কৰিবলৈ ভাৰতীয় সংবিধানত থকা দুটা সাংবিধানিক সুবিধা উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতত শিশু শ্ৰমিকৰ সমস্যাটো গঢ় লৈ উঠাৰ কাৰণসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ শিশু শ্ৰমিকৰ সমস্যাটো নিৰ্মূল কৰাত বিশ্ব শ্ৰমিক সংস্থাৰ ভূমিকাৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ শিশুৰ বাবে অনুষ্ঠিত হোৱা বিশ্ব সন্মিলনৰ বিষয়ে এটি চমুটোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিশুৰ অধিকাৰৰ পৃষ্ঠপোষকতা আৰু সুৰক্ষাৰ বাবে ৰাষ্ট্ৰসংঘই কৰা প্ৰয়াসবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতৰ পৰিপ্ৰেক্ষিতত শিশু শ্ৰমিকৰ সমস্যাটো পৰীক্ষা কৰক।

****

অধ্যায় ১০ ঃ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ

১০.৩.১ মানসিকভাৱে বাধাগ্রস্ত লোকৰ অধিকাৰৰ ঘোষণাপত্র, ১৯৭১

১০.৩.২ শাৰীৰিকভাৱে অক্ষম লোকৰ অধিকাৰৰ ঘোষণাপত্র , ১৯৭৫

১০.৩.৩ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ সিদ্ধান্ত

১০.৪ ভাৰতত বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবলৈ

১০.৭ অগ্রগতিৰ খতিয়ান

১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিশেষভাৱে সক্ষম লোকসকলৰ অধিকাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বিশেষভাৱে সক্ষম লোকসকলৰ অধিকাৰৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ ৰাষ্ট্রসংঘৰ ঘোষণাপত্র তথা সন্মিলনবোৰৰ বিষয়ে বর্ণনা কৰিব পাৰিব,
- বিশেষভাৱে সক্ষম লোকসকলৰ অধিকাৰৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ ভাৰতবর্ষই গ্রহণ কৰা ব্যৱস্থাৱলী আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

আমি সকলোৱে জানো যে মানুহৰ জীৱনৰ এক গুৰুত্বপূর্ণ উপাদান হৈছে অধিকাৰ। ব্যক্তিৰ সর্বাংগীন বিকাশৰ বাবে মানৱ অধিকাৰসমূহ অতি প্রয়োজনীয় উপাদান। কিন্তু আমাৰ সমাজত কিছুসংখ্যক শ্রেণীৰ ব্যক্তিক মানৱ অধিকাৰসমূহ উপভোগৰ পৰা বঞ্চিত কৰা হয়। উদাহৰণস্বৰূপে বিশেষ ধৰণে সক্ষম লোকসকলৰ (এই শ্রেণীত মানসিকভাৱে মন্দ বুদ্ধি আৰু শাৰীৰিক ভাৱে অক্ষম লোকসকলক সামৰি লোৱা হয়) অধিকাৰ প্রায়ে ভংগ হয়। গতিকে এই শ্রেণীৰ লোকসকলক কিছুমান বিশেষ অধিকাৰৰ প্রয়োজন যাতে তেওঁলোকে তেওঁলোকৰ

বিশেষ প্ৰয়োজনবোৰ পূৰাব পাৰে। এই অধ্যায়টিত আমি বিশেষভাৱে সক্ষম লোকসকলৰ অধিকাৰ তথা এই অধিকাৰসমূহ সুনিশ্চিত কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় তথা ৰাষ্ট্ৰীয় পৰ্য্যায়ত গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা কৰিম।

১০.৩ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ

বিশ্বৰ জনসংখ্যাৰ মাজত বিশেষভাৱে সক্ষম লোকৰ ভাগ কেইটামানো আছে। তেওঁলোকৰ কিছুমান বিশেষ প্ৰয়োজনীয়তা থাকে। ১৯৭৬ চনত বিশ্ব স্বাস্থ্য সংস্থাই বিকলাংগতাৰ সংজ্ঞা দাঙি ধৰি কৈছিল যে— বিকলাংগতা মানে হ'ল মানুহৰ বাবে স্বভাৱিক বুলি ভবাধৰণে কোনো কাম কৰিব নোৱাৰা। এনে ব্যক্তিক আজিকালি বিশেষভাৱে সক্ষম লোক বুলি কোৱা হয়। এনে ব্যক্তি প্ৰায়েই শিক্ষা, নিয়োগৰ সুবিধা আদিৰ দৰে মৌলিক অধিকাৰবোৰ উপভোগ কৰাৰ পৰা বঞ্চিত হয়। ৰাষ্ট্ৰসংঘই এই লোকসকলৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰিছে আৰু তেওঁলোকৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিবলৈ তলত দিয়া ব্যৱস্থাবোৰ গ্ৰহণ কৰিছে।

১০.৩.১ মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ অধিকাৰৰ ঘোষণাপত্ৰ, ১৯৭১

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৭১ চনৰ ২০ ডিচেম্বৰত মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ অধিকাৰৰ ঘোষণাপত্ৰখন গ্ৰহণ কৰিছিল। ইয়াৰ জৰিয়তে এনে লোকৰ বাবে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত কাৰ্যপন্থা হাতত লোৱাৰ বাবে আহ্বান জনোৱা হৈছিল। মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ অধিকাৰক সুৰক্ষা দিবলৈ গ্ৰহণ কৰা নীতিবোৰৰ উমৈহতীয়া আধাৰ আৰু উদ্ধৃতিৰ চানেকি হিচাপে এই ঘোষণাপত্ৰখন ব্যৱহাৰ কৰা হ'ব বুলি কোৱা হৈছিল। ঘোষণাপত্ৰখনৰ জৰিয়তে মানি লোৱা হৈছিল যে এগৰাকী মানসিকভাৱে বাধাগ্ৰস্ত ব্যক্তিৰ দুই-এটা ব্যতিক্ৰম বাদে অন্য মানুহৰ দৰেই একে মানৰ অধিকাৰ থাকে। এনে ব্যক্তিৰ অধিকাৰসমূহ হ'ল—

১) সঠিক চিকিৎসা যত্ন আৰু শাৰীৰিক যত্ন লাভৰ অধিকাৰ যি তেওঁলোকৰ ব্যক্তিত্বৰ সৰ্বোচ্চ বিকাশত সহায়ক হ'ব,

২) শিক্ষা, প্ৰশিক্ষণ, পুনৰ সংস্থাপন তথা দিক্-নিৰ্দেশনা লাভৰ অধিকাৰ,

৩) অৰ্থনৈতিক সুৰক্ষা আৰু এক মৰ্যাদাপূৰ্ণ জীৱন-যাপনৰ অধিকাৰ,

৪) নিজ পৰিয়াল অথবা পোষ্য পিতৃ-মাতৃৰ সৈতে বাস কৰাৰ তথা বিভিন্নধৰণৰ সামূহিক জীৱনত অংশগ্ৰহণ কৰাৰ অধিকাৰ,

৫) শোষণ, বঞ্চনা, মৰ্যাদাহানিকৰ আচৰণৰ পৰা সুৰক্ষিত হৈ থকাৰ অধিকাৰ,

৬) যোগ্যতাসম্পন্ন অভিভাৱক লাভৰ অধিকাৰ ।

এই ঘোষণাপত্ৰৰ উপৰি সাধাৰণ সভাই ১৯৯১ চনৰ ১৭ ডিচেম্বৰত মানসিক অসুস্থতাত ভোগা মানুহৰ সুৰক্ষা আৰু মানসিক স্বাস্থ্যসেৱাৰ উন্নয়নৰ বাবে নীতি শীৰ্ষক নীতি কিছুমান গ্ৰহণ কৰে। সাধাৰণ সভাই বিচাৰিছিল যে এই নীতিসমূহ সকলো মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ ক্ষেত্ৰতে কোনো বৈষম্য নৰখাকৈ প্ৰযোজ্য হ'ব লাগে। এই নীতিবোৰে মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ চিকিৎসাৰ বাবে কিছুমান মৌলিক নিয়ম বান্ধি দিছিল। যেনে— মানসিকভাৱে বাধাগ্ৰস্ত ব্যক্তিৰ বন্ধ্যাকৰণ প্ৰতিৰোধ, সন্মতি নথকা মনো-অস্ত্ৰোপাচাৰ আৰু মানসিক অসুস্থতাৰ আন বহুতো বলপূৰ্বকভাৱে কৰা অপৰিৱৰ্তনীয় চিকিৎসা এই নীতিয়ে বাৰণ কৰিছিল। এই নীতিৰ জৰিয়তে কোনো ৰোগীৰ ইচ্ছাৰ বিৰুদ্ধে চিকিৎসালয়ত ভৰ্তিকৰণ আৰু নিঃসংগভাৱে ৰখাৰো বিৰোধিতা কৰা হৈছে।

১০.৩.২ শাৰীৰিকভাৱে অক্ষম লোকৰ অধিকাৰৰ ঘোষণাপত্ৰ, ১৯৭৫

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই বিশেষভাৱে সক্ষম লোকৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰাৰ লক্ষ্যৰে ১৯৭৫ চনৰ ৯ ডিচেম্বৰত শাৰীৰিকভাৱে অক্ষম লোকৰ অধিকাৰৰ ঘোষণাপত্ৰখন গ্ৰহণ কৰিছিল। ঘোষণাপত্ৰখনৰ মতে 'শাৰীৰিকভাৱে অক্ষম' বুলি সেইসকল ব্যক্তিক বুজোৱা হয় যিসকলে স্বাভাৱিক ব্যক্তি এগৰাকীৰ দৰে অথবা স্বাভাৱিক সামাজিক জীৱন এটাৰ বাবে প্ৰয়োজনীয় কামবোৰ শাৰীৰিক অথবা মানসিক সামৰ্থৰ অভাৱত সম্পূৰ্ণৰূপে অথবা আংশিকভাৱে নিজে কৰি ল'ব নোৱাৰে। এই অভাৱ তেওঁৰ বংশগত অথবা বংশগত নহ'বও পাৰে। এই ঘোষণাপত্ৰখনে মতামত আগবঢ়াইছিল যে ঘোষণাপত্ৰখনত সন্নিৱিষ্ট সকলো অধিকাৰ বিশেষভাবে সক্ষম লোকসকলে জাতি, বৰ্ণ, লিংগ, ভাষা, ধৰ্ম, ৰাজনৈতিক মতামত নিৰ্বিশেষে উপভোগ কৰিব পাব লাগিব।

ঘোষণাপত্ৰখনত শাৰীৰিকভাৱে অক্ষম লোকৰ বাবে নিম্নলিখিত অধিকাৰবোৰ সামৰি লোৱা হৈছে—

১) মানৱীয় মৰ্যাদাৰ প্ৰতি সন্মানৰ অধিকাৰ

২) অন্য লোকৰ দৰে একে পৌৰ আৰু ৰাজনৈতিক অধিকাৰ উপভোগৰ অধিকাৰ

৩) চিকিৎসা সেৱা, মনোবৈজ্ঞানিক চিকিৎসা আৰু কাৰ্যক্ষম হৈ থকাৰ চিকিৎসা লাভৰ অধিকাৰ

৪) অৰ্থনৈতিক-সামাজিক সুৰক্ষা আৰু মৰ্যাদাসম্পন্ন জীৱন-যাপন কৰাৰ অধিকাৰ

৫) তেওঁলোকক স্ব-নিৰ্ভৰশীল কৰি তুলিবলৈ প্ৰস্তুত কৰা আঁচনিসমূহত অৰ্ন্তভুক্ত হোৱাৰ অধিকাৰ।

৬) অর্থনৈতিক আৰু সামাজিক পৰিকল্পনাৰ সকলো পর্যায়তে তেওঁলোকৰ বিশেষ প্রয়োজনীয়তাবোৰ বিবেচনা কৰি চোৱাৰ দাবী জনোৱাৰ অধিকাৰ

৭) নিজ পৰিয়াল অথবা পোষ্য পিতৃ-মাতৃৰ সৈতে বাস কৰা আৰু সকলো ধৰণৰ সামাজিক আৰু সৃষ্টিমূলক কামত অংশগ্রহণৰ অধিকাৰ

৯) বৈষম্যমূলক, ককর্থনাপূর্ণ অথবা মর্যাদাহানিকৰ প্রকৃতিৰ সকলোধৰণৰ আচৰণ আৰু সকলো শোষণ, নিয়ন্ত্রণৰ পৰা সুৰক্ষা লাভৰ অধিকাৰ

১০) নিজকে আৰু সম্পত্তি সুৰক্ষিত কৰিবলৈ ন্যায়িক সহায় লাভৰ অধিকাৰ।

এই ঘোষণাপত্রখনে উল্লেখ কৰিছে যে বিশেষভাৱে সক্ষম লোকসকলৰ বাবে ব্যৱস্থা গ্রহণ কৰোতে ৰাষ্ট্রই তেনে লোকসকলৰ অধিকাৰৰ সৈতে জড়িত সংস্থাৰ সৈতে মত বিনিময় কৰিব লাগে। ঘোষণাপত্রখনে এইটোও স্পষ্টভাবে কৈছে যে বিশেষভাবে সক্ষম লোকসকলক আৰু তেওঁলোকৰ পৰিয়ালক ঘোষণাপত্রত সন্নিৱিষ্ট অধিকাৰসমূহৰ বিষয়ে সঠিক আৰু সম্পূর্ণ তথ্য প্রদান কৰিব লাগে।

সাধাৰণ সভাই ১৯৮১ চনটো 'শাৰীৰিকভাৱে অক্ষম লোকৰ আন্তর্জাতিক বর্ষ' হিচাপে উদ্‌যাপন কৰিছিল। ১৯৮৩ চনৰ পৰা ১৯৯২ চনলৈ ৰাষ্ট্রসংঘই "শাৰীৰিকভাৱে অক্ষম লোকৰ দশক" উদ্‌যাপন কৰিছিল। এই উদ্‌যাপনৰ লক্ষ্য আছিল বিশেষভাৱে সক্ষম লোকসকলৰ অধিকাৰৰ পৃষ্ঠপোষকতা আৰু সুৰক্ষাৰ হকে কাম কৰিবলৈ দেশবোৰক অনুপ্রাণিত কৰা।

১০.৩.৩ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ সিদ্ধান্ত

ওপৰত উল্লেখ কৰা ঘোষণাপত্র দুখনৰ উপৰি ৰাষ্ট্রসংঘই ২০০৬ চনৰ ১৩ ডিচেম্বৰত বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ সিদ্ধান্ত গ্রহণ কৰিছিল। এই সিদ্ধান্তখন ২০০৮ চনৰ ৩ মে' ৰ পৰা বলবৎ হৈছিল। এই সিদ্ধান্তখনৰ ব্যৱস্থাসমূহক অধিক ফলপ্রসু কৰিবলৈ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ সিদ্ধান্তৰ ঐচ্ছিক প্র'ট'ক'ল গ্রহণ কৰা হৈছিল আৰু এই প্র'ট'ক'খন ২০০৮ চনৰ ৩ মে' ৰ পৰা বলবৎ হৈছিল। বিশেষভাবে সক্ষম লোকৰ অধিকাৰৰ কমিটিয়ে এই সিদ্ধান্তখনৰ কার্য্যকৰণ পদ্ধতি নিৰীক্ষণ কৰে। সিদ্ধান্তখনৰ ১ নং অনুচ্ছেদ মতে সিদ্ধান্তখনৰ উদ্দেশ্য আছিল সকলো শাৰীৰিকভাৱে অক্ষম লোকৰে সকলো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ পৃষ্ঠপোষকতা কৰা, সুৰক্ষা প্রদান কৰা আৰু পূর্ণ তথা সম উপভোগৰ সুবিধা সুনিশ্চিত কৰা। সিদ্ধান্তখনে লগতে এই লোকসকলৰ মর্যাদাক সন্মান জনোৱাৰ পৃষ্ঠপোষকতা কৰিছিল। বিশেষভাৱে সক্ষম লোকসকলৰ অধিকাৰসমূহৰ পোষকতা আৰু সুৰক্ষাৰ বাবে ব্যৱস্থা হাতত ল'বলৈ এই সিদ্ধান্তখনে সদস্য ৰাষ্ট্রসমূহক আহ্বান জনাইছিল। এই

সিদ্ধান্তখনে বিশেষভাবে সক্ষম লোকৰ অধিকাৰৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ বাবে সচেতনতা বৃদ্ধিত গুৰুত্ব আৰোপ কৰিছিল। এই সিদ্ধান্তত বিশেষভাৱে সক্ষম লোকৰ বাবে সন্নিৱিষ্ট কিছুমান অধিকাৰ হ'ল— ব্যক্তিৰ মৰ্য্যাদাৰ প্ৰতি সন্মান লাভৰ অধিকাৰ, পৰিয়ালৰ অধিকাৰ, আইনৰ চকুত সমতাৰ অধিকাৰ, সুবিধা লাভৰ ক্ষেত্ৰত সম অধিকাৰ, অক্ষমতা নিৰ্বিশেষে কাম কৰাৰ অধিকাৰ, লিংগ ভিত্তিক বৈষম্যতাৰ পৰা স্বাধীনতাৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, সৰ্বোচ্চ আহৰণযোগ্য স্বাস্থ্য লাভৰ অধিকাৰ, মৰ্য্যাদাপূৰ্ণ জীৱন-যাপনৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ, তথ্য প্ৰযুক্তিৰ লাভালাভ আহৰণৰ অধিকাৰ, চলা ফুলাৰ অধিকাৰ, সামাজিক , ৰাজহুৱা, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনত অংশগ্ৰহণৰ অধিকাৰ ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ কোন চনত মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ অধিকাৰৰ ঘোষণাপত্ৰখন গ্ৰহণ কৰা হৈছিল?

.....

প্ৰশ্ন ২ ঃ ১৯৮১ চনটো "শাৰীৰিকভাৱে অক্ষম লোকৰ আন্তৰ্জাতিক বৰ্ষ" ৰূপে উদ্‌যাপন কৰা হৈছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৩ ঃ শাৰীৰিকভাৱে অক্ষম লোকৰ অধিকাৰৰ ঘোষণাপত্ৰ, ১৯৭৫ এ আগবঢ়োৱা "শাৰীৰিকভাৱে অক্ষম লোকৰ" সংজ্ঞাটো লিখক।

.....

.....

.....

.....

প্ৰশ্ন ৪ ঃ শাৰীৰিকভাৱে অক্ষম লোকৰ অধিকাৰ বিষয়ক ঘোষণাপত্ৰত থকা যিকোনো দুটা অধিকাৰ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৫ ঃ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ সিদ্ধান্ত, ২০০৬ ত সন্নিৱিষ্ট কৰা যিকোনো চাৰিটা অধিকাৰ উল্লেখ কৰক।

.....

.....

.....

১০.৪ ভাৰতত বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ

বিশেষভাৱে সক্ষম লোকৰ স্বাধীনতা আৰু অধিকাৰ সুনিশ্চিত কৰিবলৈ ভাৰতৰ বিভিন্ন সাংবিধানিক আৰু ন্যায়িক সা-সুবিধা আছে। সংবিধানৰ প্ৰস্তাৱনাত স্পষ্ট ৰূপ উল্লেখ আছে যে ই "....ইয়াৰ সকলো নাগৰিকৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়; চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা; প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা; তথা তেওঁলোক সকলোৰে মাজত ব্যক্তিৰ মৰ্যাদা আৰু জাতীয় ঐক্য তথা সংহতি সুনিশ্চিতকাৰী ভাতৃত্বভাৱ বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প গ্ৰহণ" কৰিছে। অৰ্থাৎ, সংবিধানৰ আৰম্ভণিতে কোনো ভেদভাৱ নৰখাকৈ সকলোকে সমঅধিকাৰ আৰু স্বাধীনতা দিয়াৰ কথা কোৱা হৈছে। ইয়াৰ জৰিয়তে বিশেষভাৱে সক্ষম লোকসকলেও একে অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰাৰ পথ সুগম কৰি তোলা হৈছে। সংবিধানৰ অনুচ্ছেদ ১৪-ৰ মৌলিক অধিকাৰ শিতানতো আইনৰ আগত প্ৰতিগৰাকী নাগৰিকেই সমান আৰু প্ৰত্যেকেই ন্যায়িক সুৰক্ষা লাভৰ বাবে যোগ্য বুলি নিশ্চিতকৈ কোৱা হৈছে। অনুচ্ছেদ ১৬-ত কোনো ৰাজহুৱা বিভাগতে নিযুক্তিৰ ক্ষেত্ৰত ৰাষ্ট্ৰই কোনো বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব বুলি কোৱা হৈছে।

ভাৰতত বিশেষভাৱে সক্ষম লোকৰ কল্যাণৰ বাবে বহুতো আইন গৃহীত কৰা হৈছে। ১৯৯৫ চনত অক্ষম লোক (সমান সুবিধা, অধিকাৰৰ সুৰক্ষা আৰু সম্পূৰ্ণ অংশগ্ৰহণ) আইনখন গৃহীত কৰা হৈছিল। আইনখনৰ জৰিয়তে সকলো কামতে শাৰীৰিকভাৱে অক্ষম লোকৰ সমান আৰু সম্পূৰ্ণ অংশগ্ৰহণৰ পৃষ্ঠপোষকতা তথা নিশ্চিতি প্ৰদান কৰা হৈছিল। তেওঁলোকৰ অৰ্থনৈতিক আৰু সামাজিক অধিকাৰবোৰ সুৰক্ষিত ৰখাৰো নিশ্চিতি দিয়া হৈছিল। অষ্টিজিম, চেৰিব্ৰেল পালছী, মানসিক বাধাগ্ৰস্ততা আৰু একাধিক অক্ষমতাৰ বলি লোকৰ কল্যাণৰ বাবে থকা ৰাষ্ট্ৰীয় ন্যাস আইন, ১৯৯৯ ৰ লক্ষ্য হ'ল গুৰুতৰভাৱে অসুস্থ ব্যক্তিৰ পৰিয়ালে বিচৰা ভৰসাযোগ্য বিকল্প ব্যৱস্থাৰ উমৈহতীয়া দাবীবোৰ পূৰণৰ চেষ্টা কৰা। ১৯৮৭ চনৰ মানসিক স্বাস্থ্য আইন হ'ল এখন পৌৰ অধিকাৰ বিধেয়ক। ই মানসিক চিকিৎসালয়বোৰৰ মান নিয়ন্ত্ৰণ কৰাত গুৰুত্ব আৰোপ কৰে। ১৯৯৫ চনৰ অক্ষম লোক (সমান সুবিধা, অধিকাৰৰ সুৰক্ষা আৰু সম্পূৰ্ণ অংশগ্ৰহণ) আইনখন সলনি কৰি ভাৰতীয় সংসদে ২০১৬ চনত বিশেষভাৱে সক্ষম ব্যক্তিৰ অধিকাৰ আইনখন গৃহীত কৰে। এই আইনখনে বিশেষভাৱে সক্ষম লোকসকলক কিছুমান অধিকাৰ প্ৰদান কৰিছিল, যেনে— সমতাৰ অধিকাৰ, উচ্চ শিক্ষা আৰু চৰকাৰী চাকৰিত সংৰক্ষণৰ অধিকাৰ, ৬ ৰ পৰা১৮ বছৰ বয়সলৈকে বিশেষভাৱে সক্ষম ল'ৰা -ছোৱালীৰ বিনামূলীয়া শিক্ষা লাভৰ অধিকাৰ, চৰকাৰী সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানত শিক্ষা লাভৰ অধিকাৰ ইত্যাদি। এই আইনখনে বিশেষভাৱে সক্ষম লোকসকলৰ সৈতে জড়িত বিভিন্ন নীতি নিৰ্ধাৰণ আৰু প্ৰস্তুতৰ বাবে ৰাষ্ট্ৰীয় আৰু

ৰাজ্যিক পর্য্যায়ত পৰামর্শ প্রদানকাৰী ব'র্ড গঠনৰ ব্যৱস্থা আগবঢ়াইছে। এই পৰামর্শ প্রদানকাৰী বর্ডে আইনখনৰ কার্য্য ৰূপায়ন ব্যৱস্থাও পর্য্যবেক্ষণ কৰে। বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ স্থানীয় সমস্যাসমূহ সমাধানৰ বাবে এই আইনখনে জিলা পর্যায়ত কমিটি গঠনৰো ব্যৱস্থা আগবঢ়াইছে। বিশেষভাৱে সক্ষম ব্যক্তিসকলক আর্থিক সাহার্য্য আগবঢ়াবলৈ এই আইনখনে ৰাষ্ট্রীয় আৰু ৰাজ্যিক পূঁজি গঠনৰ ব্যৱস্থা কৰিছে।



চিন্তা-চর্চা কৰক ১০.১

ভাৰতত বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰা আৰু সেইবোৰৰ ৰক্ষাৰ হকে কাম কৰি থকা দুটামান বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাৰ নাম বিচাৰি উলিয়াবলৈ চেষ্টা কৰক।

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ ভাৰতীয় সংবিধানত সন্নিৱিষ্ট কৰা যিকোনো দুটা ব্যৱস্থা উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন ৭ ঃ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ সুৰক্ষিত ৰাখিবলৈ আৰু সেইবোৰৰ পৃষ্ঠপোষকতা কৰিবলৈ ভাৰতত বলবৎ হৈ থকা যিকোনো দুখন আইনৰ নাম লিখক।

.....

.....

.....

প্রশ্ন ৮ ঃ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ আইনত সন্নিৱিষ্ট কৰা যিকোনো চাৰিটা অধিকাৰ উল্লেখ কৰক।

.....

.....

.....

.....

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিশ্বৰ জনসংখ্যাৰ মাজত বিশেষভাৱে সক্ষম লোকৰ ভাগ কেইটামানো আছে। তেওঁলোকৰ কিছুমান বিশেষ প্ৰয়োজনীয়তা থাকে। ১৯৭৬ চনত বিশ্ব স্বাস্থ্য সংস্থাই বিকলাংগতাৰ সংজ্ঞা দাঙি ধৰি কৈছিল যে— বিকলাংগতা মানে হ'ল মানুহৰ বাবে স্বভাৱিক বুলি ভবাধৰণে কোনো কাম কৰিব নোৱাৰা। এনে ব্যক্তিক আজিকালি বিশেষভাৱে সক্ষম লোক বুলি কোৱা হয়। এনে ব্যক্তি প্ৰায়েই শিক্ষা, নিয়োগৰ সুবিধা আদিৰ দৰে মৌলিক অধিকাৰবোৰ উপভোগ কৰাৰ পৰা বঞ্চিত হয়।
- বিশেষভাৱে সক্ষম লোকৰ অধিকাৰসমূহ সুৰক্ষিত কৰাৰ বাবে ৰাষ্ট্ৰসংঘই বহুতো ব্যৱস্থা হাতত লৈছে। দুটামান উদাহৰণ হ'ল— মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ অধিকাৰৰ ঘোষণাপত্ৰ, মানসিক অসুস্থতাত ভোগা মানুহৰ সুৰক্ষা আৰু মানসিক স্বাস্থ্যসেৱাৰ উন্নয়নৰ বাবে নিৰ্ধাৰণ কৰা নীতি, শাৰীৰিকভাৱে অক্ষম লোকৰ অধিকাৰৰ ঘোষণাপত্ৰ, বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ সিদ্ধান্ত ইত্যাদি।
- ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৭১ চনৰ ২০ ডিচেম্বৰত মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ অধিকাৰৰ ঘোষণাপত্ৰখন গ্ৰহণ কৰিছিল। ঘোষণাপত্ৰখনৰ জৰিয়তে মানি লোৱা হৈছিল যে এগৰাকী মানসিকভাৱে বাধাগ্ৰস্ত ব্যক্তিৰ দুই-এটা ব্যতিক্ৰম বাদে অন্য মানুহৰ দৰেই একে মানৱ অধিকাৰ থাকে। এনে ব্যক্তিৰ অধিকাৰসমূহ হ'ল— সঠিক চিকিৎসা যত্ন আৰু শাৰীৰিক যত্ন লাভৰ অধিকাৰ , শিক্ষা, প্ৰশিক্ষণ, পুনৰ সংস্থাপন তথা দিক্-নিৰ্দেশনা লাভৰ অধিকাৰ, অৰ্থনৈতিক সুৰক্ষা আৰু এক মৰ্যাদাপূৰ্ণ জীৱন-যাপনৰ অধিকাৰ, শোষণ, বঞ্চনা, মৰ্যাদাহানিকৰ আচৰণৰ পৰা সুৰক্ষিত হৈ থকাৰ অধিকাৰ, যোগ্যতাসম্পন্ন অভিভাৱকৰ অধিকাৰ ।
- ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই বিশেষভাৱে সক্ষম লোকৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰাৰ লক্ষ্যৰে ১৯৭৫ চনৰ ৯ ডিচেম্বৰত শাৰীৰিকভাৱে অক্ষম লোকৰ অধিকাৰৰ ঘোষণাপত্ৰখন গ্ৰহণ কৰিছিল। ঘোষণাপত্ৰত সন্নিৱিষ্ট কিছুমান অধিকাৰ হ'ল—মানৱীয় মৰ্যাদাৰ প্ৰতি সন্মানৰ অধিকাৰ, অন্য লোকৰ দৰে একে পৌৰ আৰু ৰাজনৈতিক অধিকাৰ উপভোগৰ অধিকাৰ, চিকিৎসা সেৱা, মনোবৈজ্ঞানিক চিকিৎসা আৰু কাৰ্যক্ষম হৈ থকাৰ চিকিৎসা লাভৰ অধিকাৰ, অৰ্থনৈতিক-সামাজিক সুৰক্ষা আৰু মৰ্যাদাসম্পন্ন জীৱন-যাপন কৰাৰ অধিকাৰ, বৈষম্যমূলক, ককৰ্থনাপূৰ্ণ অথবা মৰ্যাদাহানিকৰ প্ৰকৃতিৰ সকলোধৰণৰ আচৰণ আৰু সকলো শোষণ, নিয়ন্ত্ৰণৰ পৰা সুৰক্ষা লাভৰ অধিকাৰ, নিজকে আৰু সম্পত্তি সুৰক্ষিত কৰিবলৈ ন্যায়িক সহায় লাভৰ অধিকাৰ।
- ৰাষ্ট্ৰসংঘই ২০০৬ চনৰ ১৩ ডিচেম্বৰত বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। বিশেষভাবে সক্ষম লোকৰ অধিকাৰৰ কমিটিয়ে এই সিদ্ধান্তখনৰ কাৰ্য্যকৰণ

পদ্ধতি নিৰীক্ষণ কৰে। এই সিদ্ধান্তত বিশেষভাৱে সক্ষম লোকৰ বাবে সন্নিৱিষ্ট কিছুমান অধিকাৰ হ'ল— ব্যক্তিৰ মর্য্যাদাৰ প্রতি সন্মান লাভৰ অধিকাৰ, পৰিয়ালৰ অধিকাৰ, আইনৰ চকুত সমতাৰ অধিকাৰ, সুবিধা লাভৰ ক্ষেত্রত সম অধিকাৰ, অক্ষমতা নির্বিশেষে কাম কৰাৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, সর্বোচ্চ আহৰণযোগ্য স্বাস্থ্য লাভৰ অধিকাৰ, মর্য্যাদাপূর্ণ জীৱন-যাপনৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ, তথ্য প্রযুক্তিৰ লাভালাভ আহৰণৰ অধিকাৰ, চলা ফুলাৰ অধিকাৰ, সামাজিক , ৰাজহুৱা, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনত অংশগ্রহণৰ অধিকাৰ ইত্যাদি।

- বিশেষভাৱে সক্ষম লোকৰ স্বাধীনতা আৰু অধিকাৰ সুনিশ্চিত কৰিবলৈ ভাৰতত বিভিন্ন সাংবিধানিক সা-সুবিধা আছে। সংবিধানৰ আৰম্ভণিতে কোনো ভেদভাৱ নৰখাকৈ সকলোকে সমঅধিকাৰ আৰু স্বাধীনতা দিয়াৰ কথা কোৱা হৈছে। ইয়াৰ জৰিয়তে বিশেষভাৱে সক্ষম লোকসকলেও একে অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰাৰ পথ সুগম কৰি তোলা হৈছে। সংবিধানৰ অনুচ্ছেদ ১৪-ৰ মৌলিক অধিকাৰ শিতানতো আইনৰ আগত প্রতিগৰাকী নাগৰিকেই সমান আৰু প্রত্যেকেই ন্যায়িক সুৰক্ষা লাভৰ বাবে যোগ্য বুলি নিশ্চিতকৈ কোৱা হৈছে। অনুচ্ছেদ ১৬-ত কোনো ৰাজহুৱা বিভাগতে নিযুক্তিৰ ক্ষেত্রত ৰাষ্ট্রই কোনো বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব বুলি কোৱা হৈছে।
- বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰিবলৈ আৰু অধিকাৰবোৰৰ সুৰক্ষাৰ বাবে ভাৰতেও বিভিন্ন আইন গ্রহণ কৰিছে। যেনে— অক্ষম লোক (সমান সুবিধা, অধিকাৰৰ সুৰক্ষা আৰু সম্পূর্ণ অংশগ্রহণ) আইন, অষ্টিজিম, চেৰিব্রেল পালছী, মানসিক বাধাগ্রস্ততা আৰু একাধিক অক্ষমতাৰ বলি লোকৰ কল্যাণৰ বাবে থকা আইনৰ ৰাষ্ট্রীয় ন্যাস, মানসিক স্বাস্থ্য আইন ইত্যাদি। ১৯৯৫ চনৰ অক্ষম লোক (সমান সুবিধা, অধিকাৰৰ সুৰক্ষা আৰু সম্পূর্ণ অংশগ্রহণ) আইনখন সলনি কৰি ভাৰতীয় সংসদে ২০১৬ চনত বিশেষভাৱে সক্ষম ব্যক্তিৰ অধিকাৰ আইনখন গৃহীত কৰে।



১০.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.

2) Gupta, D.C. (2010). *Indian Government and Politics.* Delhi : Vikas Publishing House.

3) Malhotra, S; Upadhyay, P; M Srivastava, R & Pandey, S. (2005). *Human Rights: Emerging Issues.* New Delhi: Kilaso Books Publication.

4) Sanajoaba, N. (1994). *Human Rights: Principles, Practices and Abuses.* New Delhi: Omsons Publications.

5) Syed, M.H. (2003). *Human Rights : The New Era*. New Delhi: Kilaso Books.

6) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi: Akansha Publishing House. House.

অসমীয়া গ্ৰন্থ ঃ

১) বৈশ্য ধনেশ্বৰ (২০০৫)ঃ *মানৱ অধিকাৰ*। গুৱাহাটীঃ লয়ার্ছ বুক ষ্টল প্ৰকাশক।

২) দেৱ, অ., দেৱ, ই., দেৱ, সু (অনুবাদ, গুণ বৰুৱা) (২০০১) ঃ *মানৱ অধিকাৰ ঃ এখনি আদি গ্ৰন্থ*। নতুন দিল্লীঃ নেশ্যনেল বুক ট্ৰাষ্ট।

১০.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭১

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৫ চনৰ শাৰীৰিকভাৱে অক্ষম লোকৰ অধিকাৰৰ ঘোষণাপত্ৰখনৰ মতে 'শাৰীৰিকভাৱে অক্ষম' বুলি সেইসকল ব্যক্তিক বুজোৱা হয় যিসকলে স্বাভাৱিক ব্যক্তি এগৰাকীৰ দৰে অথবা স্বাভাৱিক সামাজিক জীৱন এটাৰ বাবে প্ৰয়োজনীয় কামবোৰ শাৰীৰিক অথবা মানসিক সামৰ্থৰ অভাৱত সম্পূৰ্ণৰূপে অথবা আংশিকভাৱে নিজে কৰি ল'ব নোৱাৰে। এই অভাৱ তেওঁৰ বংশগত অথবা বংশগত নহ'বও পাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱীয় মৰ্যাদাৰ প্ৰতি সন্মানৰ অধিকাৰ, চিকিৎসা সেৱা, মনোবৈজ্ঞানিক চিকিৎসা আৰু কাৰ্যক্ষম হৈ থকাৰ চিকিৎসা লাভৰ অধিকাৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তিৰ মৰ্য্যাদাৰ প্ৰতি সন্মান লাভৰ অধিকাৰ, পৰিয়ালৰ অধিকাৰ, আইনৰ চকুত সমতাৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ সংবিধানৰ আৰম্ভণিতে কোনো ভেদভাৱ নৰখাকৈ সকলোকে সমঅধিকাৰ আৰু স্বাধীনতা দিয়াৰ কথা কোৱা হৈছে। ইয়াৰ জৰিয়তে বিশেষভাৱে সক্ষম লোকসকলেও একে অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰাৰ পথ সুগম কৰি তোলা হৈছে। সংবিধানৰ অনুচ্ছেদ ১৪-ৰ মৌলিক অধিকাৰ শিতানতো আইনৰ আগত প্ৰতিগৰাকী নাগৰিকেই সমান আৰু প্ৰত্যেকেই ন্যায়িক সুৰক্ষা লাভৰ বাবে যোগ্য বুলি নিশ্চিতকৈ কোৱা হৈছে। অনুচ্ছেদ ১৬-ত কোনো

ৰাজহুৱা বিভাগতে নিযুক্তিৰ ক্ষেত্ৰত ৰাষ্ট্ৰই কোনো বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব বুলি কোৱা হৈছে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মানসিক বাধাগ্ৰস্ত আৰু একাধিক অক্ষমতা আইন (১৯৯৯) আৰু মানসিক স্বাস্থ্য আইন (১৯৮৭)

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সমতাৰ অধিকাৰ, উচ্চ শিক্ষা আৰু চৰকাৰী চাকৰিত সংৰক্ষণৰ অধিকাৰ, ৬ ৰ পৰা১৮ বছৰ বয়সলৈকে বিশেষভাৱে সক্ষম ল'ৰা -ছোৱালীৰ বিনামূলীয়া শিক্ষা লাভৰ অধিকাৰ, চৰকাৰী সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানত শিক্ষা লাভৰ সম অধিকাৰ ইত্যাদি।



১০.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ কোনখন কমিটিয়ে বিশেষ ভাৱে সক্ষম লোকৰ অধিকাৰৰ সিদ্ধান্তখনৰ কাৰ্য্যৰূপায়ণ পৰ্যবেক্ষণ কৰে?

প্ৰশ্ন ২ ঃ কোনটো চন 'শাৰীৰিকভাৱে অক্ষম লোকৰ আন্তৰ্জাতিক বৰ্ষ' হিচাপে উদ্‌যাপন কৰা হৈছিল?

প্ৰশ্ন ৩ ঃ বিশেষভাৱে সক্ষম লোকৰ স্বাধীনতা আৰু অধিকাৰ সুনিশ্চিত কৰিবলৈ ভাৰতত গ্ৰহণ কৰা দুটা সাংবিধানিক ব্যৱস্থা উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ শাৰীৰিকভাৱে অক্ষম লোকৰ অধিকাৰ বিষয়ক ঘোষণাপত্ৰখন কোন চনত গ্ৰহণ কৰা হৈছিল?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ সিদ্ধান্তখনৰ বিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ বিশেষভাৱে সক্ষম ব্যক্তিৰ অধিকাৰ আইন, ২০১৬ এ আগবঢ়োৱা ব্যৱস্থাসমূহ সংক্ষেপে ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ অধিকাৰ বিষয়ক ঘোষণাপত্ৰখনৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ সুৰক্ষাৰ বাবে ভাৰতে গ্ৰহণ কৰা বিভিন্ন সাংবিধানিক আৰু বিধায়িনী ব্যৱস্থাবোৰ পৰীক্ষা কৰক।

প্ৰশ্ন ২ ঃ বিশেষভাৱে সক্ষম লোকৰ অধিকাৰৰ পৃষ্ঠপোষকতা আৰু সুৰক্ষাত ৰাষ্ট্ৰসংঘৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

****

অধ্যায় ১১ ঃ শৰণার্থীৰ অধিকাৰ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ আন্তর্জাতিক পর্যায়ত শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্রত গ্রহণ কৰা প্রচেষ্টাসমূহ
১১.৪ ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ ভূমিকা
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্রগতিৰ খতিয়ান
১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শৰণার্থীৰ অধিকাৰসমূহ বর্ণনা কৰিব পাৰিব
- আন্তর্জাতিক পর্যায়ত শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্রত গ্রহণ কৰা প্রচেষ্টাসমূহ আলোচনা কৰিব পাৰিব
- শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্রত ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ ভূমিকা পৰীক্ষা কৰিব পাৰিব।

১১.২ পৰিচয়

শৰণার্থী বুলিলে ৰাষ্ট্রীয় সুৰক্ষাবিহীন এটা ব্যক্তিৰ গোটক বুজা যায়। তেওঁলোক মানৱ অধিকাৰ ভংগৰ বলি হয়। শৰণার্থীৰ অধিকাৰ অত্যাৱশ্যকীয়ভাৱে অতি গুৰুত্বপূর্ণ, কাৰণ যেতিয়া শৰণার্থীসকলৰ মানৱ অধিকাৰ ভংগ হয়, ই শৰণার্থী প্রবাহৰ সৃষ্টি কৰে, পুনপ্রতিষ্ঠা আৰু মানৱ অধিকাৰৰ প্রতি সন্মানে শৰণার্থীক সুৰক্ষিতভাৱে নিজৰ দেশলৈ উভতি যোৱাটো সম্ভৱ কৰি তোলে, আৰু যথাযথভাৱে তেওঁলোকৰ সমস্যাৰ সমাধান হয়। এই অধ্যায়টিত আমি আন্তর্জাতিক পর্যায়ত শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্রত গ্রহণ কৰা প্রচেষ্টাসমূহ আৰু ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ ভূমিকা আলোচনা কৰিম।

১১.৩ আন্তর্জাতিক পর্যায়ত শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্রত গ্রহণ কৰা প্রচেষ্টাসমূহ

শৰণার্থী বুলিলে সেইজন ব্যক্তিক বুজায় যাক যুদ্ধ , উৎপীড়ন বা প্রাকৃতিক দুর্যোগৰ ফলস্বৰূপে বলপূর্বকভাৱে নিজৰ দেশ এৰিবলৈ বাধ্য কৰোৱা হয়। শৰণার্থীক স্থানচ্যুত বা

ৰাজনৈতিক আশ্রয় অন্বেষী বুলি অভিহিত কৰিব পাৰি যাক ৰাষ্ট্রীয় সীমা অতিক্রম কৰিবলৈ বাধ্য কৰোৱা হয় আৰু যি সুৰক্ষিতভাৱে ঘৰলৈ উভতি যাবলৈ সক্ষম নহয়। ১৯৫১ চনৰ শৰণার্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্তখনে শৰণার্থীৰ সংজ্ঞা এইদৰে আগবঢ়াইছে যে শৰণার্থী হ'ল এনে ব্যক্তি যিয়ে নিজৰ ৰাষ্ট্রীয়তা বা অভ্যাসগত বাসস্থান ত্যাগ কৰিছে আৰু নিজৰ জাতি, বর্ণ, ধর্ম, ৰাষ্ট্রীয়তা, ৰাজনৈতিক মত, বিশেষ সামাজিক গোটৰ সদস্যতা ইত্যাদিৰ ওপৰত আধাৰিত উৎপীড়নৰ ভয়ত উভতি যাবলৈ অসমর্থ বা ইচ্ছা প্রকাশ নকৰে।

শৰণার্থীসকল মানৱ অধিকাৰ ভংগৰ বলি হয়। শৰণার্থীৰ ৰাজনৈতিক আশ্রয় আৰু প্রত্যার্পণৰ আলোচনাৰ ক্ষেত্রত শৰণার্থীসকলৰ মানৱ অধিকাৰ অতি গুৰুত্বপূর্ণ। শৰণার্থীসকলৰ সমস্যা সমাধানৰ বাবে এই বিষয়ৰ লগত জড়িত দেশসমূহে একগোট ভাৱে কাম কৰিব লাগিব। কিন্তু, বিদ্রুপভাৱে এনে সহযোগিতা প্রকৃততে দেখা নাযায়। শৰণার্থীসকলে অন্য দেশৰ সুৰক্ষা বিচৰাৰ ক্ষেত্রত কাচিৎহে উৎসাহমূলক আদৰণি দেখা যায়। বহুত শৰণার্থীক প্রত্যাখ্যান কৰি সীমাৰ পৰা বিচাৰ নোহোৱাকৈ ওভতাই পঠোৱা হয়, তেওঁলোকক অবৈধ অনুপ্রৱেশকাৰী হিচাপে আটক কৰা হয়, শৰণার্থী শিৱিৰত তেওঁলোক হিংসা বা অৱহেলিত অৱস্থাৰ বলি হয়, অনুচিত ৰাজনৈতিক আশ্রয় ব্যৱস্থাত ৰখা বা তেওঁলোক পলাই অহা ৰাষ্ট্রত বলপূর্বক ওভতনি ইত্যাদি বিভিন্ন অৱস্থাৰ সন্মুখীন হয়। সেইবাবে শৰণার্থীসকলক ন্যায় আৰু মানৱ অধিকাৰ প্রদান কৰাৰ বাবে আন্তর্জাতিক পর্যায়ত ঐকান্তিক প্রচেষ্টা প্রতিষ্ঠা কৰিব লাগে।

আন্তর্জাতিক পর্যায়ত শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ বাবে বহুতো উপায় অৱলম্বন কৰা হৈছে। ১৯২০ চনত নৰওৱেৰ ডা° ফ্রিড্ট্অফ নানচেনে শৰণার্থীৰ সাহার্য্যৰ বাবে কার্যব্যৱস্থা আৰম্ভ কৰিছিল। আন্তর্জাতিক ক্ষেত্রত শৰণার্থীৰ সুৰক্ষা আৰু সহযোগিতাত এইটোৱেই বিশ্ব ৰাজহুৱা মত গঠনৰ প্রথম পদক্ষেপ আছিল। ১৯২১ চনৰ ২৭ জুনত জাতিসংঘই ডা° নানচেনৰ সভাপতিত্বত ৰাচিয়াৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ কার্য্যালয় স্থাপন কৰিছিল। নানচেনৰ মৃত্যুৰ পিছত জাতিসংঘই উচ্চ আয়ুক্ত পদটো উঠাই দিয়ে আৰু এই কামসমূহ নানচেন আন্তর্জাতিক শৰণার্থীৰ কার্য্যালয়ক ন্যস্ত কৰে। ১৯৪৩ চনৰ ৯ নবেম্বৰত ৪৪ খন ৰাষ্ট্রৰ চুক্তি সাপেক্ষে ৰাষ্ট্রসংঘৰ সাহার্য্য আৰু পুনৰ সংস্থাপন প্রশাসন (United Nations Relief and Rehabilitation Administration) প্রতিষ্ঠা কৰা হয়। ৰাষ্ট্রসংঘৰ সাহার্য্য আৰু পুনৰ সংস্থাপন প্রশাসনৰ উদ্দেশ্য আছিল দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ইউৰোপৰ ৰাষ্ট্রসমূহক আর্থিক সহযোগিতা আগবঢ়োৱা আৰু মিত্র শক্তিৰ অধীনত থকা শৰণার্থীক ওভতাই পঠোৱা আৰু সহায় কৰা।

শৰণার্থীৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্রত ৰাষ্ট্রসংঘৰ ভূমিকা উল্লেখনীয়। ১৯৪৬ চনৰ ২০ এপ্রিল তাৰিখে আন্তর্জাতিক শৰণার্থী সংস্থা প্রতিষ্ঠা কৰা হৈছিল। ১৯৪৮ চনত ই ৰাষ্ট্রসংঘৰ বিশেষীকৃত সংস্থাৰ মর্য্যাদা লাভ কৰে। এই সংস্থাই দ্বিতীয় বিশ্ব যুদ্ধৰ পিছত সৃষ্টি হোৱা শৰণার্থী সমস্যাৰ মোকাবিলা কৰিছিল। ৰাষ্ট্রসংঘই ১৯৪৮ চনত গ্রহণ কৰা মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রই শৰণার্থীৰ অধিকাৰক স্বীকৃতি প্রদান কৰে। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ অনুচ্ছেদ ১৪(১)এ ব্যক্তিক অন্য দেশত অধিকাৰ আৰু ৰাজনৈতিক আশ্রয় বিচৰাৰ নিশ্চয়তা প্রদান কৰিছে।

ইয়াৰ দ্বাৰা শৰণার্থীৰ অধিকাৰৰ আলোচ্য বিষয়টো সার্বজনীন পৰিঘটনা হৈ পৰে। আকৌ, অন্য এখন গুৰুত্বপূর্ণ শ্বেতপত্র ৰাষ্ট্রসংঘৰ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি ১৯৬৬ চনত গ্রহণ কৰা হয়, আৰু ই অনুচ্ছেদ ১২ত উল্লেখ কৰিছে যে থকা দেশত শৰণার্থীৰ স্বাধীনতাৰ আন্দোলন হৈছে মূল মানৱ অধিকাৰ।

১৯৫১ চনত ৰাষ্ট্রসংঘই আন্তর্জাতিক শৰণার্থী সমস্যাৰ লগত জড়িত অতি গুৰুত্বপূর্ণ শৰণার্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্ত গ্রহণ কৰে। সিদ্ধান্তখনক অধিক প্রভাৱ প্রদান কৰাৰ বাবে ১৯৬৭ চনত শৰণার্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্তৰ এখন ঐচ্ছিক প্রট'ক'ল গ্রহণ কৰা হয়। শৰণার্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্তৰ অনুচ্ছেদ ২৬ত উল্লেখ কৰা হৈছে যে শৰণার্থীৰ মুক্তভাৱে ঘুৰি ফুৰা আৰু দেশৰ বসতি অঞ্চলৰ ভিতৰত বাসস্থান বাছি লোৱাৰ অধিকাৰ আছে। কিন্তু, যি নহওক, অনুচ্ছেদ ২৮ত উল্লেখ কৰিছে যে ৰাষ্ট্রীয় সুৰক্ষা বা ৰাজহুৱা শৃংখলাৰ পৰিপ্রেক্ষিতত ৰাষ্ট্রৰ বাহিৰত ভ্রমণ কৰাৰ ক্ষেত্রত ৰাষ্ট্রই শৰণার্থীক অনুমতি নথিপত্র প্রদান কৰ্ত্তি লাগিব। ১৯৫১ চনৰ সিদ্ধান্তৰ কিছুমান মূল ব্যৱস্থা হ'ল —

- **শৰণার্থীৰ ব্যক্তিগত স্থিতি ঃ** শৰণার্থীৰ ব্যক্তিগত স্থিতি স্থায়ী দেশৰ আইনৰ দ্বাৰা বিবেচনা কৰা হয় বা যদি তেওঁ স্থায়ী নহয় তেতিয়া ব্যক্তিগত স্থিতি তেওঁৰ বাস কৰা দেশৰ আইনৰ জৰিয়তে বিবেচিত হয়।
- **পৌৰ অধিকাৰ ঃ** সিদ্ধান্তখনে উল্লেখ কৰিছে যে স্বাক্ষৰ প্রদানকাৰী ৰাষ্ট্রসমূহে শৰণার্থীসকলক পৌৰ অধিকাৰ, যেনে— কাম কৰাৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ আৰু সামাজিক সুৰক্ষাৰ অধিকাৰ, ধর্মীয় স্বাধীনতা আৰু বর্ণ, ধর্ম বা স্থায়ী দেশ নির্বিশেষে ন্যায় প্রাপ্তৰ অধিকাৰ প্রদান কৰ্ত্তি ।
- **শৰণার্থীৰ অবৈধ প্রৱেশ ঃ** সিদ্ধান্তখনে উল্লেখ কৰিছে যে চুক্তিসম্বলিত ৰাষ্ট্রই অবৈধভাৱে অনুপ্রৱেশ কৰা শৰণার্থীক জীৱন আৰু স্বাধীনতাৰ সংকট হোৱা ৰাষ্ট্রত স্থানান্তৰীত নকৰ্ত্তি আৰু অকর্তৃত্বশীল ভাৱে শাস্তি প্রদান নকৰি সংশ্লিষ্ট ৰাষ্ট্রক কম সময়ৰ ভিতৰত অৱগত কৰাব আৰু অবৈধতাৰ শুদ্ধ কাৰণ দর্শাব।
- **শৰণার্থীৰ বহিষ্কৰণ ঃ** সিদ্ধান্তখনে উল্লেখ কৰিছে যে চুক্তিসম্বলিত দেশসমূহে অনুচ্ছেদ ৩২ৰ অধীনত শৰণার্থীক ৰাষ্ট্রীয় সুৰক্ষা বা ৰাজহুৱা শৃংখলা অবিহনে আইনগতভাৱে বহিষ্কাৰ কৰিব নোৱাৰে। অনুচ্ছেদ ৩২ ৰ ২ নং খণ্ডত উল্লেখ কৰিছে যে শৰণার্থীৰ বহিষ্কৰণ কার্য্য আইনৰ ন্যায় ব্যৱস্থাপনা অনুসৰণ কৰি কার্যকৰি কৰিব পাৰি।
- **যাত্রা নথিপত্র ঃ** সিদ্ধান্তখনে অনুচ্ছেদ ৩২ ত উল্লেখ কৰিছে যে চুক্তি সম্বলিত ৰাষ্ট্রসমূহত শৰণার্থীৰ বিষয়ত, আইনগতভাৱে তেওঁলোকৰ বিস্তীর্ণ ভূ-ভাগৰ বসবাস কৰাৰ, যাত্রা নথি, বসবাস কৰা অঞ্চলৰ পৰা বাহিৰত যাত্রা কৰাৰ বাবে শৰণার্থীসকলক নথিপত্র প্রদান কৰিব।
- **সাধাৰণ দায়িত্ব ঃ** সিদ্ধান্তখনে অনুচ্ছেদ ২ ত উল্লেখ কৰিছে যে প্রত্যেক শৰণার্থীৰ বসবাস কৰা দেশখনৰ প্রতি থকা দায়িত্ব থাকিব, সেই দেশৰ আইন আৰু ৰীতি প্রথা লগতে ৰাজহুৱা আদেশ পৰিচালনা কৰাৰ বাবে গ্রহণ কৰা পদক্ষেপ আদি নির্দিষ্টকৈ মানি চলিব।


- **বহিষ্কৰণ বা উভতাই পঠোৱাত বাধা ঃ** সিদ্ধান্তখনে অনুচ্ছেদ ৩৩ ত উল্লেখ কৰিছে যে চুক্তিসম্বলিত ৰাষ্ট্রসমূহে শৰণার্থীৰ বর্ণ, ধর্ম, ৰাষ্ট্রীয়তা, সামাজিক গোটৰ সদস্যতা বা ৰাজনৈতিক মত ইত্যাদিৰ ভিত্তিত জীৱন বা স্বাধীনতাত ভাবুকি আহিলে তেওঁক বহিষ্কাৰ বা ওভতাই পঠাব নোৱাৰে।
- **ন্যায়ালয়ৰ সুবিধা ঃ** সিদ্ধান্তখনে অনুচ্ছেদ ১৬ ৰ ১ নং খণ্ডত উল্লেখ কৰিছে যে চুক্তিসম্বলিত ৰাষ্ট্রসমূহত শৰণার্থীৰ মুক্তভাৱে ন্যায়ালয়ৰ আইনৰ সুবিধা পোৱাৰ অধিকাৰ আছে। তেওঁ চুক্তিসম্বলিত ৰাষ্ট্রসমূহত অভ্যাসগতভাৱে বসবাস কৰাৰ লগতে আইনৰ সহায় উপভোগ কৰিব।

এমিনেষ্টি ইন্টাৰনেচনেল (Amnesty International)এ শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। ১৯৯৭ চনৰ আন্তর্জাতিক প্রতিবেদনত এমিনেষ্টি ইন্টাৰনেচনেলে উল্লেখ কৰিছে যে মানৱ অধিকাৰৰ কোনো সীমা নাই । প্রতিবেদনত উল্লেখ কৰিছে যে কিয় মানুহে পলায়ন কৰে আৰু কিয় তেওঁলোকে সুৰক্ষা বিচাৰে। ই প্রতিবেদনত উল্লেখ কৰে যে মানৱ অধিকাৰৰ সমস্যাৰ সমাধান নোহোৱালৈকে শৰণার্থীৰ সমস্যা সমাধান কৰিব পৰা নাযাব। ১৯৯৭ চনৰ শৰণার্থীৰ মানৱ অধিকাৰ প্রচাৰ অভিযানত, এমিনেষ্টি ইন্টাৰনেচনেলে শৰণার্থীৰ প্রতি চৰকাৰৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিছিল। শৰণার্থীৰ মানৱ অধিকাৰ সুৰক্ষাৰ বাবে এমিনেষ্টি ইন্টাৰনেচনেলে চৰকাৰসমূহক তলত উল্লেখিত উপায়সমূহ গ্রহণ কৰাৰ বাবে আহ্বান জনাইছে —

(ক) শৰণার্থীৰ অধিকাৰৰ সচেতনতাৰ প্রসাৰণ আৰু ৰাজহুৱা সমর্থন গঠন কৰা।
(খ) শৰণার্থীৰ অধিকাৰৰ ক্ষেত্রত আন্তর্জাতিক স্বীকৃতি আৰু চুক্তি কার্যকৰীকৰণ।
(গ) মানৱ অধিকাৰ ভংগৰ সংকটপূর্ণ দেশলৈ বলপূর্বকভাবে শৰণার্থী ওভতাই পঠোৱা বন্ধ কৰা।
(ঘ) ৰাজনৈতিক আশ্রয় বিচাৰি থকাসকলৰ দাবীত বাধা প্রদান কৰা অভ্যাস বন্ধ কৰা।
(ঙ) শৰণার্থীসকলক ন্যায়সংগত আৰু সন্তোষজনক ৰাজনৈতিক আশ্রয় ব্যৱস্থা প্রদান কৰা।
(চ) ৰাজনৈতিক আশ্রয় দাবী পৰীক্ষণত দায়বদ্ধতা লোৱা।
(ছ) ৰাজনৈতিক আশ্রয় গ্রহণকাৰীসকলৰ নির্দিষ্ট বিশেষ প্রয়োজনীয়তাক স্বীকৃতি প্রদান কৰা আৰু সমাধান কৰা।
(জ) গণ প্রব্রজন পৰিস্থিতিত শৰণার্থীৰ অধিকাৰক সুৰক্ষা প্রদান কৰা।
(ঝ) আইনগত নির্বাসন ব্যৱস্থাত মানৱ অধিকাৰৰ আদর্শ ৰক্ষা কৰা।
(ঞ) শৰণার্থীৰ ক্ষেত্রত আন্তর্জাতিক ব্যৱস্থাক অধিক দায়বদ্ধ কৰি তোলা।
(ট) আভ্যন্তৰীণভাৱে স্থানান্তৰীত মানুহৰ সুৰক্ষাৰ নিশ্চিতকৰণ।
(ত) আন্তর্জাতিক ক্ষেত্রত সহমর্মিতা বঢ়োৱা আৰু দায়ৱদ্ধতা ভগাই লোৱা।

২০০১ চনৰ ১১ছেপ্তেম্বৰৰ সন্ত্রাসবাদী আক্রমণৰ পিছত নিৰাপত্তা পৰিষদে ২০০১ চনৰ ১২ ছেপ্তেম্বৰত গ্রহণ কৰা সংকল্প প্রস্তাৱত উল্লেখ কৰিছে যে যিসকলে সন্ত্রাসবাদী কার্যত বিত্তীয়,

আচনিমূলক সমৰ্থন আগবঢ়াই অথবা সন্ত্ৰাসবাদী কাৰ্য্য সম্পন্ন কৰে, তেনে লোকক ৰাষ্ট্ৰই আশ্ৰয় প্ৰদান নকৰিব। এইটোৱে সূচায় যে, যি ব্যক্তিয়ে সন্ত্ৰাসবাদীৰ বিত্তীয়, আচনিগত সন্ত্ৰাসৰ কাৰ্যৰ প্ৰস্তুতি আৰু সমৰ্থন কৰে তেনে লোকক শৰণাৰ্থীৰ মৰ্য্যাদা প্ৰদান কৰা নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ১৯৫১ চনৰ শৰণাৰ্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্তই আগবঢ়োৱা শৰণাৰ্থীৰ সংজ্ঞা উল্লেখ কৰক।

.....

.....

.....

.....

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ কোনটো অনুচ্ছেদত শৰণাৰ্থীক অধিকাৰ প্ৰদান কৰা হৈছে ?

.....

.....

প্ৰশ্ন ৩ ঃ কোন চনত ৰাষ্ট্ৰসংঘৰ সাহাৰ্য্য আৰু পুনৰ সংস্থাপন প্ৰশাসন প্ৰতিষ্ঠা কৰা হৈছিল ?

.....

প্ৰশ্ন ৪ ঃ ১৯৫১ চনৰ শৰণাৰ্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্তৰ যিকোনো দুটা ব্যৱস্থাৰ বিষয়ে চমুকৈ লিখক।

.....

.....

১১.৪ ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তৰ ভূমিকা

শৰণাৰ্থী আৰু দেশহীন ব্যক্তিৰ সমস্যাবোৰ মোকাবিলা কৰিবৰ বাবে ১৯৪৯ চনৰ ৩ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্ত (United Nations High Commissioner for Refugees) প্ৰতিষ্ঠা কৰিবলৈ বিবেচনা কৰে আৰু ১৯৫০ চনৰ ১৪ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তৰ সংবিধি গ্ৰহণ কৰে। ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তই আন্তৰ্জাতিক শৰণাৰ্থী সংস্থাৰ বিলোপন ঘটায়। ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তৰ মুখ্য কাৰ্য্যালয় চুইজাৰলেণ্ডৰ জেনেভাত অৱস্থিত। ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তৰ নিৰ্দেশ হৈছে "শৰণাৰ্থীক অৰাজনৈতিক আৰু মানৱীয় আন্তৰ্জাতিক সুৰক্ষা প্ৰদান কৰা আৰু তেওঁলোকৰ স্থায়ী সমাধান বিচৰা"। শৰণাৰ্থীৰ সমস্যা সমাধান আৰু তেওঁলোকক আন্তৰ্জাতিক সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তই বিশ্বব্যাপী সহযোগিতাৰে আৰু সমন্বয়ক হিচাপে কাম কৰে। ১৯৫১ চনৰ ১ জানুৱাৰীৰ পৰা ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্ত কাৰ্যালয়ে বিশ্বব্যাপী শৰণাৰ্থীৰ

সুৰক্ষামূলক কার্য্য আৰু শৰণার্থী সমস্যাৰ সমাধান কার্যসমূহ আৰম্ভ কৰে। ১৯৫১ চনৰ ১ জানুৱাৰীৰ পৰা বর্তমানলৈ প্রায় ৬০ নিযুত মানুহক ই পুনৰ সাধাৰণ জীৱন প্রদান কৰিছে।

- **ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ উদ্দেশ্য**

ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ উদ্দেশ্যবোৰ হ'ল ঃ—

(ক) আন্তর্জাতিক স্বীকৃতিপ্রাপ্ত নীতিৰ ভিত্তিত শৰণার্থীৰ উচ্চ আয়ুক্তৰ বিবেচনাত সকলোকে সুৰক্ষিত আৰু মর্য্যাদাপূর্ণ ৰাজনৈতিক আশ্রয় প্রদান কৰা ।

(খ) শৰণার্থী আৰু ৰাজনৈতিক আশ্রয় গ্রহণ কর্তাৰ বাবে সঠিক আৰু দীর্ঘম্যাদী সমাধান বিচৰা।

(গ) শৰণার্থীক প্রদান কৰা প্রয়োজনীয় বস্তুসমূহত নিম্নতম মান নিশ্চিত কৰা।

ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তই শৰণার্থীৰ সংজ্ঞা এনেধৰণে দিছে যে যি ব্যক্তি বর্ণ, ধর্ম, ৰাষ্ট্রীয়তা বা ৰাজনৈতিক মত আদিৰ কাৰণবসত ভয় সন্ত্রাসৰ সন্মুখীন হৈ নিজৰ দেশৰ পৰা বাহিৰৰ দেশত সুৰক্ষা গ্রহণ কৰিব লগা হয় আৰু যি ব্যক্তিয়ে এনে ভয়ৰ কাৰণত নিজৰ দেশৰ সুৰক্ষা গ্রহণ কৰিব নিবিচাৰে। ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তই শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ বাবে সর্বোচ্চ চেষ্টা কৰে। উচ্চ আয়ুক্তৰ কার্যক্রমণিকা ৩০ জনীয়া কার্যকৰি সমিতিৰ দ্বাৰা পৰিচালিত হয়, যি বছৰেকত দুবাৰকৈ জেনেভাত মিলিত হয়। ৰাষ্ট্রসংঘৰ শৰণার্থী উচ্চ আয়ুক্তৰ কামসমূহ মানৱীয়, সামাজিক আৰু অৰাজনৈতিক প্রকৃতিৰ। ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ সংবিধি ৰ অধীনত ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তই শৰণার্থীসকলক আন্তর্জাতিক সুৰক্ষা প্রদান কৰে আৰু নতুন ৰাষ্ট্রীয়তাৰ ভিতৰত সমিলমিল বা স্ব-ইচ্ছাৰে প্রত্যাবাসন ইত্যাদি স্থায়ী সমাধান বিচাৰ কৰে। ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তই বৈষম্যহীনভাৱে শৰণার্থীসকলক সকলো ধৰণৰ সহায় কৰে। আৰম্ভণিতে ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তই ইউৰোপত দ্বিতীয় বিশ্বযুদ্ধৰ পিছত সৃষ্টি হোৱা শৰণার্থী আৰু স্থানান্তৰীত ব্যক্তিক সাহার্য্যৰ ওপৰত গুৰুত্ব দিছিল, কিন্তু পিছত উচ্চ আয়ুক্তৰ কামসমূহ বিশ্বৰ অন্যান্য খণ্ডলৈ সম্প্রসাৰিত হয় আৰু আফ্রিকা, এছিয়াৰ আৰু লেটিন আমেৰিকাৰ বিভিন্ন খণ্ডত হোৱা যুদ্ধ, ৰাজনৈতিক সংঘাত আৰু প্রাকৃতিক দুর্যোগৰ ফলত সৃষ্টি হোৱা শৰণার্থী সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰে। ৰাষ্ট্রসংঘৰ শৰণার্থী উচ্চ আয়ুক্তৰ কিছুমান মুখ্য অংশগ্রহণ হ'ল- হংকঙত চীন শৰণার্থী আৰু মৰক্কো আৰু তানচিনিয়াত আলজেৰিয়াৰ শৰণার্থী, ১৯৬০ চনৰ আফ্রিকাৰ শৰণার্থী আন্দোলন , ১৯৭০ চনত ভাৰতত পূৱ পাকিস্তানৰ শৰণার্থী , ভিয়েটনাম যুদ্ধৰ শৰণার্থী, পেলেষ্টাইন যুদ্ধৰ শৰণার্থী ইত্যাদি।

ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তই বিশ্বৰ বিভিন্ন অংশৰ ৰাষ্ট্রসমূহক শৰণার্থীৰ প্রতি কৰা ব্যৱহাৰৰ ক্ষেত্রত মানৱ অধিকাৰ নীতি অৱলম্বন কৰিবলৈ আহ্বান জনাইছে । ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ মহান অৱদানৰ বাবে ইয়াক ১৯৫৪ আৰু ১৯৮১ চনত দুবাৰকৈ শান্তিৰ ন'বেল বটাৰে সন্মানিত কৰা হয়। ২০১৫ চনত সংস্থাটোক ইন্দিৰা গান্ধী শান্তি, নিৰস্ত্রীকৰণ আৰু বিকাশৰ সন্মানীয় বটাৰ বাবে নির্বাচিত কৰা হয়। সাম্প্রতিক সময়ত ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্ত শৰণার্থীৰ সুৰক্ষাৰ লগতে তাৎক্ষনিকভাৱে স্থানান্তৰীত ব্যক্তিৰ কার্য্যক্রমনিকাৰ লগতো জড়িত হৈ আছে। আফগানিস্থান,

এংগোলা, আজাৰবাইজান, বচনিয়া, হাজাৰগেভিয়া, ক্ৰেটিয়া, চেলভাৰ, ইউথোপিয়া, জৰজিয়া আৰু ইৰাক আদিৰ আভ্যন্তৰীণ স্থানান্তৰীত ব্যক্তিক ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তই সহায় কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তৰ মুখ্য কাৰ্য্যালয় .....ত অৱস্থিত। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন ৬ ঃ ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তৰ যিকোনো দুটা উদ্দেশ্য উল্লেখ কৰক।

.....

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শৰণাৰ্থী বুলিলে ৰাষ্ট্ৰীয় সুৰক্ষাবিহীন এটা ব্যক্তিৰ গোটক বুজা যায়। শৰণাৰ্থীক স্থানচ্যুত বা ৰাজনৈতিক আশ্ৰয় অন্বেষী বুলি অভিহিত কৰিব পাৰি যাক ৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰিবলৈ বাধ্য কৰোৱা হয় আৰু যি সুৰক্ষিত ভাৱে ঘৰলৈ উভতি যাবলৈ সক্ষম নহয়। সেইবাবে তেওঁলোক সকলো ধৰণৰ মানৱ অধিকাৰ ভংগৰ বলি হ'ব লগা হয়।
- আন্তৰ্জাতিক পৰ্যায়ত শৰণাৰ্থীৰ অধিকাৰ সুৰক্ষাৰ বাবে বহুতো উপায় অৱলম্বন কৰা হৈছে। ১৯২০ চনত নৰওৱেৰ ডা° ফ্ৰিড্‌ট্‌অফ নানচেনে শৰণাৰ্থীৰ সাহাৰ্য্যৰ বাবে কাৰ্যব্যৱস্থা আৰম্ভ কৰিছিল। ১৯২১ চনৰ ২৭ জুনত জাতিসংঘই ডা° নানচেনৰ সভাপতিত্বত ৰাচিয়াৰ শৰণাৰ্থীৰ উচ্চ আয়ুক্তৰ কাৰ্য্যালয় স্থাপন কৰিছিল। নানচেনৰ মৃত্যুৰ পিছত জাতিসংঘই উচ্চ আয়ুক্ত পদটো উঠাই দিয়ে আৰু এই কামসমূহ নানচেন আন্তৰ্জাতিক শৰণাৰ্থীৰ কাৰ্য্যালয়ক ন্যস্ত কৰে। ১৯৪৩ চনৰ ৯ নবেম্বৰত ৪৪ খন ৰাষ্ট্ৰৰ চুক্তি সাপেক্ষে ৰাষ্ট্ৰসংঘৰ সাহাৰ্য্য আৰু পুনৰ সংস্থাপন প্ৰশাসন (United Nations Relief and Rehabilitation Administration) প্ৰতিষ্ঠা কৰা হয়।
- শৰণাৰ্থীৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা উল্লেখনীয়। ১৯৪৬ চনৰ ২০ এপ্ৰিল তাৰিখে আন্তৰ্জাতিক শৰণাৰ্থী সংস্থা প্ৰতিষ্ঠা কৰা হৈছিল। ১৯৪৮ চনত ই ৰাষ্ট্ৰসংঘৰ বিশেষ সংস্থাৰ মৰ্য্যাদা লাভ কৰে। এই সংস্থাই দ্বিতীয় বিশ্বযুদ্ধৰ পিছত সৃষ্টি হোৱা শৰণাৰ্থী সমস্যা মোকাবিলা কৰে।
- ৰাষ্ট্ৰসংঘই ১৯৪৮ চনত গ্ৰহণ কৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰই শৰণাৰ্থীৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰে। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ অনুচ্ছেদ ১৪(১)এ

অন্য দেশত অধিকাৰ আৰু ৰাজনৈতিক আশ্রয় বিচৰাৰ নিশ্চয়তা প্রদান কৰে। আকৌ, অন্য এখন গুৰুত্বপূর্ণ শ্বেতপত্র ৰাষ্ট্রসংঘৰ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি ১৯৬৬ চনত গ্রহণ কৰা হয়, আৰু ই অনুচ্ছেদ ১২ত উল্লেখ কৰিছে যে থকা দেশত শৰণার্থীৰ স্বাধীনতাৰ আন্দোলন হৈছে মূল মানৱ অধিকাৰ।

- ১৯৫১ চনত ৰাষ্ট্রসংঘই আন্তর্জাতিক শৰণার্থী সমস্যাৰ লগত জড়িত অতি গুৰুত্বপূর্ণ শৰণার্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্ত গ্রহণ কৰে। সিদ্ধান্তখনক অধিক প্রভাৱ প্রদান কৰাৰ বাবে ১৯৬৭ চনত শৰণার্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্তৰ এখন ঐচ্ছিক প্রট'ক'ল গ্রহণ কৰা হয়। ১৯৫১ চনৰ শৰণার্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্তখনে শৰণার্থীৰ সংজ্ঞা এইদৰে আগবঢ়াইছে যে শৰণার্থী হ'ল এনে ব্যক্তি যিয়ে নিজৰ ৰাষ্ট্রীয়তা বা অভ্যাসগত বাসস্থান ত্যাগ কৰিছে আৰু নিজৰ জাতি, বর্ণ, ধর্ম, ৰাষ্ট্রীয়তা, ৰাজনৈতিক মত, বিশেষ সামাজিক গোটৰ সদস্যতা ইত্যাদিৰ ওপৰত আধাৰিত উৎপীড়নৰ ভয়ত উভতি যাবলৈ অসমর্থ বা ইচ্ছা প্রকাশ নকৰে। সিদ্ধান্তখনত শৰণার্থীৰ বাবে বহুতো গুৰুত্বপূর্ণ অধিকাৰ উল্লেখ কৰিছে।
- এমিনেষ্টি ইন্টাৰনেচনেল (Amnesty international)এ শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।
- শৰণার্থীৰ আৰু দেশহীন ব্যক্তিৰ সমস্যাবোৰ মোকাবিলা কৰিবৰ বাবে ১৯৫০ চনৰ ১৪ ডিচেম্বৰত ৰাষ্ট্রসংঘৰ সাধাৰণ সভাত ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ সংবিধি গ্রহণ কৰে আৰু ই ১৯৫১ চনৰ ১ জানুৱাৰীৰ পৰা কার্যকৰী হয়। ইয়াৰ মুখ্য কার্য্যালয় চুইজাৰলেণ্ডৰ জেনেভাত অৱস্থিত।। ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ নির্দেশ হৈছে "শৰণার্থীক অৰাজনৈতিক আৰু মানৱীয় আন্তর্জাতিক সুৰক্ষা প্রদান কৰা আৰু তেওঁলোকৰ স্থায়ী সমাধান বিচৰা"। শৰণার্থীৰ বিশ্বব্যাপি সমস্যা আৰু আন্তর্জাতিক সুৰক্ষা প্রদানৰ ক্ষেত্রত ৰাষ্ট্রসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তই সহযোগিতাৰে কাম কৰে।



১১.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.

2) Anuradha, K.P. (2010). *Human Rights Issues inIndia .* New Delhi: Adhayan Publishers and Distributers.

3) Malhotra, S; Upadhyay, P; M Srivastava, R & Pandey, S. (2005) . *Human Rights: Emerging Issues.* New Delhi: Kilaso Books Publication.

4) Sanajoaba, N. (1994) . *Human Rights: Principles, Practices and Abuses.* New Delhi: Omsons

5) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi: Akansha Publishing House.

১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯৫১ চনৰ শৰণাৰ্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্তখনে শৰণাৰ্থীৰ সংজ্ঞা এইদৰে আগবঢ়াইছে যে শৰণাৰ্থী হ'ল এনে ব্যক্তি যিয়ে নিজৰ ৰাষ্ট্রীয়তা বা অভ্যাসগত বাসস্থান ত্যাগ কৰিছে আৰু নিজৰ জাতি, বৰ্ণ, ধৰ্ম, ৰাষ্ট্রীয়তা, ৰাজনৈতিক মত, বিশেষ সামাজিক গোটৰ সদস্যতা ইত্যাদিৰ ওপৰত প্রতিষ্ঠিত উৎপীড়নৰ ভয়ত উভতি যাবলৈ অসমর্থ বা ইচ্ছা প্রকাশ নকৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ অনুচ্ছেদ ১৪(১)।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১৯৪৩ চন।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) পৌৰ অধিকাৰ ঃ সিদ্ধান্তখনে উল্লেখ কৰিছে যে স্বাক্ষৰ প্রদানকাৰী ৰাষ্ট্রসমূহে শৰণাৰ্থীসকলক পৌৰ অধিকাৰ, যেনে— কাম কৰাৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ আৰু সামাজিক সুৰক্ষাৰ অধিকাৰ, ধর্মীয় স্বাধীনতা আৰু বর্ণ, ধৰ্ম বা স্থায়ী দেশ নির্বিশেষে ন্যায় প্রাপ্তৰ অধিকাৰ প্রদান কৰ্ব্বি ।

(খ) শৰণাৰ্থীৰ অবৈধ প্রৱেশ ঃ সিদ্ধান্তখনে উল্লেখ কৰিছে যে চুক্তিসম্বলিত ৰাষ্ট্রই অবৈধভাৱে অনুপ্রৱেশ কৰা শৰণাৰ্থীক জীৱন আৰু স্বাধীনতাৰ সংকট হোৱা ৰাষ্ট্রত স্থানান্তৰীত নকৰিব আৰু অকর্তৃত্বশীল ভাৱে শাস্তি প্রদান নকৰি সংশ্লিষ্ট ৰাষ্ট্রক কম সময়ৰ ভিতৰত অৱগত কৰাব আৰু অবৈধতাৰ শুদ্ধ কাৰণ দর্শাব।

৫ নং প্রশ্নৰ উত্তৰ ঃ জেনেভা

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) আন্তর্জাতিক স্বীকৃতিপ্রাপ্ত নীতিৰ ভিত্তিত শৰণাৰ্থীৰ উচ্চ আয়ুক্তৰ বিবেচনাত সকলোকে সুৰক্ষিত আৰু মর্য্যাদাপূর্ণ ৰাজনৈতিক আশ্রয় প্রদান কৰা ।

(খ) শৰণাৰ্থী আৰু ৰাজনৈতিক আশ্রয় গ্রহণ কর্তাৰ বাবে সঠিক আৰু দীর্ঘম্যাদী সমাধান বিচৰা।



১১.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তই কোন চনত ন'বেল বটা লাভ কৰিছিল?

প্ৰশ্ন ২ ঃ শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ লোৱা ব্যক্তিজন কোন?

প্ৰশ্ন ৩ ঃ ১৯৫১ চনৰ শৰণার্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্তখনৰ দুটা ব্যৱস্থা উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শৰণার্থীৰ অর্থ চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ১৯৫১ চনৰ শৰণার্থীৰ স্থিতি সম্বন্ধীয় সিদ্ধান্তখনৰ বিষয়ে চমুটোকা লিখক।

প্ৰশ্ন ৩ ঃ আন্তর্জাতিক পর্যায়ত শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই অৱলম্বন কৰা পদক্ষেপসমূহৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শৰণার্থীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত আন্তর্জাতিক পদক্ষেপসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শৰণার্থীৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ শৰণার্থীৰ উচ্চ আয়ুক্তৰ ভূমিকা আলোচনা কৰক।

****

অধ্যায় ১২ ঃ বয়োজ্যেষ্ঠসকলৰ অধিকাৰ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ বয়োজ্যেষ্ঠসকল ঃ তেওঁলোকৰ সমস্যা আৰু প্ৰত্যাহ্বানসমূহ
১২.৪ বয়োজ্যেষ্ঠসকলৰ অধিকাৰ ঃ বিশ্বজনীন দৃষ্টিভংগী
১২.৫ বয়োজ্যেষ্ঠসকলৰ অধিকাৰ ঃ ভাৰতীয় দৃষ্টিভংগী
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্ৰগতিৰ খতিয়ান
১২.৯ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বয়োজ্যেষ্ঠসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু প্ৰত্যাহ্বান চিনাক্ত কৰিব পাৰিব
- বয়োজ্যেষ্ঠসকলৰ অধিকাৰবোৰৰ ৰক্ষণাবেক্ষণ আৰু পোষকতাৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চলোৱা বিভিন্ন প্ৰয়াসৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বয়োজ্যেষ্ঠসকলৰ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত ৰাখিবলৈ ভাৰতে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থা সম্পৰ্কে আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

জনসংখ্যাৰ বাৰ্দ্ধক্য প্ৰাপ্তি হ'ল এটা প্ৰাকৃতিক আৰু বিশ্বজনীন পৰিঘটনা। বাৰ্দ্ধক্য প্ৰাপ্তি হ'ল মানৱ জীৱন চক্ৰটোত বয়স বাঢ়ি যোৱাৰ এটা প্ৰাকৃতিক প্ৰক্ৰিয়া। এই বাৰ্দ্ধক্য প্ৰাপ্তি অথবা বৃদ্ধ হোৱা প্ৰক্ৰিয়াটোৰ সৈতে বিভিন্ন ধৰণৰ জৈৱিক , আৱেগিক আৰু বৌদ্ধিক পৰিবৰ্তন জড়িত হৈ থাকে। কালক্ৰমিক ব্যাখ্যা অনুসৰি ৬০ বছৰৰ দেওনা পাৰ হোৱা ব্যক্তিক বয়োজ্যেষ্ঠ বোলা হয়। এইসকল বয়সীয়াল লোকৰ শ্ৰেণীটোকে বয়োজ্যেষ্ঠ জনসংখ্যা বুলি কোৱা হয়। প্ৰায়েই দেখা যায় এইসকল লোকৰ অধিকাৰ আৰু স্বাৰ্থবোৰ উলংঘা কৰা হয়। সেয়েহে, বয়োজ্যেষ্ঠসকলৰ অধিকাৰবোৰৰ ৰক্ষণাবেক্ষণ আৰু পৃষ্ঠপোষকতাৰ বাবে বিশ্ব সম্প্ৰদায়ে ভালেমান ব্যৱস্থা হাতত লৈছে। ভাৰততো এই বিষয়ত বিভিন্ন প্ৰয়াস চলাই থকা হৈছে। এই অধ্যায়টিত আমি বয়োজ্যেষ্ঠসকলে সন্মুখীন হোৱা নানা সমস্যা আৰু প্ৰত্যাহ্বানৰ বিষয়ে আলোচনা কৰিম। এইসকল লোকৰ অধিকাৰবোৰৰ সুৰক্ষা তথা পৃষ্ঠপোষকতাৰ বাবে আন্তঃৰাষ্ট্ৰীয় আৰু ভাৰতত ৰাষ্ট্ৰীয় স্তৰত গ্ৰহণ কৰা ব্যৱস্থাবোৰৰ আলোচনাকো অধ্যায়টিত স্থান দিয়া হৈছে।

১২.৩ বয়োজ্যেষ্ঠসকল ঃ তেওঁলোকৰ সমস্যা আৰু প্ৰত্যাহ্বানসমূহ

দিনে দিনে সমগ্ৰ পৃথিৱীত বয়োজ্যেষ্ঠ বাসিন্দাৰ সংখ্যা বাঢ়ি গৈ আছে। বিশ্ব স্বাস্থ্য সংস্থাৰ এক প্ৰতিবেদন অনুসৰি ৬০ বছৰ আৰু ততোধিক বয়সৰ লোকৰ জনসংখ্যা প্ৰায় ২০০ কৌটি হ'ব বুলি আশা কৰা হৈছে। ২০১৫ চনত এই সংখ্যা আছিল প্ৰায় ৯০ লাখ। ভাৰতো ইয়াৰ ব্যতিক্ৰম নহয়। ২০১১ চনৰ ভাৰতীয় লোকপিয়লৰ তথ্য অনুসৰি দেশত প্ৰায় ১০ লাখ ৪০ হাজাৰ বয়োজ্যেষ্ঠ নাগৰিক আছে। ৰাষ্ট্ৰসংঘৰ জনসংখ্যা পুঁজি আৰু 'হেল্প এ'জ ইণ্ডিয়া' সংস্থাৰ এক প্ৰতিবেদন অনুসৰি ২০২৬ চনলৈ ভাৰতত বয়োজ্যেষ্ঠ নাগৰিকৰ সংখ্যা বাঢ়ি ১৭ লাখ ৩০ হাজাৰ হ'বগৈ।

বয়োজ্যেষ্ঠ নাগৰিকসকলে বহুতো সমস্যা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। ই তেওঁলোকৰ দুৰ্বলতা বৃদ্ধি কৰে। এইসকল লোকে নানা ধৰণৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হ'ব পাৰে। তলত তেওঁলোকে সন্মুখীন হোৱা কেইটামান প্ৰধান সমস্যা আলোচনা কৰা হ'ল-

(ক) **সামাজিক সমস্যা ঃ** বয়োজ্যেষ্ঠসকলে বিচ্ছিন্ন, সামাজিক অ-জড়িতকৰণ, অৱহেলা আদিৰ দৰে কিছুমান সামাজিক সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। এই সমস্যাবোৰৰ কাৰণ বিশ্লেষণ কৰিলে গম পোৱা যাব যে যৌথ পৰিয়াল ব্যৱস্থা নাইকিয়া হোৱা, অন্য স্থানলৈ যুৱ সদস্যৰ প্ৰব্ৰজন আদি হ'ল ইয়াৰ দুটামান মুখ্য কাৰণ।

(খ) **অৰ্থনৈতিক সমস্যা ঃ** বয়সস্থ লোকসকল অৰ্থনৈতিক সমস্যাৰো সন্মুখীন হয়। অৱসৰৰ পাছত অৰ্থনৈতিকভাৱে ঘটা অ-জড়িতভৱন প্ৰক্ৰিয়া হ'ল বয়োজ্যেষ্ঠসকলে সন্মুখীন হোৱা অৰ্থনৈতিক সংকটৰ প্ৰধান কাৰণ। ইয়াৰ উপৰি বহুতো দেশত বয়োজ্যেষ্ঠসকলৰ বাবে কোনো সামাজিক সুৰক্ষাৰ ব্যৱস্থা নাই। সেইবাবেও বয়সীয়াল লোকসকলে অৰ্থনৈতিক সংকটত পৰে।

(গ) **স্বাস্থ্যজনিত সমস্যা ঃ** বয়সস্থ লোকসকলে মুখামুখি হ'বলগীয়া হোৱা আন এটা সমস্যা হ'ল স্বাস্থ্যজনিত সমস্যা। বহুতো সময়ত সামাজিক সুৰক্ষা ব্যৱস্থাৰ নাটনিৰ বাবে স্বাস্থ্য যত্নৰ সা-সুবিধাবোৰৰ বাবদ হোৱা খৰছ বহন কৰিবলৈ এই লোকসকল অসমৰ্থ হয়। বয়োজ্যেষ্ঠসকলৰ বাবে অৱসৰকালীন ভাট্টা (Pension) আৰু সামাজিক বীমা সাহাৰ্য্য পৰ্যাপ্ত হ'লে এনেবোৰ সুবিধা যথেষ্ট পৰিমাণে আঁতৰ হ'ব।

(ঘ) **বেয়া ব্যৱহাৰ আৰু অপদস্থ অৱস্থা ঃ** বয়োজ্যেষ্ঠসকলক কৰা বেয়া ব্যৱহাৰ আৰু অপদস্থ কৰা হ'ল দুটা গুৰুতৰ সামাজিক সমস্যা। বয়স বঢ়াৰ লগে লগে মানুহ কেতিয়াবা শাৰীৰিকভাৱে দুৰ্বল হৈ পৰে। এনে দুৰ্বলতাই বয়সীয়াল লোকসকলক যত্নৰ বাবে অন্যৰ ওপৰত নিৰ্ভৰশীল কৰি তোলে। বয়োজ্যেষ্ঠসকলে কেতিয়াবা ঘৰুৱা কাম-কাজৰ বাবে আৰু আন কেতিয়াবা আহাৰ গ্ৰহণ নাইবা নিত্যকৰ্ম কৰাৰ দৰে মৌলিক কাম-কাজবোৰৰ বাবেও অইনৰ সহায় ল'বলগীয়া হয়। শিশুৱেও যত্ন সহায়ৰ বাবে অইনৰ ওপৰত নিৰ্ভৰশীল। কিন্তু বয়সস্থসকল শিশু নহয়। বয়সস্থসকল অভিজ্ঞতা, জ্ঞান আৰু মতামতেৰে পুষ্ট একো

একোগৰাকী প্ৰাপ্তবয়স্ক লোক। এই কথাটোৱে যত্ন-শুশ্ৰূষাৰ বিষয়টো অধিক জটিল কৰি তুলিছে। বয়োজ্যেষ্ঠসকলক অপদস্থ কৰাৰ পৰিস্থিতি তেতিয়াই সৃষ্টি হয় যেতিয়া এগৰাকী শুশ্ৰূষাকাৰীয়ে উদ্দেশ্য প্ৰণোদিতভাৱে এগৰাকী বয়সস্থ ব্যক্তিক যত্ন আগবঢ়োৱাৰ পৰা বঞ্চিত কৰে অথবা নিজৰ দায়িত্বত থকা বয়সস্থ ব্যক্তিৰ কিবা অপকাৰ কৰে। এনে শুশ্ৰূষা প্ৰদানকাৰীসকল পৰিয়ালৰ সদস্য, আত্মীয়-কুটুম, বন্ধু, স্বাস্থ্য সেৱা আগবঢ়োৱা বৃত্তিজীৱী, বৃদ্ধাৱাসৰ কৰ্মচাৰী আৰু বৃত্তিজীৱী শুশ্ৰূষাকাৰী (নাৰ্চ) হ'ব পাৰে। বয়োজ্যেষ্ঠসকল বিভিন্ন প্ৰকাৰৰ অপদস্থৰ বলি হ'ব পাৰে। ড° ৰন এচিয়েৰ্নো আৰু তেওঁৰ সহযোগী গৱেষক সকলে এই বিষয়ে ২০০৯ চনত কৰা এটা অধ্যয়নৰ পৰা গম পোৱা গৈছে যে বয়োজ্যেষ্ঠসকলে মূলতঃ পাঁচবিধ প্ৰধান অপদস্থকাৰী পৰিস্থিতিৰ সন্মুখীন হয়। যেনে —

(ক) শাৰীৰিক অপদস্থতা, যেনে — মাৰ-পিট অথবা শৰীৰ জোৰেৰে জোকাৰি দিয়া।

(খ) যৌন অপদস্থতা, যেনে — বলাৎকাৰ আৰু বলপূৰ্বক নগ্ন হ'বলৈ বাধ্য কৰা।

(গ) মনোবৈজ্ঞানিক অথবা আৱেগিক অপদস্থতা, যেনে — মৌখিক গালি-গালাজ অথবা ঠাট্টা তাচ্ছিল্য।

(ঘ) অৱহেলা অথবা উপযুক্ত যত্ন প্ৰদান নকৰা, আৰু

(ঙ) বিত্তীয় অপদস্থতা অথবা শোষণ (Acierno 2010)।

(**উৎস ঃ** https://Courses. lumenlearning. com/sociology/chapter/challenges-facing- the-elderly)

১২.৪ বয়োজ্যেষ্ঠসকলৰ অধিকাৰ ঃ বিশ্বজনীন দৃষ্টিভংগী

মানৱ অধিকাৰৰ মৌলিক ধাৰণা অনুসৰি ব্যক্তিৰ বয়স, লিংগ, ভাষা, ধৰ্ম, শ্ৰেণী নাইবা অন্য যিকোনো বৈশিষ্ট্য নিৰ্বিশেষে এনে অধিকাৰসমূহ প্ৰতিগৰাকী ব্যক্তিৰ জীৱনৰ অবিচ্ছেদ্য আৰু অন্তনিৰ্হিত অধিকাৰ। ইয়াৰ দ্বাৰা এইটো কথাই স্পষ্ট হয় যে যিকোনো বয়সীয়াল ব্যক্তিৰো এই একেৰোৰ মৌলিক মানৱ অধিকাৰ থাকে। কিন্তু প্ৰায়েই দেখা যায় যে বয়োজ্যেষ্ঠসকলৰ অধিকাৰবোৰৰ বিভিন্ন ধৰণে উলংঘন ঘটে আৰু ইয়াৰ ফলত তেওঁলোক নানা ধৰণৰ অসুৰক্ষাৰ বলি হয়। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বয়োজ্যেষ্ঠসকলৰ অধিকাৰবোৰক ৰক্ষণাবেক্ষণ দিবলৈ তথা সেইবোৰৰ পৃষ্ঠপোষকতা কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰসংঘই এই ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। বয়োজ্যেষ্ঠসকলৰ সামাজিক অৱদানক স্বীকৃতি দিয়াৰ উদ্দেশ্যেৰে প্ৰতি বছৰে ১ অক্টোবৰৰ দিনটো ৰাষ্ট্ৰসংঘই 'বয়োজ্যেষ্ঠ লোকৰ আন্তঃৰাষ্ট্ৰীয় দিৱস' হিচাপে উদ্‌যাপন কৰি আহিছে। ৰাষ্ট্ৰসংঘৰ চনদত ঘোষণা কৰা হৈছে, " ..... আমি, ৰাষ্ট্ৰসংঘৰ অন্তৰ্গত জনসমূহে মৌলিক মানৱ অধিকাৰত বিশ্বাস পুনৰ দৃঢ় কৰিবলৈ, প্ৰতিগৰাকী ব্যক্তিৰ মৰ্যাদা আৰু মোল ৰক্ষা কৰিবলৈ, সৰু-বৰ সকলো ৰাষ্ট্ৰ, পুৰুষ আৰু মহিলা উভয়ৰে সম অধিকাৰ নিশ্চিত কৰিবলৈ দৃঢ়সংকল্পৱদ্ধ .....।" ইয়াৰ দ্বাৰা বুজা যায় যে জাতি, লিংগ, বয়স আৰু অন্য যিকোনো ধৰণৰ প্ৰভেদ নিৰ্বিশেষে ৰাষ্ট্ৰসংঘই সকলো ব্যক্তিৰে মানৱ অধিকাৰৰ ৰক্ষণাবেক্ষণ

তথা পৃষ্ঠপোষকতাৰ সপক্ষে সদায় থিয় দিব। ১৯৪৮ চনত ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই গ্রহণ কৰা 'মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র ' (Universal Declaration of Human Rights) খনক মানৱ অধিকাৰ আৰু স্বাধীনতাৰ এক মাইলৰ খুঁটি বুলি গণ্য কৰা হয়। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রই বয়োজ্যেষ্ঠসকলৰ অধিকাৰৰ বিষয়েও বর্ণনা কৰিছে। ঘোষণাপত্রৰ ২২ নং অনুচ্ছেদত কোৱা হৈছে যে সকলো ব্যক্তিৰে সামাজিক সুৰক্ষা লাভৰ অধিকাৰ আছে। আকৌ, ২৫ নং অনুচ্ছেদত কোৱা হৈছে যে সকলো ব্যক্তিৰে নিজৰ তথা পৰিয়ালৰ সকলোৰে সুস্বাস্থ্য তথা কল্যাণ সাধনকাৰী উপযুক্ত মানৰ জীৱন যাপনৰ অধিকাৰ আছে। এনে মানৰ ভিতৰত খাদ্য, বস্ত্র, গৃহ, স্বাস্থ্য যত্ন আৰু অন্য প্রয়োজনীয় সামাজিক সেৱাবোৰক সামৰি লোৱা হয়। ইয়াৰ উপৰি ঘোষণাপত্রখনত কর্মসংস্থাপনহীন অৱস্থা, ৰুগীয়া অৱস্থা, শাৰীৰিক অসমর্থতা, পতি-পত্নীহীন অৱস্থা, বৃদ্ধাৱস্থা তথা ব্যক্তিৰ নিয়ন্ত্রণৰ বাহিৰলৈ গুছি যোৱা পৰিস্থিতিত উদ্ভৱ হোৱা জীৱিকা নির্বাহৰ সমস্যা আদিৰ ক্ষেত্রত সুৰক্ষা লাভৰ অধিকাৰৰ কথাও কোৱা হৈছে।

ওপৰত উল্লেখ কৰা ব্যৱস্থাবোৰৰ লগতে ৰাষ্ট্রসংঘই বয়োজ্যেষ্ঠসকলৰ অধিকাৰক ৰক্ষণাবেক্ষণ দিবলৈ তথা পৃষ্ঠপোষকতা কৰিবলৈ আন কেইবাটাও পৰিকল্পনা আৰু কেইবাখনো ঘোষণাপত্র গৃহীত কৰিছে। বয়োজ্যেষ্ঠসকলৰ সেৱা-শুশ্রূষাৰ দিশটো সম্পর্কে সজাগতা সৃষ্টিৰ লক্ষ্যত উপনীত হ'বলৈ ৰাষ্ট্রসংঘই ভিয়েনাত আয়োজিত এখন বিশ্ব সম্মিলনত সমগ্র বিশ্বতে প্রযোজ্য হোৱাকৈ এক কার্য পৰিকল্পনাৰ সূচনা কৰিছিল। ইয়াৰ ফলশ্রুতিতে ১৯৮২ চনত "বার্দ্ধক্য বিষয়ক আন্তঃৰাষ্ট্রীয় কার্য পৰিকল্পনা" খন গ্রহণ কৰা হৈছিল। এই কার্য পৰিকল্পনাই বার্দ্ধক্যৰ সমস্যাৰে ভাৰাক্রান্ত দেশবোৰত সজাগতা সৃষ্টি কৰিব বুলি আশা কৰা হৈছিল। এই পৰিকল্পনাৰ জৰিয়তে বয়োজ্যেষ্ঠসকলৰ বাবে নীতি নির্ধাৰণ সম্পর্কীয় দিহা-পৰামর্শ আগবঢ়োৱাৰ প্রয়াস কৰা হৈছিল। ১৯৯১ চনত 'বয়োজ্যেষ্ঠসকলৰ বাবে ৰাষ্ট্রসংঘৰ নীতি' প্রস্তুত আৰু গ্রহণ কৰা হৈছিল। এই নীতিয়ে সমগ্র বিশ্বৰ দেশবোৰক বয়সস্থ লোকৰ বাবে যথোপযুক্ত নীতি প্রস্তুত কৰা কামত দিক-নির্দেশনা প্রদান কৰে। এই নীতিত সন্নিৱিষ্ট পাঁচটা প্রধান নীতিক ভিত্তি কৰি বিভিন্ন দেশৰ চৰকাৰে বয়সস্থ লোকৰ বাবে যথোপযুক্ত নীতি প্রস্তুত কৰাৰ চেষ্টা চলায়। বয়োজ্যেষ্ঠসকলৰ বাবে ৰাষ্ট্রসংঘৰ নীতিত অন্তর্ভুক্ত এই পাঁচটা প্রধান নীতি হ'ল — স্বাধীনতা, অংশগ্রহণ, যত্ন, স্বয়ংসম্পূর্ণতা আৰু মর্যাদা। এই নীতিকেইটা তলত বহলাই বর্ণনা কৰা হ'ল —

(১) স্বাধীনতা ঃ

(ক) উপার্জন, পৰিয়াল, সম্প্রদায়ৰ পৰা পোৱা সমর্থন আৰু স্ব-সহায়ৰ সুবিধাৰ মাধ্যমেৰে বয়সস্থ লোকসকলে উপযুক্ত খাদ্য, পানী, আশ্রয় স্থল, বস্ত্র তথা স্বাস্থ্য যত্ন লাভ কৰিব লাগিব।

(খ) বয়সস্থ লোকে কাম কৰাৰ সুযোগ নাইবা উপার্জন কৰাৰ অন্য সুযোগ লাভ কৰিব লাগিব।

(গ) বয়সস্থ লোকসকলৰ নিজকে কেতিয়া আৰু কেনে গতিত শ্রমিক শক্তি বাহিনীৰ পৰা আঁতৰাই নিব সেয়া নির্ধাৰণকাৰী সিদ্ধান্ত গ্রহণ প্রক্রিয়াত অংশ লোৱাৰ সামর্থ থাকিব।

(ঘ) বয়সস্থ লোকে উপযুক্ত শৈক্ষিক আৰু প্ৰশিক্ষণ কাৰ্যসূচীত ভাগ লোৱাৰ সুযোগ পাব লাগিব।

(ঙ) বয়সস্থ লোকে ব্যক্তিগত অগ্ৰাধিকাৰ আৰু পৰিৱৰ্তনশীল সক্ষমতাৰ সৈতে খাপ খোৱা তথা সুৰক্ষিত পৰিৱেশত বাস কৰাৰ সুযোগ পাব লাগিব।

(চ) বয়সস্থ লোকে যিমান দিনলৈ পাৰে নিজ গৃহত বাস কৰাৰ সুযোগ পাব লাগিব।

(২) অংশগ্ৰহণ ঃ

(ক) বয়সস্থ লোকসকল সমাজৰ সৈতে সংহত হৈ ৰ'ব, তেওঁলোকৰ কল্যাণত প্ৰত্যক্ষ প্ৰভাৱ পেলোৱা সকলো ধৰণৰ নীতি প্ৰস্তুত তথা বলবৎকৰণত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব আৰু যুৱ প্ৰজন্মৰ সৈতে নিজৰ জ্ঞান-দক্ষতা ভাগ-বাটোৱাৰা কৰিব।

(খ) বয়সস্থ লোকে নিজৰ সম্প্ৰদায়লৈ সেৱা আগবঢ়োৱাৰ ইচ্ছা ব্যক্ত কৰিব আৰু সুযোগ সৃষ্টি কৰিব লাগিব। তেওঁলোকে নিজ আগ্ৰহ তথা সক্ষমতাৰ দিশেৰে উপযুক্ত কাম-কাজ তথা স্থানত থাকি স্বেচ্ছিক সেৱা আগবঢ়াব লাগিব।

(গ) বয়সস্থ লোকে নিজৰ মাজতে নিজৰ বাবে নানা আন্দোলন অথবা সংস্থা আদি গঢ়ি তুলিব পাৰিব।

(৩) যত্ন ঃ

(ক) বয়সস্থ লোকে নিজৰ সমাজখনৰ প্ৰচলিত সাংস্কৃতিক প্ৰমূল্য প্ৰণালীটোৰ সৈতে খাপ খোৱাকৈ পৰিয়াল আৰু সম্প্ৰদায়ৰ পৰা পোৱা যত্নৰ দ্বাৰা উপকৃত হ'ব লাগিব।

(খ) বয়সস্থ লোকে নিজৰ শাৰীৰিক, মানসিক আৰু আৱেগিক কল্যাণৰ সৰ্বোত্তম স্তৰ অটুট ৰাখিব পৰা বিধৰ স্বাস্থ্য যত্ন লাভ কৰি ৰোগ প্ৰতিৰোধ অথবা যিমান পাৰে পলমকৈ ৰুগীয়া হোৱাৰ সুযোগ পাব লাগিব।

(গ) বয়সস্থ লোকে নিজৰ স্ব-নিয়ন্ত্ৰণ, সুৰক্ষা আৰু যত্নৰ মাত্ৰা বৃদ্ধি কৰিবলৈ সামাজিক তথা ন্যায়িক সেৱাবোৰ লাভ কৰাৰ সুযোগ পাব লাগিব।

(ঘ) বয়সস্থ লোকসকলে একোটা মানৱীয় আৰু সুৰক্ষিত পৰিৱেশত ৰক্ষণাবেক্ষণ, পুনৰ সংস্থাপন, সামাজিক-মানসিক উদ্দীপনা প্ৰদানকাৰী উপযুক্ত ধৰণৰ আনুষ্ঠানিক যত্নৰ সুযোগ ব্যৱহাৰ কৰিবলৈ পাব লাগিব।

(ঙ) যিকোনো আশ্ৰয় গৃহ, যত্ন কেন্দ্ৰ অথবা উপাচাৰ কেন্দ্ৰত থকা বয়সস্থ লোকসকলে নিজৰ মানৱ অধিকাৰ তথা মৌলিক স্বাধীনতা উপভোগ কৰাৰ সুযোগ পাব লাগিব। এনে অৱস্থাত তেওঁলোকৰ মৰ্যাদা, বিশ্বাস, প্ৰয়োজন আৰু গোপনীয়তাৰ প্ৰতি অইন লোকে সম্পূৰ্ণ শ্ৰদ্ধা জনাব লাগিব। বয়সস্থ লোকসকলে নিজৰ যত্ন তথা জীৱনৰ মান সম্পৰ্কীয় সকলো ধৰণৰ সিদ্ধান্ত গ্ৰহণৰ অধিকাৰ অনুশীলন কৰিব পাৰিব।

(৪) স্বয়ং সম্পূৰ্ণতা ঃ

(ক) বয়সস্থ লোকে নিজ প্ৰতিভাৰ পূৰ্ণ বিকাশৰ বাবে বিভিন্ন সুযোগৰ সদ্ব্যৱহাৰ কৰাৰ সুবিধা পাব লাগিব।

(খ) বয়সস্থ লোকে সমাজৰ শৈক্ষিক, সাংস্কৃতিক, আধ্যাত্মিক আৰু মনোৰঞ্জন প্ৰদানকাৰী সমলবোৰ ব্যৱহাৰ কৰাৰ সুবিধা পাব লাগিব।

(৫) মর্যাদা ঃ

(ক) বয়সস্থ লোকেসকলে মর্যাদা সহকাৰে সুৰক্ষিতভাৱে বাস কৰাৰ সুযোগ পাব আৰু তেওঁলোক শোষণ তথা শাৰীৰিক অথবা মানসিক অপদস্থতাৰ পৰা মুক্ত হ'ব।

(খ) বয়স, লিংগ, জাতিগত নাইবা নৃগোষ্ঠীয় পৃষ্ঠভূমি, শাৰীৰিক বিকলাংগতা অথবা অন্য বিশেষ পৰিস্থিতি নির্বিশেষে সকলো বয়সস্থ লোককে ন্যায়সংগত আচৰণ প্ৰদর্শন কৰা হ'ব আৰু তেওঁলোকৰ অর্থনৈতিক অৱদানৰ দিশটো আঁতৰাই ৰাখি স্বতন্ত্রভাৱে সন্মান জনোৱা হ'ব।

(**উৎস ঃ** https://www.ohchr.org/EN/Professionallnterest/Pages/ Older Persons.aspx)

ৰাষ্ট্রসংঘই বিশ্বৰ বয়সস্থ নাগৰিকসকলে সন্মুখীন হোৱা বিভিন্ন মানৱ অধিকাৰ বিষয়ক প্রত্যাহ্বান পৰীক্ষা কৰিবলৈ বহুতো সমীক্ষা চলাইছিল। ২০১১ চনত ৰাষ্ট্রসংঘৰ সচিব প্রধানে প্রকাশ কৰা এখন প্রতিবেদনত বয়োজ্যেষ্ঠসকলে সন্মুখীন হোৱা মানৱ অধিকাৰকেন্দ্রিক বহুতো ক্ষেত্র চিনাক্ত কৰি উলিয়াই সেইবোৰ দিশ উন্নত কৰাৰ অর্থে কাম কৰাৰ অভিপ্রায় ব্যক্ত কৰা হৈছিল। এনে ক্ষেত্র কেইখনমান হ'ল - বয়োজ্যেষ্ঠসকলৰ মানৱ অধিকাৰবোৰৰ আন্তঃৰাষ্ট্রীয় সুৰক্ষাৰ দিশটো সুদৃঢ় কৰি তোলা, বিশেষভাৱে নাৰী আৰু বয়সস্থ লোকৰ বিৰুদ্ধে চলা হিংসাত্মক কার্যকলাপ ৰোধ কৰা, বয়োজ্যেষ্ঠসকলৰ ওপৰত চলা বিত্তীয় শোষণ বন্ধ কৰা, বয়োজ্যেষ্ঠসকলৰ স্বাস্থ্য আৰু দীর্ঘম্যাদী যত্নৰ দিশটো উন্নত কৰা, বয়োজ্যেষ্ঠসকলক নীতি নির্ধাৰণ আৰু ৰাজনৈতিক জীৱনত অংশ লোৱাৰ সুযোগ দিয়া।

বয়োজ্যেষ্ঠসকলৰ স্বার্থ সুৰক্ষিত ৰাখিবলৈ ৰাষ্ট্রসংঘৰ বাহিৰেও অন্য বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানে আন বহুতো ব্যৱস্থা গ্রহণ কৰিছে। ২০০২ চনৰ এপ্রিল মাহত বার্দ্ধক্য বিষয়ক দ্বিতীয় বিশ্ব সন্মিলনত 'বার্দ্ধক্য বিষয়ক মাদ্রিদ আন্তঃৰাষ্ট্রীয় কার্য পৰিকল্পনা' খন গ্রহণ কৰা হৈছিল। এই পৰিকল্পনাত আলোকপাত কৰা প্রধান বিষয় তিনিটা হ'ল — বয়সস্থ লোক আৰু বিকাশ, বৃদ্ধাৱস্থাত স্বাস্থ্য আৰু কল্যাণ ব্যৱস্থাৰ উন্নয়ন, তথা বয়সস্থসকলৰ বাবে সামর্থ সৃষ্টিকাৰী আৰু অনুকূল বাতাৱৰণ সুনিশ্চিতকৰণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বয়োজ্যেষ্ঠসকলে সন্মুখীন হোৱা যিকোনো দুটা সমস্যাৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

.....

.....

.....

প্ৰশ্ন ২ ঃ বছৰৰ কোনটো দিন 'বয়োজ্যেষ্ঠ লোকৰ আন্তঃৰাষ্ট্ৰীয় দিৱস' ৰূপে উদ্‌যাপন কৰা হয়?

.....

প্ৰশ্ন ৩ ঃ ১৯৯১ চনত গৃহীত ' বয়োজ্যেষ্ঠসকলৰ বাবে ৰাষ্ট্ৰসংঘৰ নীতি'ত অন্তৰ্ভুক্ত যিকোনো দুটা প্ৰধান দিশ সম্পৰ্কে চমুকৈ লিখক।

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন ৪ ঃ কোন চনত 'বাৰ্দ্ধক্য বিষয়ক মাদ্ৰিদ আন্তঃৰাষ্ট্ৰীয় কাৰ্য পৰিকল্পনা' খন গ্ৰহণ কৰা হৈছিল?

.....

১২.৫ বয়োজ্যেষ্ঠসকলৰ অধিকাৰ ঃ ভাৰতীয় দৃষ্টিভংগী

ভাৰতত বয়োজ্যেষ্ঠসকলৰ অধিকাৰ তথা স্বাৰ্থক ৰক্ষণাবেক্ষণ দিবলৈ আৰু সেইবোৰৰ পৃষ্ঠপোষকতা কৰিবলৈ বহুতো সাংবিধানিক আৰু বিধায়িনী সা-সুবিধা আছে। ভাৰতীয় সংবিধানৰ ভাগ তৃতীয়ত থকা মৌলিক অধিকাৰসমূহ জাতি, লিংগ, ভাষা, ধৰ্ম অথবা বয়স নিৰ্বিশেষে ভাৰতৰ প্ৰতিগৰাকী নাগৰিকেই উপভোগৰ সুবিধা পাব বুলি নিশ্চিতি প্ৰদান কৰা হৈছে। সংবিধানৰ ভাগ চতুৰ্থত সন্নিৱিষ্ট ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিয়ে বয়সস্থ লোকৰ লগতে সমাজৰ কিছুমান দুৰ্বল গোটৰ বাবে কেইটামান কল্যাণমূলক ব্যৱস্থা গ্ৰহণৰ কথা কৈছে। নিৰ্দেশাত্মক নীতিৰ অনুচ্ছেদ ৪১ ত কোৱা হৈছে যে ৰাষ্ট্ৰই কাম কৰাৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, বৃদ্ধ অৱস্থা আৰু বেমাৰী অৱস্থাত ৰাজহুৱা সাহায্য লাভৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ ফলপ্ৰসূ নীতি-নিয়ম প্ৰচলন কৰিব লাগে।

সাংবিধানিক সা-সুবিধাবোৰৰ লগতে ভাৰত চৰকাৰে আন বহুতো ব্যৱস্থাৰ জৰিয়তে বয়োজ্যেষ্ঠসকলৰ স্বাৰ্থ ৰক্ষাৰ চেষ্টা চলাই আহিছে। এনে দুটামান ব্যৱস্থা হ'ল — বয়োজ্যেষ্ঠ ব্যক্তিৰ বাবে ৰাষ্ট্ৰীয় নীতি, বয়োজ্যেষ্ঠ ব্যক্তিৰ ৰাষ্ট্ৰীয় পৰিষদ, বয়োজ্যেষ্ঠসকলৰ বাবে সংহত কাৰ্যসূচী, পিতৃ-মাতৃ আৰু বয়োজ্যেষ্ঠ নাগৰিকৰ যত্ন তথা কল্যাণ আইন (২০০৭) ইত্যাদি। ১৯৯৯ চনৰ ৩ জানুৱাৰীত চৰকাৰে বয়োজ্যেষ্ঠ ব্যক্তিৰ বাবে ৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰিছিল। এই

নীতিৰ প্ৰধান লক্ষ্য হ'ল বয়োজ্যেষ্ঠসকলৰ স্বাস্থ্য, সুৰক্ষা, সামাজিক সুৰক্ষা আদি দিশত কল্যাণমূলক ব্যৱস্থাবোৰৰ অগ্ৰগতি খৰতকীয় কৰি তুলি এইসকল লোকৰ সবলীকৰণ ঘটোৱা। এই নীতিটোৰ জৰিয়তে বয়োজ্যেষ্ঠসকলৰ বিষয়ে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰি তেওঁলোকক একো একোটা ফলোৎপাদক আৰু স্বতন্ত্ৰ জীৱন কটোৱাৰ সুযোগ দিয়াৰ চেষ্টা কৰা হৈছে।

১৯৯৯ চনত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ অধ্যক্ষতাত বয়োজ্যেষ্ঠ ব্যক্তিৰ ৰাষ্ট্ৰীয় পৰিষদ (National Council for Older Persons) খন গঠন কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল বয়োজ্যেষ্ঠ ব্যক্তিৰ ৰাষ্ট্ৰীয় নীতি কাৰ্যৰূপায়িত কৰা । কেন্দ্ৰীয় চৰকাৰক বয়োজ্যেষ্ঠ সকলৰ বাবে নীতি তথা কাৰ্যসূচী প্ৰস্তুত আৰু কাৰ্যৰূপায়ণ সম্পৰ্কীয় দিহা-পৰামৰ্শ দিব পৰা এইখনেই হ'ল দেশৰ সৰ্বোচ্চ পৰিষদ। বয়োজ্যেষ্ঠ ব্যক্তিৰ ৰাষ্ট্ৰীয় পৰিষদৰ প্ৰধান উদ্দেশ্য কেইটামান হ'ল — চৰকাৰক বয়োজ্যেষ্ঠ ব্যক্তিৰ বাবে ল'বলগীয়া নীতি তথা কাৰ্যসূচীৰ দিহা-পৰামৰ্শ আগবঢ়োৱা, বৃদ্ধাৱস্থা ফলোৎপদক আৰু আকৰ্ষণীয় কৰি তুলিব পৰা ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰক পৰামৰ্শ আগবঢ়োৱা ইত্যাদি। এই পৰিষদখনে বয়োজ্যেষ্ঠ নাগৰিকৰ ওজৰ আপত্তি নিষ্পত্তিৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ন'ডেল অভিকৰণ (Nodal point) হিচাপে কাম কৰে। পৰিষদে বয়োজ্যেষ্ঠ নাগৰিকৰ সমূহীয়া মতামত চৰকাৰৰ আগত উপস্থাপন কৰে।

ভাৰত চৰকাৰে ১৯৯২ চনৰ পৰা বয়োজ্যেষ্ঠ নাগৰিকৰ বাবে এখন সংহত কাৰ্যসূচী চলাই আছে। এই কাৰ্যসূচীৰ উদ্দেশ্য হ'ল বয়োজ্যেষ্ঠসকলক খাদ্য, আশ্ৰয়, চিকিৎসা সেৱা আদি প্ৰদান কৰা। এই সংহত কাৰ্যসূচীখনৰ অধীনত চৰকাৰে বৃদ্ধ আবাস, দিবা যত্ন কেন্দ্ৰ, ভ্ৰাম্যমাণ চিকিৎসা কেন্দ্ৰ আদি পৰিচালনা কৰা বে-চৰকাৰী সংস্থাবোৰলৈ ৯০ শতাংশ পৰ্যন্ত বিত্তীয় সাহায্য প্ৰদান কৰে।

বয়োজ্যেষ্ঠ নাগৰিকৰ স্বাৰ্থ আৰু অধিকাৰবোৰ সুৰক্ষিত ৰাখিবলৈ ভাৰত চৰকাৰে ২০০৭ চনত পিতৃ-মাতৃ আৰু বয়োজ্যেষ্ঠ নাগৰিকৰ যত্ন তথা কল্যাণ আইনখন গৃহীত কৰিছিল। এই আইনখনে বয়সস্থ পিতৃ-মাতৃৰ যত্ন লোৱাটো সন্তানৰ বাবে ন্যায়িক বাধ্যবাধকতাৰ ৰূপ দিছে। ২০১৮ চনত এই আইনখনৰ সংশোধনী ঘটোৱা হয় যাৰ ফলত আইনখনে এক বৃহত্তৰ ৰূপ লৈছে। এতিয়া পিতৃ-মাতৃৰ যত্ন লোৱাৰ দায়িত্ব কেৱল জৈৱিক সন্তানতে সীমাৱদ্ধ হৈ থকা নাই। এই কামত অৱহেলা কৰা সন্তানক কঠোৰ শাস্তি প্ৰদানৰ দিহা কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ঃ বয়োজ্যেষ্ঠসকলৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত ৰাখিবলৈ তথা পৃষ্ঠপোষকতা কৰিবলৈ ভাৰত চৰকাৰে গ্ৰহণ কৰা যিকোনো দুটা ব্যৱস্থাৰ কথা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৬ ঃ বয়োজ্যেষ্ঠ ব্যক্তিৰ ৰাষ্ট্ৰীয় পৰিষদখনৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

.....



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জনসংখ্যাৰ বাৰ্দ্ধক্য প্ৰাপ্তি হ'ল এটা প্ৰাকৃতিক আৰু বিশ্বজনীন পৰিঘটনা। বাৰ্দ্ধক্য প্ৰাপ্তি হ'ল মানৱ জীৱন চক্ৰটোত বয়স বাঢ়ি যোৱাৰ এটা প্ৰাকৃতিক প্ৰক্ৰিয়া। এই বাৰ্দ্ধক্য প্ৰাপ্তি অথবা বৃদ্ধ হোৱা প্ৰক্ৰিয়াটোৰ সৈতে বিভিন্ন ধৰণৰ জৈৱিক , আৱেগিক আৰু বৌদ্ধিক পৰিবৰ্তন জড়িত হৈ থাকে। কালক্ৰমিক ব্যাখ্যা অনুসৰি ৬০ বছৰৰ দেওনা পাৰ হোৱা ব্যক্তিক বয়োজ্যেষ্ঠ বোলা হয়। এইসকল বয়সীয়াল লোকৰ শ্ৰেণীটোকে বয়োজ্যেষ্ঠ জনসংখ্যা বুলি কোৱা হয়। প্ৰায়েই দেখা যায় এইসকল লোকৰ অধিকাৰ আৰু স্বাৰ্থবোৰ উলংঘা কৰা হয়।
- বয়োজ্যেষ্ঠ নাগৰিকসকলে বহুতো সমস্যা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। ই তেওঁলোকৰ দুৰ্বলতা বৃদ্ধি কৰে। এইসকল লোকে নানা ধৰণৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হয়।
- মানৱ অধিকাৰৰ মৌলিক ধাৰণা অনুসৰি ব্যক্তিৰ বয়স, লিংগ, ভাষা, ধৰ্ম, শ্ৰেণী নাইবা অন্য যিকোনো বৈশিষ্ট্য নিৰ্বিশেষে এনে অধিকাৰসমূহ প্ৰতিগৰাকী ব্যক্তিৰ জীৱনৰ অবিচ্ছেদ্য আৰু অন্তনিৰ্হিত অধিকাৰ। ইয়াৰ দ্বাৰা এইটো কথাই স্পষ্ট হয় যে যিকোনো বয়সীয়াল ব্যক্তিৰো এই একেবোৰ মানৱ অধিকাৰ থাকে। কিন্তু প্ৰায়েই দেখা যায় যে বয়োজ্যেষ্ঠসকলৰ অধিকাৰবোৰৰ বিভিন্ন ধৰণে উলংঘন ঘটে আৰু ইয়াৰ ফলত তেওঁলোক নানা ধৰণৰ অসুৰক্ষাৰ বলি হয়।
- ৰাষ্ট্ৰসংঘই বয়োজ্যেষ্ঠসকলৰ অধিকাৰবোৰৰ ৰক্ষণাবেক্ষণ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। বয়োজ্যেষ্ঠসকলৰ সামাজিক অৱদানক স্বীকৃতি দিয়াৰ উদ্দেশ্যেৰে প্ৰতি বছৰে ১ অক্টোবৰৰ দিনটো ৰাষ্ট্ৰসংঘই 'বয়োজ্যেষ্ঠ লোকৰ আন্তঃৰাষ্ট্ৰীয় দিৱস' হিচাপে উদ্‌যাপন কৰি আহিছে।
- ১৯৪৮ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গ্ৰহণ কৰা 'মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ' (Universal Declaration of Human Rights) খনক মানৱ অধিকাৰ আৰু স্বাধীনতাৰ এক মাইলৰ খুঁটি বুলি গণ্য কৰা হয়। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰই

বয়োজ্যেষ্ঠসকলৰ অধিকাৰৰ বিষয়েও বর্ণনা কৰিছে। ৰাষ্ট্রসংঘই বয়োজ্যেষ্ঠসকলৰ অধিকাৰক ৰক্ষণাবেক্ষণ দিবলৈ তথা পৃষ্ঠপোষকতা কৰিবলৈ আন কেইবাটাও পৰিকল্পনা আৰু কেইবাখনো ঘোষণাপত্র গৃহীত কৰিছে। বয়োজ্যেষ্ঠসকলৰ সেৱা-শুশ্রূষাৰ দিশটো সম্পর্কে সজাগতা সৃষ্টিৰ লক্ষ্যত উপনীত হ'বলৈ ৰাষ্ট্রসংঘই ভিয়েনাত আয়োজিত এখন বিশ্ব সন্মিলনত সমগ্র বিশ্বতে প্রযোজ্য হোৱাকৈ এক কার্য পৰিকল্পনাৰ সূচনা কৰিছিল। ইয়াৰ ফলশ্রুতিতে ১৯৮২ চনত "বার্দ্ধক্য বিষয়ক আন্তঃৰাষ্ট্রীয় কার্য পৰিকল্পনা" খন গ্রহণ কৰা হৈছিল। ১৯৯১ চনত 'বয়োজ্যেষ্ঠসকলৰ বাবে ৰাষ্ট্রসংঘৰ নীতি' প্রস্তুত আৰু গ্রহণ কৰা হৈছিল। ২০০২ চনৰ এপ্রিল মাহত বার্দ্ধক্য বিষয়ক দ্বিতীয় বিশ্ব সন্মিলনত 'বার্দ্ধক্য বিষয়ক মাদ্রিদ আন্তঃৰাষ্ট্রীয় কার্য পৰিকল্পনা' খন গ্রহণ কৰা হৈছিল।

- ভাৰতত বয়োজ্যেষ্ঠসকলৰ অধিকাৰ তথা স্বার্থক ৰক্ষণাবেক্ষণ দিবলৈ আৰু সেইবোৰৰ পৃষ্ঠপোষকতা কৰিবলৈ বহুতো সাংবিধানিক আৰু বিধায়িনী সা-সুবিধা আছে। ভাৰতীয় সংবিধানৰ ভাগ তৃতীয়ত থকা মৌলিক অধিকাৰসমূহ জাতি, লিংগ, ভাষা, ধর্ম অথবা বয়স নির্বিশেষে ভাৰতৰ প্রতিগৰাকী নাগৰিকেই উপভোগৰ সুবিধা পাব বুলি নিশ্চিতি প্রদান কৰা হৈছে। সংবিধানৰ ভাগ চতুর্থত সন্নিৱিষ্ট ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিয়ে বয়সস্থ লোকৰ লগতে সমাজৰ কিছুমান দুর্বল গোটৰ বাবে কেইটামান কল্যাণমূলক ব্যৱস্থা গ্রহণৰ কথা কৈছে।
- সাংবিধানিক সা-সুবিধাবোৰৰ লগতে ভাৰত চৰকাৰে আন বহুতো ব্যৱস্থাৰ জৰিয়তে বয়োজ্যেষ্ঠসকলৰ স্বার্থ ৰক্ষাৰ চেষ্টা চলাই আহিছে। এনে দুটামান ব্যৱস্থা হ'ল — বয়োজ্যেষ্ঠ ব্যক্তিৰ বাবে ৰাষ্ট্রীয় নীতি, বয়োজ্যেষ্ঠ ব্যক্তিৰ ৰাষ্ট্রীয় পৰিষদ, বয়োজ্যেষ্ঠসকলৰ বাবে থকা সংহত কার্যসূচী, পিতৃ-মাতৃ আৰু বয়োজ্যেষ্ঠ নাগৰিকৰ যত্ন তথা কল্যাণ আইন (২০০৭) ইত্যাদি।



১২.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights* . Allahabad : Central Law Publications.

2) Malhotra, S; Upadhyay, P; M Srivastava, R & Pandey, S. (2005) . *Human Rights: Emerging Issues.* New Delhi: Kilaso Books Publication.

3) Sanajoaba, N. (1994). *Human Rights: Principles, Practices and Abuses.* New Delhi: Omsons

4) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi: Akansha Publishing House.

5) Yasin, Adil-ul & Upadhayay, Archana. (2004).*Human Rights* . New Delhi : Akansha Publishing House.

১২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) সামাজিক সমস্যা ঃ বয়োজ্যেষ্ঠসকলে বিচ্ছিন্ন, সামাজিক অ-জড়িতকৰণ, অৱহেলা আদিৰ দৰে কিছুমান সামাজিক সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। এই সমস্যাবোৰৰ কাৰণ বিশ্লেষণ কৰিলে গম পোৱা যাব যে যৌথ পৰিয়াল ব্যৱস্থা নাইকিয়া হোৱা, অন্য স্থানলৈ যুৱা সদস্যৰ প্রব্রজন আদি হ'ল ইয়াৰ দুটামান মুখ্য কাৰণ।

(খ) অর্থনৈতিক সমস্যা ঃ বয়সস্থ লোকসকল অর্থনৈতিক সমস্যাৰো সন্মুখীন হয়। অৱসৰৰ পাছত অর্থনৈতিকভাৱে ঘটা অ-জড়িতভৱন প্রক্রিয়া হ'ল বয়োজ্যেষ্ঠসকলে সন্মুখীন হোৱা অর্থনৈতিক সংকটৰ প্রধান কাৰণ। ইয়াৰ উপৰি বহুতো দেশত বয়োজ্যেষ্ঠসকলৰ বাবে কোনো সামাজিক সুৰক্ষাৰ ব্যৱস্থা নাই। সেইবাবেও বয়সীয়াল লোকসকলে অর্থনৈতিক সংকটত পৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ১ অক্টোবৰ ।

৩ নং প্রশ্নৰ উত্তৰ ঃ (১) স্বাধীনতা ঃ

(ক) উপার্জন, পৰিয়াল, সম্প্রদায়ৰ পৰা পোৱা সমর্থন আৰু স্ব-সহায়ৰ সুবিধাৰ মাধ্যমেৰে বয়সস্থ লোকসকলে উপযুক্ত খাদ্য, পানী, আশ্রয় স্থল, বস্ত্র তথা স্বাস্থ্য যত্ন লাভ কৰিব লাগিব।

(খ) বয়সস্থ লোকে কাম কৰাৰ সুযোগ নাইবা উপার্জন কৰাৰ অন্য সুযোগ লাভ কৰিব লাগিব।

(গ) বয়সস্থ লোকসকলৰ নিজকে কেতিয়া আৰু কেনে গতিত শ্রমিক শক্তি বাহিনীৰ পৰা আঁতৰাই নিব সেয়া নির্ধাৰণকাৰী সিদ্ধান্ত গ্রহণ প্রক্রিয়াত অংশ লোৱাৰ সামর্থ থাকিব।

(ঘ) বয়সস্থ লোকে উপযুক্ত শৈক্ষিক আৰু প্রশিক্ষণ কার্যসূচীত ভাগ লোৱাৰ সুযোগ পাব লাগিব।

(ঙ) বয়সস্থ লোকে ব্যক্তিগত অগ্রাধিকাৰ আৰু পৰিৱর্তনশীল সক্ষমতাৰ সৈতে খাপ খোৱা তথা সুৰক্ষিত পৰিৱেশত বাস কৰাৰ সুযোগ পাব লাগিব।

(চ) বয়সস্থ লোকে যিমান দিনলৈ পাৰে নিজ গৃহত বাস কৰাৰ সুযোগ পাব লাগিব।

(২) অংশগ্রহণ ঃ

(ক) বয়সস্থ লোকসকল সমাজৰ সৈতে সংহত হৈ ৰ'ব তেওঁলোকৰ কল্যাণত প্রত্যক্ষ প্রভাৱ পেলোৱা সকলো ধৰণৰ নীতি প্রস্তুত তথা বলবৎকৰণত সক্রিয়ভাৱে অংশগ্রহণ কৰিব আৰু যুৱা প্রজন্মৰ সৈতে নিজৰ জ্ঞান-দক্ষতা ভাগ-বাটোৱাৰা কৰিব।

(খ) বয়সস্থ লোকে নিজৰ সম্প্রদায়লৈ সেৱা আগবঢ়োৱাৰ ইচ্ছা ব্যক্ত কৰিব আৰু সুযোগ সৃষ্টি কৰিব লাগিব। তেওঁলোকে নিজ আগ্রহ তথা সক্ষমতাৰ দিশেৰে উপযুক্ত কাম-কাজ তথা স্থানত থাকি স্বৈচ্ছিক সেৱা আগবঢ়াব লাগিব।

(গ) বয়সস্থ লোক নিজৰ মাজতে নিজৰ বাবে নানা আন্দোলন অথবা সংস্থা আদি গঢ়ি তুলিব পাৰিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ ২০০২ চনত ।

৫ নং প্রশ্নৰ উত্তৰ ঃ বয়োজ্যেষ্ঠ ব্যক্তিৰ বাবে ৰাষ্ট্রীয় নীতি, বয়োজ্যেষ্ঠ ব্যক্তিৰ ৰাষ্ট্রীয় পৰিষদ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৯৯৯ চনত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্রালয়ৰ অধ্যক্ষতাত বয়োজ্যেষ্ঠ ব্যক্তিৰ ৰাষ্ট্রীয় পৰিষদ (NCOP) খন গঠন কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল বয়োজ্যেষ্ঠ ব্যক্তিৰ ৰাষ্ট্রীয় নীতি কার্যৰূপায়িত কৰা । কেন্দ্রীয় চৰকাৰক বয়োজ্যেষ্ঠ সকলৰ বাবে নীতি তথা কার্যসূচী প্রস্তুত আৰু কার্যৰূপায়ণ সম্পর্কীয় দিহা-পৰামর্শ দিব পৰা এইখনেই হ'ল দেশৰ সর্বোচ্চ পৰিষদ। পৰিষদৰ প্রধান উদ্দেশ্য কেইটামান হ'ল — চৰকাৰক বয়োজ্যেষ্ঠ ব্যক্তিৰ বাবে ল'বলগীয়া নীতি তথা কার্যসূচী দিহা- পৰামর্শ আগবঢ়োৱা, বৃদ্ধাৱস্থা ফলোৎপদক আৰু আকর্ষণীয় কৰি তুলিব পৰা ব্যৱস্থা গ্রহণৰ বাবে চৰকাৰক পৰামর্শ আগবঢ়োৱা ইত্যাদি। এই পৰিষদখনে বয়োজ্যেষ্ঠ নাগৰিকৰ ওজৰ আপত্তি নিষ্পত্তিৰ ক্ষেত্রত ৰাষ্ট্রীয় পর্যায়ৰ ন'ডেল অভিকৰণ হিচাপে কাম কৰে।



১২.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ বছৰৰ কোনটো দিনত 'বয়োজ্যেষ্ঠ লোকৰ আন্তঃৰাষ্ট্রীয় দিৱস' ৰূপে উদ্‌যাপন কৰা হয়?

প্রশ্ন ২ ঃ বয়োজ্যেষ্ঠ নাগৰিকৰ স্বার্থ সুৰক্ষিত ৰাখিবলৈ ভাৰতীয় সংবিধানত অর্ন্তভুক্ত যিকোনো এটা ব্যৱস্থা উল্লেখ কৰক।

প্রশ্ন ৩ ঃ বার্দ্ধক্য বিষয়ক মাদ্রিদ আন্তঃৰাষ্ট্রীয় কার্য পৰিকল্পনাখনত সামৰি লোৱা প্রধান বিষয় তিনিটা কি কি?

খ) চুটি প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বয়োজ্যেষ্ঠ নাগৰিকৰ অধিকাৰবোৰক সুৰক্ষা প্ৰদান আৰু পৃষ্ঠপোষকতা কৰিবলৈ ভাৰতীয় সংবিধানত থকা সুবিধাবোৰৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ 'বয়োজ্যেষ্ঠসকলৰ বাবে ৰাষ্ট্ৰসংঘৰ নীতি' ব্যাখ্যা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বয়োজ্যেষ্ঠ সকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ বয়োজ্যেষ্ঠ সকলৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চলাই থকা প্ৰয়াসবোৰৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ বয়োজ্যেষ্ঠ সকলৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিবলৈ ভাৰতে গ্ৰহণ কৰা ব্যৱস্থাবোৰৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ১৩ ঃ খিলঞ্জীয়া লোকৰ অধিকাৰ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ খিলঞ্জীয়া লোকৰ ধাৰণা আৰু সংজ্ঞা

১৩.৪ খিলঞ্জীয়া লোকৰ অধিকাৰৰ গুৰুত্ব

১৩.৫ খিলঞ্জীয়া লোকৰ অধিকাৰ সুৰক্ষাৰ বাবে কৰা আন্তর্জাতিক প্রচেষ্টাসমূহ

১৩.৫.১ খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণাপত্রৰ ব্যৱস্থাসমূহ

১৩.৬ ভাৰতবর্ষত খিলঞ্জীয়া লোকৰ অধিকাৰ

১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৮ অধিক জানিবলৈ

১৩.৯ অগ্রগতিৰ খতিয়ান

১৩.১০ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- খিলঞ্জীয়া লোকৰ ধাৰণা আৰু সংজ্ঞা বর্ণনা কৰিব পাৰিব
- খিলঞ্জীয়া লোকৰ অধিকাৰৰ গুৰুত্ব পৰীক্ষা কৰিব পাৰিব
- আন্তর্জাতিক পর্যায়ত খিলঞ্জীয়া লোকসকলৰ অধিকাৰ ৰক্ষাৰ প্রচেষ্ট বর্ণনা কৰিব পাৰিব
- ভাৰতবর্ষত খিলঞ্জীয়া লোকসকলৰ অধিকাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

খিলঞ্জীয়াসকল হ'ল সেইবোৰ শ্রেণীৰ লোক যিসকলৰ এক দীঘলীয়া ইতিহাস আছে আৰু আক্রমণৰ ফলস্বৰূপে বাহিৰাগত সকলৰ লগত হোৱা বহুতো বিতণ্ডতাৰ অভিজ্ঞতা আছে। খিলঞ্জীয়াসকলক আদিবাসী বুলি কোৱা হয় কাৰণ তেওঁলোকে অন্যান্য বাসিন্দাসকল অহাৰ আগতে নিজৰ ভূমিত বাস কৰিছিল। সচেতনতাৰ অভাৱ আৰু নির্ভৰশীলতাজনিত কাৰণৰ বাবে এই শ্রেণীৰ লোকে বিশ্বৰ বিভিন্ন প্রান্তত বহুতো সমস্যাৰ সন্মুখীন হৈ আহিছে । এখন গণতান্ত্রিক দেশৰ চৰকাৰে সদায় সকলো শ্রেণীৰ মানুহক সমান সুযোগ প্রদান কৰিব লাগে। যদিও এই ক্ষেত্রত বহুতো চৰকাৰী নীতি আছে ; কিন্তু নীতি কার্যকৰীকৰণৰ অভাৱত এই সমস্যা সমাধান হোৱা নাই। খিলঞ্জীয়াসকলৰ মাজত বিভেদৰ সৃষ্টি কৰাৰ ফলস্বৰূপে সাম্প্রদায়িক সংঘর্ষবোৰ বৃদ্ধি হৈছে। ইয়াৰ ফলস্বৰূপে খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ ভংগ হৈছে । এই

অধ্যায়টিত আমি খিলঞ্জীয়াসকলৰ অধিকাৰ আৰু আন্তর্জাতিক পর্যায় আৰু ভাৰতবর্ষত তেওঁলোকৰ অধিকাৰৰ সুৰক্ষাৰ স্বার্থত গ্রহণ কৰা উপায়সমূহ আলোচনা কৰিম।

১৩.৩ খিলঞ্জীয়া লোকৰ ধাৰণা আৰু সংজ্ঞা

অক্সফোর্ড অভিধান মতে, "খিলঞ্জীয়া" বুলিলে কোনো এক অঞ্চলৰ সেইসকল আদিম বাসিন্দাসকলক বুজা যায়, যি প্রাকৃতিকভাবে সেই অঞ্চলত বাস কৰি আছে। অন্যান্য বসবাসকাৰী অহাৰ আগৰে বাবে খিলঞ্জীয়া মানুহক ভূমিপুত্র বুলি কোৱা হয়। তেওঁলোক এখন দেশ বা এটা ভৌগোলিক খণ্ডৰ পূর্বপুৰুষ আৰু যেতিয়া বিভিন্ন সংস্কৃতিৰ বা সম্প্রদায়ৰ লোকসকল আহিছিল দমনমূলক জয়, দখল, বস-বাসৰ ব্যৱস্থা বা অন্যান্য উপায়ে নতুনকৈ অহাসকল দমনমূলক হৈ পৰিছে। যদিও খিলঞ্জীয়া শব্দৰ সর্বগ্রহণযোগ্য সংজ্ঞা বিচাৰি উলিওৱা কঠিন, কিন্তু আন্তর্জাতিক পর্যায়ত তিনি প্রকাৰৰ সংজ্ঞা ব্যৱহাৰ কৰা হয়। প্রথম সংজ্ঞাটো বিচাৰি পোৱা যায় আন্তর্জাতিক শ্রমিক সংস্থাৰ স্বাধীন দেশৰ খিলঞ্জীয়া লোক আৰু জনজাতীয় লোকৰ সিদ্ধান্ত (সিদ্ধান্ত নং ১৬৯, ১৯৮৯ চনত)খনত , দ্বিতীয় সংজ্ঞা হ'ল খিলঞ্জীয়াসকলৰ কর্মসম্বন্ধীয় সংজ্ঞা, আৰু তৃতীয় সংজ্ঞাটো বিচাৰি পোৱা যায় বিশ্ববেংকৰ নির্দেশনা অভিধানত।

আন্তর্জাতিক শ্রমিক সংস্থাই স্বাধীন দেশৰ খিলঞ্জীয়াসকলৰ আৰু জনজাতীয় লোক আৰু অর্ধ জনজাতীয় জনগণৰ সুৰক্ষা আৰু সংযোজনৰ বাবে ১৯৫৭ চনত এখন সিদ্ধান্ত গ্রহণ কৰিছিল যিয়ে "খিলঞ্জীয়া লোকৰ" সংজ্ঞা দিবলৈ চেষ্টা কৰিছিল। সিদ্ধান্ত ১০৭ ৰ অনুচ্ছেদ ১ (১) এ খিলঞ্জীয়াৰ সংজ্ঞা এইদৰে আগবঢ়াইছে যে —

"স্বাধীন দেশৰ জনজাতি বা অর্দ্ধ জনজাতীয় লোকসকলৰ বংসধৰসকল যিসকল দেশৰ বাসিন্দা তেওঁলোকক খিলঞ্জীয়া বুলি গণ্য কৰা হয়, অথবা এটা ভৌগোলিক খণ্ড য'ত দেশ অৱস্থিত, জয় কৰা বা উপনিবেশ স্থাপন কৰা সময়ত আৰু যি, আইনৰ বাধ্য-বাধকতা নেওচি, নিজৰ সামাজিক অর্থনৈতিক আৰু সাংস্কৃতিক অনুষ্ঠানবোৰৰ লগত সামঞ্জস্য ৰাখি সেই সময়ৰ ৰাষ্ট্রীয় অনুষ্ঠানবোৰ লগত বাস কৰিছিল তেওঁলোক খিলঞ্জীয়াৰ শাৰীত পৰে।"

আন্তর্জাতিক শ্রমিক সংস্থাই ইয়াৰ সিদ্ধান্ত নং ১৬৯ সংশোধন কৰি অনুচ্ছেদ ১ (১) (খ)ত " খিলঞ্জীয়া"ৰ আকৌ সংজ্ঞা আগবঢ়াইছিল আৰু স্পষ্ট কৰিছিল যে, "স্বাধীন দেশৰ সেইসকল জনজাতীয় অথবা অর্ধ জনজাতীয় লোকক খিলঞ্জীয়া বোলা হয়, যিসকলে কোনো এখন দেশ জয় কৰাৰ সময় বা ঔপনিৱেশ কৰাৰ আগৰ পৰাই তাত বাস কৰে আৰু যিসকলে নিজৰ আইনগত স্থিতি নির্বিশেষে সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক অনুষ্ঠানসমূহ বর্তাই ৰাখে"।

"খিলঞ্জীয়া লোকৰ" ধাৰণাটো স্পষ্ট কৰাৰ বাবে ৰাষ্ট্রসংঘইও এক কার্যকৰি সংজ্ঞা আগবঢ়াইছে। ৰাষ্ট্রসংঘৰ বিশেষ অধ্যয়নে মতামত আগবঢ়াইছে যে " খিলঞ্জীয়া লোকসকল হ'ল বর্তমানৰ কিছুমান দেশ আৰু দেশৰ কিছু অংশৰ স্থায়ী বাসিন্দাসকলৰ পূর্বপুৰুষ যিসকল বিশ্বৰ বিভিন্ন সংস্কৃতি বা সাম্প্রদায়িক বংশ অহাৰ আগৰে পৰা বাস কৰি অহা ভূমিপূত্র, যিসকলক

জয় কৰি, বসবাসৰ বা অন্য উপায়ে তেওঁলোকক অতিবাহিত কৰি, অকর্তৃত্বশীল বা উপনিবেশিক অৱস্থালৈ আনিছে; যিসকলকে ৰাষ্ট্রীয় সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ কিপৰীতে বর্তমানেও সংগতিপূর্ণ ভাৱে নিজৰ নির্দিষ্ট সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক ৰীতি-নীতি প্রথা আৰু পৰম্পৰা আৰু দেশৰ অনুষ্ঠান বর্তাই ৰাখিছে"।

ওপৰত উল্লেখিত খিলঞ্জীয়া লোকৰ শ্রেণীৰ উপৰিও বিভিন্ন ব্যক্তি গোটক খিলঞ্জীয়া জনগণৰ লগত সংযোজন কৰিব পাৰি । সেইবোৰ তিনিটা কাৰণৰ ভিত্তিত নির্দ্ধাৰিত হয় —

(ক) বিভিন্ন সংস্কৃতি বা সাম্প্রদায়িক বংশ অহাৰ আগতে বসবাস কৰা বংশধৰসকল।

(খ) নিজৰ পূর্বপুৰুষৰ নীতি পৰম্পৰা (যিবোৰৰ খিলঞ্জীয়াসকলৰ সৈতে মিল আছে) সংৰক্ষণ কৰি দেশৰ অন্য অংশৰ জনগণৰ পৰা বিচ্ছিন্ন হৈ থাকে।

(গ) যিসকলক আনুষ্ঠানিকভাৱে ৰাষ্ট্র ব্যৱস্থাত স্থান দিয়া হয় যদিও তেওঁলোকে ৰাষ্ট্রীয়, সামাজিক আৰু সাংস্কৃতিক চৰিত্রবোৰৰ লগত খাপ খাব নোৱাৰে।

১৩.৪ খিলঞ্জীয়া লোকৰ অধিকাৰৰ গুৰুত্ব

১৯৫১ চনৰ আন্তর্জাতিক শ্রমিক সংস্থাৰ সিদ্ধান্ত নং ১০৭ত খিলঞ্জীয়া লোকৰ সংজ্ঞা এইদৰে আগবঢ়াইছে যে, "সেইসকল লোকক খিলঞ্জীয়া বোলা হয় যিসকলৰ আক্রমণকাৰীসকল তথা ঔপনিৱেশকাৰীসকল অহাৰ আগতে সেই ঠাইৰ সৈতে বিৰামহীন ঐতিহাসিক সম্পর্ক আছে আৰু যিসকলে বর্তমান সমাজৰ বিভিন্ন শ্রেণীৰ পৰা নিজকে পৃথক বুলি বিবেচনা কৰে" । ভিয়েনা ঘোষণাপত্রই খিলঞ্জীয়া লোকৰ অধিকাৰ সুৰক্ষাৰ গুৰুত্ব স্বীকাৰ কৰিছে আৰু ৰাষ্ট্রসমূহক উদ্দেশ্যে উল্লেখ কৰিছে যে, ৰাষ্ট্রসমূহে আন্তর্জাতিক আইনৰ জৰিয়তে সমতা আৰু বৈষম্যহীনতা প্রতিষ্ঠা কৰি খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ নিশ্চিত কৰিব লাগে আৰু তেওঁলোকৰ বৈশিষ্ট্যপূর্ণ পৰিচয়ৰ মূল্যবোধ আৰু বৈচিত্রতা আৰু সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানক স্বীকৃতি প্রদান কৰিব লাগে । গোটেই বিশ্বত ৩ নিযুতৰ অধিক খিলঞ্জীয়া লোক আছে আৰু ইয়াৰে প্রায় আধা সংখ্যক মানুহ ভাৰত আৰু চীন দেশত কেন্দ্রীভূত হৈ আছে। এই শ্রেণীৰ লোকে যোৱা কেইটা দশক ধৰি অবিৰামভাৱে অৱদমিত আৰু অৱহেলিত হৈ আহিছে আৰু দীঘলীয়াভাৱে উপনিবেশিকতাবাদৰ আৰু বিকাশৰ ফলস্বৰূপে বসতিপূর্ণ ভূমিৰ হ্রাস ঘটা সমস্যা, দমনমূলক সংস্কৃতিৰ সৈতে অনিচ্ছাকৃত সাদৃশ্যকৰণৰ ভয় ইত্যাদিৰ অত্যাধিক বোজা ল'ব লগা হৈছে। সেইবাবে, নির্দিষ্ট ৰাষ্ট্রত সাংস্কৃতিক আৰু মানৱ অধিকাৰৰ সুৰক্ষা খিলঞ্জীয়াৰ আত্মৰক্ষাৰ বাবে অতি প্রয়োজনীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ কোন চনত স্বাধীন দেশৰ খিলঞ্জীয়া লোক আৰু জনজাতীয় লোকৰ সিদ্ধান্ত গ্রহণ কৰা হৈছিল?

.....

প্ৰশ্ন ২ ঃ খিলঞ্জীয়া লোকৰ অধিকাৰৰ গুৰুত্ব সম্পৰ্কে চমুকৈ লিখক।

.....

.....

.....

.....

১৩.৫ খিলঞ্জীয়া লোকৰ অধিকাৰ সুৰক্ষাৰ বাবে কৰা আন্তৰ্জাতিক প্ৰচেষ্টাসমূহ

আন্তৰ্জাতিক পৰ্যায়ত খিলঞ্জীয়া লোকৰ অধিকাৰ ৰক্ষাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। আন্তৰ্জাতিক শ্ৰমিক সংস্থা খিলঞ্জীয়া লোকৰ উন্নতি সাধনৰ বাবে আগবাঢ়ি আহিছিল। ১৯৫৩ চনত আন্তৰ্জাতিক শ্ৰমিক সংস্থাই এটা অধ্যয়ন কৰি খিলঞ্জীয়া আৰু জনজাতীয় লোকৰ অধিকাৰৰ বাবে ১৯৫৭ চনত এখন সিদ্ধান্ত গ্ৰহণ কৰিছিল। আকৌ, ১৯৮৯ চনত স্বাধীন দেশৰ খিলঞ্জীয়া আৰু জনজাতীয় লোকৰ সিদ্ধান্ত (সিদ্ধান্ত নং ১৬৯) গ্ৰহণ কৰা হৈছিল ।

ৰাষ্ট্ৰসংঘই বিভিন্ন ঘোষণাপত্ৰ, বিভিন্ন আলোচনা আৰু মতামত মঞ্চৰ জৰিয়তে দীঘলীয়া দশক ধৰি খিলঞ্জীয়া লোকৰ অধিকাৰ প্ৰচাৰ আৰু সুৰক্ষাৰ চেষ্টা কৰি আছে। খিলঞ্জীয়া লোকৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ আলোচনা কৰিবৰ বাবে ৰাষ্ট্ৰসংঘৰ তিনিটা অংগ আছে , এই অংগ তিনিটা হ'ল - খিলঞ্জীয়া জনগণৰ কাৰ্যকৰী গোট, খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা পৰিস্থিতিৰ বিশেষ তদন্তকাৰী গোট আৰু খিলঞ্জীয়া লোকৰ বিষয়ৰ আলোচনাৰ স্থায়ী মঞ্চ। খিলঞ্জীয়া জনগণৰ কাৰ্যকৰী গোটে খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ ভংগ আৰু এনে পৰিস্থিতিৰ উৎকৰ্ষ সাধনৰ সৈতে জড়িত। খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা পৰিস্থিতিৰ বিশেষ তদন্তকাৰী গোটে খিলঞ্জীয়া লোকৰ লগত হোৱা দুৰ্ব্যৱহাৰ আৰু নৃশংসতাৰ অনুসন্ধান কৰে। খিলঞ্জীয়া লোকৰ বিষয়ৰ আলোচনাৰ স্থায়ী মঞ্চই অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ অধীনত কাম কৰিব লাগে আৰু এই মঞ্চ খিলঞ্জীয়া লোকৰ সামাজিক, অৰ্থনৈতিক স্থিতিৰ বিষয়সমূহৰ লগত জড়িত । এই মঞ্চই মানৱ অধিকাৰৰ উপৰিও খিলঞ্জীয়া লোকৰ বিভিন্ন আলোচ্য বিষয় সামৰি লয়।

এই তিনিটা নিৰ্দিষ্ট অংগৰ উপৰিও, বৰ্ণ বৈষম্য দূৰীকৰণ সমিতিয়েও খিলঞ্জীয়া লোকৰ বিষয়সমূহৰ আলোচনা আৰু মোকাবিলা কৰে। ১৯৮২ চনত গঠন কৰা ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া জনগণৰ কাৰ্যকৰী গোটক ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া লোকৰ অধিকাৰৰ কাৰ্যবোৰৰ এখন গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে বিবেচনা কৰা হয়। এই কাৰ্যকৰী গোটে বছৰি এখন ৰাজহুৱা কাৰ্যকৰি সভা অনুষ্ঠিত কৰে য'ত ৫০০ তকৈ অধিক খিলঞ্জীয়া প্ৰতিনিধিয়ে মুক্ত আৰু গণতান্ত্ৰিক আচৰণেৰে চৰকাৰ, বেচৰকাৰী সংস্থা আৰু ৰাষ্ট্ৰসংঘৰ অংগসমূহৰ লগত মত বিনিময় কৰিব পাৰে। খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ ভংগ কাৰণবোৰ সংশোধন কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই আনুষ্ঠানিকভাৱে ১৯৯৫ ৰ পৰা ২০০৪ চনৰ দশকটো বিশ্বৰ খিলঞ্জীয়া লোকৰ দশক হিচাপে উদ্‌যাপন কৰিছিল। বিশ্বৰ খিলঞ্জীয়া

লোকৰ দশকটোৰ লক্ষ্য হ'ল খিলঞ্জীয়া লোকে সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধানৰ বাবে আন্তর্জাতিক সহযোগিতা শক্তিশালী কৰা। ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই প্রত্যেক বছৰৰ ৯ আগষ্ট দিনটো আন্তর্জাতিক খিলঞ্জীয়া লোকৰ দিৱস হিচাপে উদ্‌যাপন কৰিবলৈ আহ্বান জনাইছে।

১৩.৫.১ খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণাপত্রৰ ব্যৱস্থাসমূহ

১৯৮২ চনত খিলঞ্জীয়া জনগণৰ কার্যকৰী গোট গঠন কৰা হয় আৰু এই গোটে খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণাপত্রৰ খচৰা প্রস্তুত কৰে । ১৯৯৪ চনত ৰাষ্ট্রসংঘৰ সাধাৰণ সভাত খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণাপত্রখন গ্রহণ কৰা হয়। এই ঘোষণাপত্রত সংযোজিত খিলঞ্জীয়া লোকৰ কিছুমান গুৰুত্বপূর্ণ অধিকাৰ হ'ল—

- খিলঞ্জীয়া লোকৰ ৰাষ্ট্রসংঘৰ চনদ, মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র আৰু আন্তর্জাতিক মানৱ অধিকাৰ আইনত স্বীকৃত সকলো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা উপভোগৰ অধিকাৰ আছে ।
- মর্য্যাদা আৰু অধিকাৰৰ ক্ষেত্রত খিলঞ্জীয়া লোক সকলো অন্যান্য ব্যক্তিৰ সমান আৰু আৰু নির্দিষ্ট খিলঞ্জীয়া পৰিচয়ৰ আধাৰত হোৱা যিকোনো বৈষম্যৰ পৰা খিলঞ্জীয়া লোক মুক্ত হ'ব ।
- খিলঞ্জীয়া লোকৰ স্ব-শাসনৰ অধিকাৰ আছে। এই অধিকাৰৰ দ্বাৰা তেওঁলোকে মুক্তভাৱে তেওঁলোকৰ ৰাজনৈতিক স্থিতি নির্দ্ধাৰণ কৰিব আৰু মুক্তভাৱে অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বিকাশ সাধন কৰিব।
- খিলঞ্জীয়া লোকৰ নিজৰ বিশেষ ৰাজনৈতিক, অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বৈশিষ্ট্যসমূহ আৰু আইনী ব্যৱস্থা বর্তাই ৰখাৰ আৰু শক্তিশালী কৰাৰ অধিকাৰ আছে।
- সকলো খিলঞ্জীয়াৰ জাতীয়তাৰ অধিকাৰ আছে।
- খিলঞ্জীয়া লোকৰ শান্তি আৰু সুৰক্ষাত সামূহিকভাৱে আৰু স্বাধীনভাৱে বাস কৰাৰ অধিকাৰ আছে।
- খিলঞ্জীয়া ব্যক্তিৰ জীৱনৰ অধিকাৰ, শাৰীৰিক আৰু মানসিক একাগ্রতা আৰু স্বতন্ত্রতাৰ অধিকাৰ আৰু গণহত্যা আৰু অন্যান্য হিংসামূলক কার্য্যৰ বিৰুদ্ধে, বলপূর্বকভাৱে এটা গোটৰ পৰা অন্য এটা গোটলৈ শিশুৰ হস্তান্তৰ ইত্যাদিৰ বিৰুদ্ধে অধিকাৰ আছে।
- খিলঞ্জীয়া লোকৰ নির্দিষ্ট অস্তিত্ব আৰু বৈশিষ্ট্য বর্তাই ৰখাৰ আৰু বিকাশ কৰাৰ সামূহিক অধিকাৰ আছে।
- খিলঞ্জীয়া লোকক বলপূর্বকভাৱে তেওঁলোকৰ ভূমি আৰু বসতি অঞ্চলৰ পৰা স্থানান্তৰীত কৰিব নোৱাৰিব।
- সশস্ত্র সংঘর্ষ পৰিস্থিতিত খিলঞ্জীয়া লোকৰ বিশেষ সুৰক্ষা আৰু নিৰাপত্তাৰ অধিকাৰ আছে।

- খিলঞ্জীয়া লোকৰ নিজৰ ইতিহাস, ভাষা, মৌখিক পৰম্পৰা, দৰ্শন, লিখিত পদ্ধতি আৰু সাহিত্য পুনৰজ্জীৱিত কৰণ, ব্যৱহাৰ, বিকাশ আৰু ভবিষ্যত প্ৰজন্মক দান কৰা আৰু তেওঁলোকৰ সম্প্ৰদায়, ঠাই আৰু ব্যক্তিৰ নিজা নাম বৰ্তাই ৰখাৰ অধিকাৰ আছে।
- খিলঞ্জীয়া লোকৰ তেওঁলোকৰ শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা আৰু নিয়ন্ত্ৰণ কৰা, অনুষ্ঠানত নিজৰ ভাষাত শিক্ষা প্ৰদান কৰা, তেওঁলোকৰ সংস্কৃতিৰ লগত মিল থকা শিক্ষণ পদ্ধতিৰ অধিকাৰ আছে ।
- খিলঞ্জীয়া লোকৰ সংস্কৃতি, পৰম্পৰা, ইতিহাস আৰু অভিলাষ আদিত মৰ্য্যাদা আৰু বিচিত্ৰতাৰ অধিকাৰ আছে।
- আন্তৰ্জাতিক শ্ৰমিক আইন আৰু আন্তৰ্জাতিক শ্ৰমিক সংস্থাৰ অধীনত সকলো অধিকাৰৰ সম্পূৰ্ণ উপভোগ কৰাৰ অধিকাৰ খিলঞ্জীয়া লোকৰ আছে ।
- খিলঞ্জীয়া লোকৰ উন্নয়নৰ অধিকাৰ আছে ।
- খিলঞ্জীয়া লোকৰ পৰিবেশ আৰু মাটিৰ উৰ্ব্বৰা শক্তি, বসতি অঞ্চল আৰু সম্পদবোৰ সংৰক্ষণ, পুৰ্নপ্ৰতিষ্ঠা আৰু সুৰক্ষাৰ অধিকাৰ আছে ।
- খিলঞ্জীয়া লোকৰ নিজৰ সম্প্ৰদায়ৰ প্ৰতি ব্যক্তিৰ দায়িত্ব নিৰ্ধাৰণ কৰাৰ সামূহিক অধিকাৰ আছে।
- খিলঞ্জীয়া লোকৰ অধিকাৰ উপভোগ কৰাৰ বাবে ৰাষ্ট্ৰ আৰু আন্তৰ্জাতিক সহযোগিতাত বিত্তীয় আৰু কৌশলগত কাৰিকৰী সহায় পোৱাৰ অধিকাৰ আছে।

ঘোষণাপত্ৰত উল্লেখিত সকলো অধিকাৰ খিলঞ্জীয়াসকলৰ বাবে লিংগ বৈষম্যহীনভাবে উপলব্ধ। ঘোষণাপত্ৰত উল্লেখ কৰা হৈছে যে সকলো ৰাষ্ট্ৰই ঘোষণাপত্ৰৰ সুবিধাসমূহ কাৰ্যকৰি কৰাৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব।

খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণাপত্ৰৰ কাৰ্যকৰীকৰণৰ বাবে ৰাষ্ট্ৰসংঘৰ অংগসমূহৰ অৰিহণা উল্লেখযোগ্য। ঘোষণাপত্ৰৰ অনুচ্ছেদ নং ৪০ মতে, ৰাষ্ট্ৰসংঘৰ অংগ আৰু বিশেষ অভিকৰণসমূহ আৰু আভ্যন্তৰীণ চৰকাৰী সংস্থাসমূহে বিত্তীয় আৰু কৌশলগত সহযোগিতাৰ জৰিয়তে ঘোষণাপত্ৰত উল্লেখিত অধিকাৰসমূহ উপলব্ধ কৰাব ।একেদৰে অনুচ্ছেদ নং ৪১ত উল্লেখ আছে যে ৰাষ্ট্ৰসংঘই খিলঞ্জীয়াসকলৰ প্ৰত্যক্ষ অংশগ্ৰহণ আৰু বিশেষ অৰ্হতাসম্পন্ন উচ্চ পৰ্যায়ৰ সমিতি গঠনৰ জৰিয়তে ঘোষণাপত্ৰত উল্লেখিত অধিকাৰসমূহৰ নিশ্চিতকৰণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। লগতে খিলঞ্জীয়া লোকৰ শান্তি পূৰ্ণখান আৰু অধিকাৰ নিশ্চিতকৰণৰ বাবে ৰাষ্ট্ৰসমূহেও বহুতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

১৩.৬ ভাৰতবৰ্ষত খিলঞ্জীয়া লোকৰ অধিকাৰ

ভাৰতবৰ্ষত খিলঞ্জীয়া লোকসকল এক দীঘলীয়া সংগ্ৰামৰ সাক্ষী হৈ আছে। খিলঞ্জীয়াসকলে তেওঁলোকৰ নিজৰ সাংস্কৃতিক পৰিচয়ৰ অস্তিত্ব ৰক্ষাৰ বাবে উপনিবেশিকসকল

আৰু পিছত মূলসুতি ভাৰতৰ লগত সংগ্ৰাম কৰিবলগীয়া হৈছিল। বৰ্তমান ভাৰতবৰ্ষত ৬০ নিযুত আদিবাসী সম্প্ৰদায় আছে। ভাৰতৰ খিলঞ্জীয়া আৰু জনজাতীয় লোকসকল ভূমি, বনাঞ্চল, পানী, সংস্কৃতি, পৰিবহন আৰু যোগাযোগ, স্বাস্থ্য আৰু স্বাস্থ্যবিধি, পৰিপুষ্টি, শিক্ষা আৰু পৰিচয় আদিৰ ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মুখীন হৈ আহিছে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত বিভিন্ন খিলঞ্জীয়াৰ অধিকাৰ আৰু ৰাজনৈতিক অস্তিত্বৰ অধিকাৰৰৰ দাবীবোৰ উত্থাপিত হৈ আহিছে। বিভিন্ন খিলঞ্জীয়া গোটৰ অস্তিত্বৰ ক্ষেত্ৰত ভূমি সদায় অতি গুৰুত্বপূৰ্ণ বিষয়। কিন্তু চৰকাৰৰ বিকাশমূলক প্ৰকল্পসমূহে খিলঞ্জীয়া লোকসকলক তেওঁলোকৰ মাটিৰ পৰা স্থানান্তৰীত কৰিছে। বিকাশমূলক প্ৰকল্পসমূহে কৰা স্থানান্তৰিতকৰণ, মাটি হস্তান্তৰণ, বনাঞ্চল হেৰুওৱা ইত্যাদি ক্ষেত্ৰত খিলঞ্জীয়া জনজাতীয় লোকসকল ভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। বহু সময়ত এই বিষয়বোৰত খিলঞ্জীয়াসকলে বিভিন্ন আন্দোলন কৰিবলগীয়া হৈছে। এনে আন্দোলনসমূহৰ কিছুমান হ'ল- নৰ্মদা বচাও আন্দোলন, গুজৰাট, মহাৰাষ্ট্ৰ, তেলেংগনা ইত্যাদিত ভূমি হস্তান্তৰণ বিৰুদ্ধে আৰু বনাঞ্চল সুৰক্ষাৰ আন্দোলন। এখন গণতান্ত্ৰিক দেশ হিচাপে ভাৰতবৰ্ষই খিলঞ্জীয়া লোকৰ অধিকাৰ নিশ্চিতভাৱে বাস্তবায়িত কৰিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ আন্তৰ্জাতিক খিলঞ্জীয়া লোকৰ দিৱস হিচাপে কোনটো দিন উদ্‌যাপন কৰা হয়?

.....

প্ৰশ্ন ৪ ঃ খিলঞ্জীয়া লোকৰ বিষয়ৰ লগত জড়িত ৰাষ্ট্ৰসংঘৰ তিনিটা অংগ কি কি?

.....

.....

প্ৰশ্ন ৫ ঃ খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণাপত্ৰত সংযোজিত দুটা অধিকাৰ উল্লেখ কৰক।

.....

.....

.....

.....

প্ৰশ্ন ৬ ঃ ভাৰতবৰ্ষত খিলঞ্জীয়া লোকসকলে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- খিলঞ্জীয়াসকল হ'ল সেইবোৰ শ্ৰেণীৰ লোক যিসকলৰ এক দীঘলীয়া ইতিহাস আছে আৰু আক্ৰমণৰ ফলস্বৰূপে বাহিৰাগত সকলৰ লগত হোৱা বহুতো বিতণ্ডতাৰ অভিজ্ঞতা আছে। খিলঞ্জীয়াসকলক আদিবাসী বুলি কোৱা হয় কাৰণ তেওঁলোকে অন্যান্য বাসিন্দাসকল অহাৰ আগতে নিজৰ ভূমিত বাস কৰিছিল।
- গোটেই বিশ্বতে খিলঞ্জীয়া লোকৰ অধিকাৰ ভংগ হৈ আছে। সেইবাবে নিৰ্দিষ্ট ৰাষ্ট্ৰৰ তত্ত্বাৱধানততেওঁলোকৰ সাংস্কৃতিক আৰু মানৱ অধিকাৰ সুৰক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয়তা আছে ।
- ভিয়েনা ঘোষণাপত্ৰই খিলঞ্জীয়া লোকৰ অধিকাৰ সুৰক্ষাৰ গুৰুত্ব স্বীকাৰ কৰিছে আৰু ৰাষ্ট্ৰসমূহক উদ্দেশ্যে উল্লেখ কৰিছে যে, ৰাষ্ট্ৰসমূহে আন্তৰ্জাতিক আইনৰ জৰিয়তে সমতা আৰু বৈষম্যহীনতা প্ৰতিষ্ঠা কৰি খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ নিশ্চিত কৰিব লাগে আৰু তেওঁলোকৰ বৈশিষ্ট্যপূৰ্ণ পৰিচয়ৱ মূল্যবোধ আৰু বৈচিত্ৰতা আৰু সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানক স্বীকৃতি প্ৰদান কৰিব লাগে ।
- আন্তৰ্জাতিক পৰ্যায়ত খিলঞ্জীয়া লোকৰ অধিকাৰ ৰক্ষাৰ বাবে বহুতো পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই ক্ষেত্ৰত আন্তৰ্জাতিক শ্ৰমিক সংস্থা আৰু ৰাষ্ট্ৰসংঘৰ ভূমিকা লেখত লৱলগীয়া।
- ১৯৫৩ চনত আন্তৰ্জাতিক শ্ৰমিক সংস্থাই এটা অধ্যয়ন কৰি খিলঞ্জীয়া আৰু জনজাতীয় লোকৰ অধিকাৰৰ বাবে ১৯৫৭ চনত এখন সিদ্ধান্ত গ্ৰহণ কৰিছিল। আকৌ, ১৯৮৯ চনত স্বাধীন দেশৰ খিলঞ্জীয়া আৰু জনজাতীয় লোকৰ সিদ্ধান্ত (সিদ্ধান্ত নং ১৬৯) গ্ৰহণ কৰা হৈছিল ।
- খিলঞ্জীয়া লোকৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ আলোচনা কৰিবৰ বাবে ৰাষ্ট্ৰসংঘৰ তিনিটা অংগ আছে , এই অংগ তিনিটা হ'ল - খিলঞ্জীয়া জনগণৰ কাৰ্যকৰী গোট, খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা পৰিস্থিতিৰ বিশেষ তদন্তকাৰী গোট আৰু খিলঞ্জীয়া লোকৰ বিষয়ৰ আলোচনাৰ স্থায়ী মঞ্চ। এই তিনিটা নিৰ্দিষ্ট অংগৰ উপৰিও, বৰ্ণ বৈষম্য দূৰীকৰণ সমিতিয়েও খিলঞ্জীয়া লোকৰ বিষয়সমূহৰ আলোচনা আৰু মোকাবিলা কৰে।
- খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ ভংগ কাৰণবোৰ সংশোধন কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই আনুষ্ঠানিকভাৱে ১৯৯৫ ৰ পৰা ২০০৪ চনৰ দশকটো বিশ্বৰ খিলঞ্জীয়া লোকৰ দশক হিচাপে উদ্‌যাপন কৰিছিল। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই প্ৰত্যেক বছৰৰ ৯ আগষ্ট দিনটো আন্তৰ্জাতিক খিলঞ্জীয়া লোকৰ দিৱস হিচাপে উদ্‌যাপন কৰিবলৈ আহ্বান জনাইছে।
- ১৯৮২ চনত খিলঞ্জীয়া জনগণৰ কাৰ্যকৰী গোট গঠন কৰা হয় আৰু এই গোটে খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণাপত্ৰৰ খচৰা প্ৰস্তুত কৰে । ১৯৯৪ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণাপত্ৰখন গ্ৰহণ কৰা হয়। এই ঘোষণাপত্ৰত খিলঞ্জীয়া লোকৰ বহুতো গুৰুত্বপূৰ্ণ অধিকাৰ উল্লেখ কৰা হৈছে আৰু ঘোষণাপত্ৰত উল্লেখ কৰা হৈছে যে সকলো ৰাষ্ট্ৰই ঘোষণাপত্ৰৰ সুবিধাসমূহ কাৰ্যকৰি কৰাৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব।

- ভাৰতত খিলঞ্জীয়া আৰু জনজাতীয় লোকসকল ভূমি, বনাঞ্চল, পানী, সংস্কৃতি, পৰিবহন আৰু যোগাযোগ, স্বাস্থ্য আৰু স্বাস্থ্যবিধি, পৰিপুষ্টি, শিক্ষা আৰু পৰিচয় আদিৰ ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মুখীন হৈ আহিছে । ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত বিভিন্ন খিলঞ্জীয়াৰ অধিকাৰ আৰু ৰাজনৈতিক অস্তিত্বৰ অধিকাৰৰৰ দাবীবোৰ উত্থাপিত হৈ আহিছে।
- এখন গণতান্ত্ৰিক দেশ হিচাপে ভাৰতবৰ্ষই খিলঞ্জীয়া লোকৰ অধিকাৰ নিশ্চিতভাৱে বাস্তবায়িত কৰিব লাগিব।



১৩.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, H.O. (2006) . *Human Rights*. Allahabad : Central Law Publications.
2) Anuradha, K.P. (2010) . *Human Rights Issues inIndia .* New Delhi : Adhayan Publishers and Distributers.
3) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi: Akansha Publishing House.



১৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮৯ চন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভিয়েনা ঘোষণাপত্ৰই খিলঞ্জীয়া লোকৰ অধিকাৰ সুৰক্ষাৰ গুৰুত্ব স্বীকাৰ কৰিছে আৰু ৰাষ্ট্ৰসমূহক উদ্দেশ্যে উল্লেখ কৰিছে যে, ৰাষ্ট্ৰসমূহে আন্তৰ্জাতিক আইনৰ জৰিয়তে সমতা আৰু বৈষম্যহীনতা প্ৰতিষ্ঠা কৰি খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ নিশ্চিত কৰিব লাগে আৰু তেওঁলোকৰ বৈশিষ্ট্যপূৰ্ণ পৰিচযৱ মূল্যবোধ আৰু বৈচিত্ৰতা আৰু সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানক স্বীকৃতি প্ৰদান কৰিব লাগে ।এই শ্ৰেণীৰ লোকে যোৱা কেইটা দশক ধৰি অবিৰামভাৱে অৱদমিত আৰু অৱহেলিত হৈ আহিছে আৰু দীঘলীয়াভাৱে উপনিবেশিকতাবাদৰ আৰু বিকাশৰ ফলস্বৰূপে বসতিপূৰ্ণ ভূমিৰ হ্ৰাস ঘটা সমস্যা, দমনমূলক সংস্কৃতিৰ সৈতে অনিচ্ছাকৃত সাদৃশ্যকৰণৰ ভয় ইত্যাদিৰ অত্যাধিক বোজা ল'ব লগা হৈছে। সেইবাবে, নিৰ্দিষ্ট ৰাষ্ট্ৰত সাংস্কৃতিক আৰু মানৱ অধিকাৰৰ সুৰক্ষা খিলঞ্জীয়াৰ আত্মৰক্ষাৰ বাবে অতি প্ৰয়োজনীয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৯ আগষ্ট।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ খিলঞ্জীয়া জনগণৰ কাৰ্যকৰী গোট, খিলঞ্জীয়া লোকৰ মানৱ অধিকাৰ

আৰু মৌলিক স্বাধীনতা পৰিস্থিতিৰ বিশেষ তদন্তকাৰী গোট আৰু খিলঞ্জীয়া লোকৰ বিষয়ৰ আলোচনাৰ স্থায়ী মঞ্চ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) খিলঞ্জীয়া লোকৰ স্ব-শাসনৰ অধিকাৰ আছে। এই অধিকাৰৰ দ্বাৰা তেওঁলোকে মুক্তভাৱে তেওঁলোকৰ ৰাজনৈতিক স্থিতি নিৰ্দ্ধাৰণ কৰিব আৰু মুক্তভাৱে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বিকাশ সাধন কৰিব।

(খ) খিলঞ্জীয়া লোকৰ নিজৰ বিশেষ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বৈশিষ্ট্যসমূহ আৰু আইনী ব্যৱস্থা বৰ্তাই ৰখাৰ আৰু শক্তিশালী কৰাৰ অধিকাৰ আছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ খিলঞ্জীয়া আৰু জনজাতীয় লোকসকল ভূমি, বনাঞ্চল, পানী, সংস্কৃতি, পৰিবহন আৰু যোগাযোগ, স্বাস্থ্য আৰু স্বাস্থ্যবিধি, পৰিপুষ্টি, শিক্ষা আৰু পৰিচয় আদিৰ ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মুখীন হৈ আহিছে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত বিভিন্ন খিলঞ্জীয়াৰ অধিকাৰ আৰু ৰাজনৈতিক অস্তিত্বৰ অধিকাৰৰৰ দাবীবোৰ উত্থাপিত হৈ আহিছে। বিভিন্ন খিলঞ্জীয়া গোটৰ অস্তিত্বৰ ক্ষেত্ৰত ভূমি সদায় অতি গুৰুত্বপূৰ্ণ বিষয়। কিন্তু চৰকাৰৰ বিকাশমূলক প্ৰকল্পসমূহে খিলঞ্জীয়া লোকসকলক তেওঁলোকৰ মাটিৰ পৰা স্থানান্তৰীত কৰিছে। বিকাশমূলক প্ৰকল্পসমূহে কৰা স্থানান্তৰিতকৰণ, মাটি হস্তান্তৰণ, বনাঞ্চল হেৰুওৱা ইত্যাদি ক্ষেত্ৰত খিলঞ্জীয়া জনজাতিয় লোকসকল ভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে।



১৩.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ কোনটো দশক বিশ্বৰ খিলঞ্জীয়া লোকৰ দশক হিচাপে উদ্‌যাপন কৰা হৈছিল?

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া জনগণৰ কাৰ্যকৰী গোট কোন চনত গঠন কৰা হৈছিল?

প্ৰশ্ন ৩ ঃ আন্তৰ্জাতিক শ্ৰমিক সংস্থাই কোন চনত খিলঞ্জীয়া লোক আৰু জনজাতীয় লোকৰ অধিকাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল?

খ) চুটি প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ খিলঞ্জীয়া লোকৰ সংজ্ঞা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ খিলঞ্জীয়া লোকৰ অধিকাৰৰ গুৰুত্ব সম্পৰ্কে চমুটোকা লিখক।

প্ৰশ্ন ৩ ঃ খিলঞ্জীয়া লোকৰ অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত আন্তৰ্জাতিক শ্ৰমিক সংস্থাৰ ভূমিকা চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতবৰ্ষত খিলঞ্জীয়া লোকসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ পৰীক্ষা কৰক।

প্ৰশ্ন ২ ঃ খিলঞ্জীয়াৰ লোকৰ অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা আলোচনা কৰক।

****

অধ্যায় ১৪ ঃ মানৱ অধিকাৰ শিক্ষা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ মানৱ অধিকাৰ শিক্ষাৰ ধাৰণা

১৪.৪ মানৱ অধিকাৰ শিক্ষাৰ প্ৰাসংগিকতা

১৪.৫ মানৱ অধিকাৰ শিক্ষাৰ ক্ষেত্ৰত বিশ্ব প্ৰচাৰ অভিযান

১৪.৬ ভাৰতবৰ্ষত মানৱ অধিকাৰ শিক্ষাৰ প্ৰসাৰণ

১৪.৭ ভাৰতবৰ্ষৰ মানৱ অধিকাৰ শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকা

১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৯ অধিক জানিবলৈ

১৪.১০ অগ্ৰগতিৰ খতিয়ান

১৪.১১ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ অধিকাৰ শিক্ষাৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- মানৱ অধিকাৰ শিক্ষাৰ প্ৰাসংগিকতা পৰীক্ষা কৰিব পাৰিব
- আন্তৰ্জাতিক ক্ষেত্ৰত মানৱ অধিকাৰ শিক্ষাৰ ভিন্ন প্ৰয়াস সম্পৰ্কে আলোচনা কৰিব পাৰিব
- ভাৰতবৰ্ষত মানৱ অধিকাৰ শিক্ষাৰ স্থিতি বিশ্লেষণ কৰিব পাৰিব
- ভাৰতবৰ্ষৰ মানৱ অধিকাৰ শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকা আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

মানৱ অধিকাৰ শিক্ষা নিজেই এটা মানৱ অধিকাৰ। মানৱ অধিকাৰ শিক্ষাই ব্যক্তিক সকলোৰে মানৱ অধিকাৰক সন্মান, সুৰক্ষা আৰু পৃষ্ঠপোষকতা কৰিবলৈ শিকায় আৰু ইয়াৰ ফলস্বৰূপে গণতান্ত্ৰিক মূল্যবোধ, ন্যায় আৰু মানৱীয় মৰ্য্যাদাৰ বিকাশ সাধন হয় । মানুহৰ মাজত

মানৱ অধিকাৰৰ বিষয়ে সচেতনতা আৰু জ্ঞান সৃষ্টি কৰাৰ বাবে মানৱ অধিকাৰ শিক্ষা অতি প্ৰয়োজনীয় । ই মানৱ সু�ৰক্ষা বাস্তবায়িত কৰাতো সহায় কৰে। সম্প্ৰদায়সমূহৰ মাজত বিশ্বব্যাপি সংগতিপূৰ্ণ সম্পৰ্ক আৰু পা�ৰস্পৰিক বুজাবুজিৰ বিকাশ কৰাৰ বাবে ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰ শিক্ষা, প্ৰশিক্ষণ আৰু গণ সচেতনতা ইত্যাদি প্ৰদানত গুৰুত্ব আৰোপ কৰে। মানৱ অধিকাৰ শিক্ষাই শান্তি, গণতন্ত্ৰ, বিকাশ, সামাজিক ন্যায়, মানৱীয় আইন ইত্যাদি অধ্যয়নৰ বিষয় হিচাপে সামৰি লয়। মানৱ অধিকাৰ শিক্ষাই সহনশীলতাৰ বিকাশ, মানৱ অধিকাৰৰ প্ৰতি সন্মান, গণতন্ত্ৰৰ ব্যৱহাৰ আৰু বৈচিত্ৰপূৰ্ণ সংস্কৃতিৰ শিক্ষাৰ আদৰ্শ স্থান হিচাপে শিক্ষানুষ্ঠানসমূহ মুক্ত হোৱাটো বিচাৰে । এই অধ্যায়টিত আমি মানৱ অধিকাৰ শিক্ষা আৰু বিশেষভাৱে ভাৰতবৰ্ষত ইয়াৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰিম।

১৪.৩ মানৱ অধিকাৰ শিক্ষাৰ ধাৰণা

ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ শিক্ষাৰ দশক ১৯৯৫-২০০৪ এ মানৱ অধিকাৰ শিক্ষাক "মানৱ অধিকাৰৰ সাৰ্বজনীন সংস্কৃতি গঠনৰ ক্ষেত্ৰত প্ৰশিক্ষণ, প্ৰসাৰ আৰু উদ্যম হিচাপে সংজ্ঞাবদ্ধ কৰিছে যিবোৰৰ পৰা জ্ঞান, কৌশল আৰু আচাৰ-আচৰণ গ্ৰহণ কৰাত সহায় হয়। ইয়াৰ উদ্দেশ্য তলত দিয়া ধৰণৰ—

(ক) মানৱ অধিকাৰৰ প্ৰতি মৰ্য্যাদা, পূৰ্ণ সন্মান আৰু মৌলিক স্বাধীনতা শক্তিশালী কৰা।

(খ) মানুহৰ ব্যক্তিত্বৰ আৰু মৰ্য্যাদাৰ সম্পূৰ্ণ বিকাশ সাধন কৰা ।

(গ) সকলো ৰাষ্ট্ৰ, খিলঞ্জীয়া লোক, জাতীয়, নৈতিক, ধৰ্মীয় আৰু ভাষিক গোটৰ মাজত বুজা বুজি , সন্মান, লিংগ সমতা আৰু বন্ধুত্বৰ প্ৰসাৰণ ।

(ঘ) মুক্তভাৱে এখন সমাজত সকলোৰে ব্যক্তিগত অংশ গ্ৰহণ সাধন কৰি তোলা।

(ঙ) ৰাষ্ট্ৰসংঘৰ পৃষ্ঠপোষকতাত শান্তি ৰক্ষাৰ কাৰ্যসমূহ আগবঢ়াই নিয়া।"

(ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ শিক্ষা দশকৰ (১৯৯৫-২০০৪) আঁচনি দফা, ২ ৰ পৰা লোৱা)

ইউৰোপৰ মানৱ অধিকাৰ শিক্ষাৰ যুৱ কাৰ্য্যক্ৰমনিকাই মানৱ অধিকাৰ শিক্ষাক শিক্ষণৰ কৰ্মসূচী হিচাপে অভিহিত কৰিছে যিবোৰে মানুহক মৰ্য্যাদাৰ সমতা, সংযোগমূলক কাৰ্যক্ৰমনিকা, আভ্যন্তৰীণ সাংস্কৃতিক শিক্ষণত অংশগ্ৰহণ আৰু সংখ্যালঘুক ক্ষমতা প্ৰদান কৰে।

মানৱ অধিকাৰ শিক্ষাৰ সম্পূৰ্ণ ধাৰণাটো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি সন্মানৰ ওপৰত প্ৰতিষ্ঠিত। ই সদায় মানুহৰ মৰ্য্যাদা আৰু অন্য ব্যক্তিৰ সন্মান ৰক্ষাৰ বাবে চেষ্টা কৰে। লিংগ সমতা, পুৰুষ আৰু মহিলা উভয়কে সমান সুবিধা প্ৰদান, নৈতিকতা, ধৰ্মীয়, ভাষিক বৈচিত্ৰতাৰ আধাৰত ৰাষ্ট্ৰীয় বোধ শক্তিশালী কৰা, গণতন্ত্ৰ, সামাজিক ন্যায়ৰ প্ৰসাৰ, সাম্প্ৰদায়িক সংহতি ইত্যাদিবোৰ হৈছে মানৱ অধিকাৰ শিক্ষাৰ মূলবিষয়বস্তু। এইবোৰৰ ওপৰিও মানৱ অধিকাৰ

শিক্ষাই শান্তি, সংহতি, সার্বজনীন মূল্যবোধ, আন্তর্জাতিক সন্মতি, সহনশীলতা আৰু অহিংসা ইত্যাদিবোৰৰ সম্প্রসাৰণৰ উদ্দেশ্যে আন্তর্জাতিক প্রতিষ্ঠানসমূহে গ্রহণ কৰা কার্য্যসূচী আগবঢ়াই নিয়াত সহায় কৰে।

১৪.৪ মানৱ অধিকাৰ শিক্ষাৰ প্রাসংগিকতা

মানৱ অধিকাৰক গণতান্ত্রিক দেশ এখনৰ শান্তি ৰক্ষা আৰু বিকাশৰ পূর্বাৱশ্যকীয় চর্ত বুলি গণ্য কৰা হয়। গণতন্ত্রক শক্তিশালী কৰাৰ বাবে মানৱ অধিকাৰ শিক্ষা অতি প্রয়োজনীয়। মানৱ অধিকাৰ শিক্ষাই দৈনন্দিন জীৱনত মানৱ অধিকাৰৰ প্রয়োগৰ পৃষ্ঠপোষকতা আৰু ইয়াৰ সুৰক্ষাৰ কৌশলৰ জ্ঞান প্রদান কৰে। মানৱ অধিকাৰৰ ধাৰণা সৃষ্টি আৰু বর্তাই ৰখাৰ ক্ষেত্রত শিক্ষা হৈছে এক আহিলা। শিক্ষাই মানুহৰ দৈনন্দিন জীৱনত মানৱ অধিকাৰৰ গুৰুত্ব জনাত সহায় কৰে। সকলো মানুহৰ আৰু ৰাষ্ট্রৰ বিকাশৰ অধিকাৰ বাস্তৱ ক্ষেত্রত ৰূপায়িত নহ'ব যদিহে শিক্ষাৰ অধিকাৰক স্বীকৃতি প্রদান কৰা নহয়। সেইবাবে শিক্ষাৰ জৰিয়তে মানৱ অধিকাৰৰ বিষয়ে সচেতনতা বৃদ্ধিত সর্বাধিক গুৰুত্ব প্রদান কৰিব লাগে। মানৱ অধিকাৰ শিক্ষাৰ উদ্দেশ্যে হ'ল—

- ব্যক্তিৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্রতি সন্মান শক্তিশালী কৰা।
- মানুহৰ ব্যক্তিত্বৰ আৰু মর্য্যাদাৰ বিকাশ সাধন কৰা ।
- বিভিন্ন জনগোষ্ঠীয়, ধর্মীয় আৰু ভাষিক গোটৰ মাজত বুজা বুজি , সহশীলতা, সমতা, বন্ধুত্বৰ প্রসাৰণ কৰা।
- সকলো ব্যক্তিকে কার্য্যক্ষমভাৱে সামাজিক জীৱনত অংশগ্রহণ কৰিবলৈ সক্ষম কৰি তোলা।

শিক্ষাৰ অভিপ্রায় হৈছে মানুহৰ মাজত সজাগতা, সাহস আৰু প্রত্যাহ্বানৰ সমাধানৰ ক্ষমতা বৃদ্ধি কৰা। প্রাৰম্ভিক শিক্ষাৰ লক্ষ্য হ'ল জীৱন যাত্রা আৰম্ভ কৰিবৰ বাবে ব্যক্তিক সাধাৰণ সর্বনিম্ন জ্ঞান, আচাৰ-আচৰণ, মূল্যবোধ আৰু কৌশল প্রদান কৰা। ঐতিহাসিক ভাৱে, শিক্ষা হৈছে বিকাশৰ আহিলা আৰু সমাজ পৰিবর্তনৰ কাৰক। সেইবাবে, শিক্ষাৰ অধিকাৰ নিশ্চিতভাৱে সকলোৱে বৈষম্যহীন ভাবে পাব লাগে।

ৰাজনৈতিক অস্থিৰতাৰ সময়ত মানৱ অধিকাৰ ভংগ সঘন পৰিঘটনা। ব্যক্তিগত আৰু সংগঠনমূলক দমনৰ লগতে চৰকাৰেও ধ্যান-ধাৰণা আৰু তথ্যসমূহৰ ওপৰত নিয়ন্ত্রণৰ বাবে চেষ্টা কৰে। দীঘলীয়া সংঘর্ষৰ পৰিস্থিতিৰ পিছত মানৱ অধিকাৰ ভংগ অতি ভয়ানক হৈ পৰে। অধ্যয়নৰ বিষয় হিচাপে মানৱ অধিকাৰ শিক্ষাই মানৱ অধিকাৰ আৰু মানৱ সুৰক্ষাৰ আর্হি বাস্তৱায়িত কৰাত সহায় কৰে। শান্তিক এক অৱস্থিত ধাৰণা হিচাপে বিবেচনা কৰা হয়। নিৰবিছন্ন শান্তি বা ইমানুৱেল কান্তে উল্লেখ কৰা দীর্ঘম্যাদী শান্তি নিশ্চিত কৰাৰ বাবে মানৱ সুৰক্ষা গাঁথনিৰ জৰিয়তে মানৱ অধিকাৰ শিক্ষাৰ বিকাশ অধিক তৰান্বিত কৰিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰ শিক্ষা দশকৰ (১৯৯৫-২০০৪) আঁচনিৰ দুটা উদ্দেশ্য উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন ২ ঃ মানৱ অধিকাৰ শিক্ষা নিজেই এটা মানৱ অধিকাৰ। (শুদ্ধ/অশুদ্ধ)

.....

১৪.৫ মানৱ অধিকাৰ শিক্ষাৰ ক্ষেত্রত বিশ্ব প্রচাৰ অভিযান

মানৱ অধিকাৰ শিক্ষাৰ সম্প্রসাৰণৰ ক্ষেত্রত ৰাষ্ট্রসংঘৰ প্রয়াস অতি গুৰুত্বপূর্ণ। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র ১০ ডিচেম্বৰ, ১৯৪৮ চনত গ্রহণ কৰা সময়েৰে পৰা মানৱ অধিকাৰ শিক্ষাৰ বিশ্ব কার্যক্রমনিকা আৰম্ভণি হৈছিল। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ প্রস্তাৱনাত উল্লেখ কৰা হৈছে " "সাধাৰণ সভাই মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রখনক মানৱ অধিকাৰসমূহ বাস্তবায়িত কৰাৰ ক্ষেত্রত সকলো ৰাষ্ট্র আৰু ব্যক্তিৰ বাবে মাইলৰ খুটি হিচাপে বিবেচনা কৰিছে। এই ঘোষণাপত্রখন সৰোগত কৰিয়েই সমাজৰ প্রত্যেকজন ব্যক্তি আৰু প্রত্যেকটো অংগই, বিভিন্ন আন্তর্জাতিক আৰু ৰাষ্ট্রীয় বিকাশমূলক পদ্ধতিৰ জৰিয়তে, সদস্য ৰাষ্ট্র আৰু এই ৰাষ্ট্রসমূহৰ জনগণৰ মাজত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ সার্বজনীন স্বীকৃতি আৰু পর্য্যবেক্ষণ সুনিশ্চিতিকৰণৰ বাবে শিক্ষাৰ সম্প্রসাৰণ কৰিব "। গতিকে ঘোষণাপত্রৰ প্রস্তাৱনাই নিজে মানৱ অধিকাৰ শিক্ষাৰ প্রসাৰত গুৰুত্ব আৰোপ কৰিছে।

১৯৮৮ চনৰ ১০ ডিচেম্বৰত ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই এটা প্রস্তাৱৰ জৰিয়তে ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰৰ বিশ্ব ৰাজহুৱা তথ্য প্রচাৰ অভিযান কার্যসূচী গ্রহণ কৰিছিল। ৰাষ্ট্রসংঘৰ এই প্রচাৰ অভিযানৰ মূল উদ্দেশ্য আছিল সমগ্র বিশ্বব্যাপি মানৱ অধিকাৰৰ শিক্ষণ কার্যক্রমনিকা, শিক্ষা আৰু তথ্যৰ বিকাশ সাধন কৰা । ৰাষ্ট্রসংঘই আঞ্চলিক, ৰাষ্ট্রীয় আৰু আন্তর্জাতিক পর্যায়ত মানৱ অধিকাৰ তথ্যৰ সুগম্য আহৰণৰ প্রয়োজনীয়তা স্বীকাৰ কৰিছে।

মানৱ অধিকাৰ শিক্ষাৰ সম্প্রসাৰণ ক্ষেত্রত ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাই (ইউনেস্ক') গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা ১৯৪৬ চনৰ ৪ নবেম্বৰ তাৰিখে গঠন কৰা হয়। ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাই ১৯৬২ চনত বৈষম্যৰ বিৰুদ্ধে এখন সিদ্ধান্ত

গ্ৰহণ কৰিছিল আৰু ইয়াৰ জৰিয়তে ৰাষ্ট্ৰসমূহক শৈক্ষিক ক্ষেত্ৰত সমতা আৰু সুপৰিচালনাৰ বাবে ৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। অধিকাৰ আৰু ইয়াৰ কাৰ্যকাৰিতাক প্ৰভাৱিত কৰা বিভিন্ন সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক বিষয়ৰ গৱেষণাৰ বাবে ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাই বিত্তীয় সাহায্য প্ৰদান কৰে। ১৯৯৩ চনত ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা আৰু ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ কেন্দ্ৰ, কানাডাৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাৰ আয়োগৰ সহযোগত মানৱ অধিকাৰ আৰু গণতন্ত্ৰৰ বাবে শিক্ষাৰ আন্তৰ্জাতিক মহাসভা কানাডাৰ মনত্ৰেলত অনুষ্ঠিত কৰিছিল। এই মহাসভাতেই মানৱ অধিকাৰ আৰু গণতন্ত্ৰৰ বাবে শিক্ষাৰ বিশ্ব কৰ্মসূচী গ্ৰহণ কৰা হৈছিল। এই আঁচনিত শিক্ষাক গণতন্ত্ৰ আৰু মানৱ অধিকাৰৰ এক গুৰুত্বপূৰ্ণ দিশ হিচাপে স্বীকাৰ কৰা হৈছে। ১৯৯৩ চনত ভিয়েনা ঘোষণাপত্ৰ আৰু কৰ্মসূচী গ্ৰহণ কৰা হৈছিল যিয়ে নিৰক্ষৰতা দূৰীকৰণ আৰু ৰাষ্ট্ৰসমূহক আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাত মানৱ অধিকাৰ আৰু মানৱ অধিকাৰ আইন সামৰি লোৱাৰ পৃষ্ঠপোষকতা কৰিছিল। ই ৰাষ্ট্ৰসমূহক মানৱ অধিকাৰ শিক্ষাৰ গুৰুত্ব প্ৰসাৰৰ বাবে বিভিন্ন উপায় গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। ১৯৯৪ চনত শান্তি, মানৱ অধিকাৰ আৰু গণতন্ত্ৰৰ বাবে শৈক্ষিক উপদেষ্টা সমিতি এখন গঠন কৰা হৈছিল। এই সমিতিৰ মুখ্য উদ্দেশ্য আছিল ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু আন্তৰ্জাতিক পৰ্যায়ত মানৱ অধিকাৰ, গণতন্ত্ৰ আৰু শান্তি ৰক্ষাৰ বাবে শিক্ষাৰ কাৰ্য্যসূচীসমূহ সম্পাদন কৰা আৰু সম্প্ৰসাৰণ কৰা।

১৯৯৪ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৪৯/১৮৪ নং প্ৰস্তাৱমতে ১৯৯৫-২০০৪ লৈ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ শিক্ষাৰ দশক পালন কৰা হৈছিল। সকলো খণ্ডতে মানৱ অধিকাৰ শিক্ষা সামৰি লোৱাৰ বাবে ২০০৪ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই মানৱ অধিকাৰ শিক্ষাৰ বিশ্ব কৰ্মসূচী প্ৰস্তুত কৰে । মানৱ অধিকাৰ শিক্ষাই মানৱ মৰ্য্যাদাৰ সন্মান, সমতা আৰু সিদ্ধান্ত গ্ৰহণত গণতান্ত্ৰিক অংশগ্ৰহণৰ জৰিয়তে মানৱ অধিকাৰ ভংগ আৰু দুৰ্ব্যৱহাৰ কৰাত বাধা প্ৰদান কৰে। বিশ্বযুদ্ধৰ পিছত বিশেষকৈ শীতল যুদ্ধৰ পিছত মানৱ অধিকাৰ শিক্ষাই সকলো গণতান্ত্ৰিক আৰু শান্তি প্ৰিয় দেশত বাস্তৱিক ৰূপ লাভ কৰিছে। প্ৰত্যেক আৰু সকলো ব্যক্তিয়ে এটা মৰ্য্যাদাপূৰ্ণ জীৱন অতিবাহিত কৰাৰ স্বাৰ্থত আৰু বাস্তবায়িত কৰাৰ স্বাৰ্থত মানৱ অধিকাৰ শিক্ষাৰ বিশ্ব কৰ্মসূচীয়ে মানৱ অধিকাৰৰ সাধাৰণ নীতি আৰু পদ্ধতিৰ বোধশক্তিক উদগনি যোগাইছে আৰু ইয়াৰ বাবে এক নিৰ্দিষ্ট কৰ্মৰ আৰ্হি প্ৰদান কৰিছে আৰু আন্তৰ্জাতিকৰ পৰা আঞ্চলিক পৰ্যায়লৈ বন্ধুত্ব আৰু সহযোগিতা শক্তিশালী কৰি তুলিছে । মানৱ অধিকাৰ শিক্ষাৰ বিশ্ব কৰ্মসূচী হৈছে মুক্ত আৰু সংগঠিত সাময়িক পৰ্যায়মূলক, ২০০৫- ২০০৯ চনলৈ প্ৰথম পৰ্যায়ত প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। ২০১০ চনৰ পৰা পৰৱৰ্তি সময়ত ইয়াৰ লক্ষ্য সলনি হৈ দ্বিতীয় কৰ্ম আঁচনিত মানৱ অধিকাৰ বিশ্বকৰ্মসূচীত উচ্চ শিক্ষা পৰ্যায়ক গুৰুত্ব প্ৰদান কৰা হৈছিল। কৰ্ম আঁচনিৰ দ্বিতীয় পৰ্যায়ত (২০১০-২০১৪)

মানৱ অধিকাৰ শিক্ষাৰ বিশ্ব কর্মসূচীয়ে ৰাষ্ট্রীয় পর্যায়ৰ বিভিন্ন ক্ষেত্রত মানৱ অধিকাৰ শিক্ষা কার্যকৰি কৰাৰ বিভিন্ন কৌশলৰ প্রস্তাৱ আগবঢ়াইছিল। উচ্চ পর্যায়ৰ শিক্ষাৰ সফল কার্যকৰিকৰণৰ বাবে দ্বিতীয় আঁচনিৰ কর্মসূচীয়ে পাচঁটা বিশেষ উপাদান আগবঢ়াইছে, সেইবোৰ হ'ল —

(ক) **নীতি আৰু কার্যকৰী সম্পর্কীয় উপাদান ঃ** উচ্চ শিক্ষাৰ নীতিসমূহ এনেকৈ বিকাশ কৰিব লাগে যাতে উপযুক্ত আইন প্রণয়ন আৰু কার্য্যকৰণ সম্ভৱপৰ হয়।

(খ) **শিক্ষণ আৰু শিকন প্রক্রিয়া আৰু সজুলি ঃ** মানৱ অধিকাৰ শিক্ষাৰ বিকাশৰ বাবে শিক্ষণ আৰু শিকন পদ্ধতিৰ ক্ষেত্রত এক সামগ্রিক পদক্ষেপ গ্রহণ কৰিব লাগিব য'ত মূল্যবোধ সামৰি লোৱা হয়।

(গ) **গৱেষণা ঃ** গৱেষণাক মানৱ অধিকাৰ শিক্ষাৰ গুৰুত্বপূর্ণ সজুলি হিচাপে গণ্য কৰা হয়। নতুন জ্ঞান আৰু যুক্তিসংগত সমালোচনা কৰি গৱেষণাই মানৱ অধিকাৰ শিক্ষাৰ বিকাশ ঘটায়।

(ঘ) **শিক্ষণ পৰিবেশ ঃ** শিক্ষণৰ পৰিবেশপাৱস্পৰিক বোধ-শক্তি, সন্মান, দায়বদ্ধতাৰ জৰিয়তে সম্প্রসাৰণ কৰিব পাৰি আৰু ইয়াৰ দ্বাৰা ব্যক্তিক মানৱ অধিকাৰৰ শিক্ষা প্রদান কৰিব পাৰি। এক সুস্থ শৈক্ষিক পৰিবেশত ছাত্র আৰু শিক্ষকে সমাজৰ গুৰুত্বপূর্ণ বিষয়সমূহ আলোচনা কৰিব পাৰে আৰু ই বিভিন্ন সামাজিক গোটসমূহৰ লগত আলোচনা কৰাৰ সুযোগ প্রদান কৰে।

(ঙ) **উচ্চ শিক্ষা প্রদান কৰা ব্যক্তিৰ শৈক্ষিক আৰু বৃত্তিগত বিকাশ ঃ** উচ্চ শিক্ষা পর্যায়ত, শিক্ষা প্রদান কৰা ব্যক্তিয়ে নিশ্চিতভাৱে মানৱ অধিকাৰ মূল্যবোধৰ অংশ হিচাপে সেৱা আগবঢ়াব লাগিব। তেওঁলোক নিশ্চিতভাৱে মানৱ অধিকাৰ কাৰকৰ বাবে অভিমত্ব আৰু প্রেৰণালব্ধ হৈ জটিল পৰিস্থিতিতো মোকাবিলা কৰিব পৰা ব্যক্তিমনৰ হ'ব লাগিব।

১৪.৬ ভাৰতবর্ষত মানৱ অধিকাৰ শিক্ষাৰ প্রসাৰণ

শিক্ষা হৈছে সকলো শ্রেণী মানুহৰ বাবে অতি প্রয়োজনীয় উপাদান। শিক্ষাই মানুহক মানৱ অধিকাৰৰ আদর্শ গঠনত আৰু মানুহৰ দৈনন্দিন জীৱনৰ সচেতনতা সৃষ্টিত সহায় কৰে। ভাৰতবর্ষত মানৱ অধিকাৰ শিক্ষাৰ সচেতনতা সম্প্রসাৰণৰ বাবে বহুতো সাংবিধানিক আৰু বিধায়িনী ব্যৱস্থা গ্রহণ কৰা হৈছে। সংবিধানৰ অনুচ্ছেদ ৫১ ক (১) ত উল্লেখিত মৌলিক কর্তব্যসমূহৰ এটা হ'ল বৈজ্ঞানিক ভাৱধাৰাৰ বিকাশ, মানৱীয়তা আৰু অনুযোচনাৰ আগ্রহ আৰু সংস্কাৰৰ বিকাশ কৰা। এই দায়িত্বটোৰ ফলপ্রসূ পালনৰ বাবে মানৱ অধিকাৰ শিক্ষাৰ প্রয়োজন যিয়ে ব্যক্তিক সচেতনতা আৰু বিশাল মুক্ততা প্রদান কৰে। ১৯৭৫ চনত ৰাষ্ট্রীয় শৈক্ষিক গৱেষণা প্রশিক্ষণ পৰিষদে (এন.চি.আৰ.টি) ৰাষ্ট্রীয় পাঠ্যসূচী পৰিকল্পনা প্রস্তুত

কৰিছিল আৰু উল্লেখ কৰিছে যে "সামাজিক জ্ঞানৰ সচেতনতা, গণতান্ত্রিক মূল্যবোধৰ বিকাশ আৰু সামাজিক ন্যায়ৰ ধাৰণা আৰু ৰাষ্ট্রীয় ঐক্য আদি অত্যন্ত গুৰুত্বপূর্ণ । বৈজ্ঞানিক মানৱীয়তাবাদৰ বৃদ্ধি হোৱাকৈ সকলো বিষয় শিকাৱ লাগে"। বিশ্ববিদ্যালয় অনুদান আয়োগে ভাৰতবর্ষত মানৱ অধিকাৰ শিক্ষা প্রসাৰণৰ উপায় আৰু পদ্ধতি বিবেচনা কৰাৰ বাবে ১৯৮০ চনত চিকৰি সমিতি নিয়োগ কৰিছিল। বিভিন্ন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে মানৱ অধিকাৰ শিক্ষাৰ পাঠ্যক্রম খোলাৰ বাবে বহুতো পদক্ষেপ গ্রহণ কৰি আছে। জৱহৰলাল নেহৰু বিশ্ববিদ্যালয়ত মানৱ অধিকাৰ শিক্ষা আৰু গৱেষণাৰ প্রসাৰণ কেন্দ্র এটা আছে, য'ত মানৱ অধিকাৰ অধ্যয়নৰ ওপৰত গুৰুত্ব প্রদান কৰা হয়। বিশ্ববিদ্যালয় অনুদান আয়োগেও মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত মানৱ অধিকাৰ বিষয়ক পাঠ্যক্রম বিকাশ কৰাৰ বাবে বিত্তীয় সহায়ৰ হাত আগবঢ়ায়।

১৪.৭ ভাৰতবর্ষৰ মানৱ অধিকাৰ শিক্ষাৰ ক্ষেত্রত ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকা

ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগে মানৱ অধিকাৰ শিক্ষাৰপাঠ্যসূচী আৰু পাঠ্যক্রমৰ উন্নয়ন প্রক্রিয়াত সহায় কৰি মানৱ অধিকাৰ শিক্ষা সম্পর্কে শিক্ষকসকলক নির্দেশনা প্রদান কৰে। ১৯৯৩ চনৰ পৰা আয়োগে মানৱ অধিকাৰ শিক্ষাৰ কাৰণে ঐকান্তিকতাৰে কাম কৰি আছে। বিদ্যালয় পর্যায়ত মানৱ অধিকাৰ শিক্ষা হৈছে এক গুৰুত্বপূর্ণ ক্ষেত্র। এই ক্ষেত্রত আয়োগে কেনেকৈ বিদ্যালয় পর্যায়ত মানৱ অধিকাৰ শিক্ষা প্রদান কৰিব পাৰি তাৰ নিশ্চিয়তা প্রদান কৰিবলৈ প্রয়াস কৰিছে আৰু বিদ্যালয়লৈ গৈ থকা শিশুৰ, যিসকলক ৰাষ্ট্রৰ ভবিষ্যত বুলি গণ্য কৰা হয়, ওপৰত মানৱ অধিকাৰ মূল্যবোধৰ প্রভাৱ জনাৰ প্রয়াস কৰে। মানৱ অধিকাৰ আয়োগে দৃঢ়ভাৱে বিশ্বাস কৰে যে সঠিক মানৱ অধিকাৰ আদর্শই প্রত্যেক আলোচনাৰ আৰু বিবেচনাৰ নেতৃত্বলৈ প্রত্যেককে অভিভাষণ কৰে আৰু এই আদর্শবোৰ বৃত্তিধাৰী স্নাতক কার্যসূচী বিশেষকৈ শিক্ষাত স্নাতক, শিক্ষাত স্নাতোকোত্তৰ আৰু অন্যান্য বিষয়ৰ ওপৰিও শিক্ষক প্রশিক্ষণ কার্যসূচীসমূহত অর্ন্তভূক্ত কৰিব লাগে। ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগে মানৱ অধিকাৰ বিষয়ত গৱেষণাৰ পৃষ্ঠপোষকতা আৰু প্রসাৰ কৰে। আয়োগে গণমাধ্যম, অধ্যয়ন চক্র আৰু অন্যান্য উপায়েৰে সমাজৰ বিভিন্ন খণ্ডত মানৱ অধিকাৰ শিক্ষাৰ প্রসাৰ কৰি অধিকাৰ ৰক্ষাৰ বাবে সচেতনতাৰ সৃষ্টি কৰে। আয়োগৰ মতে ৰাষ্ট্রত শিশু শ্রমিক নির্মূলকৰণৰ বাবে শিক্ষাৰ অধিকাৰ নিশ্চিতকৰণ অতি প্রয়োজনীয় । আয়োগে মন্তব্য প্রদান কৰে যে মানৱ অধিকাৰৰ সচেতনতা বৃদ্ধিৰ বাবে দেশৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ সাধাৰণ জ্ঞানৰ প্রশ্নকাকতত অধিকাৰ বিষয়ক প্রশ্নৰ সংযোজন অতি গুৰুত্বপূর্ণ । আয়োগে উল্লেখ কৰিছে যে ইয়ে অসামৰিক সেৱাৰ উচ্চাকাংক্ষা থকা সকলৰ মাজত মানৱ অধিকাৰ সংস্কৃতিৰ গঢ় দিয়াত সহায় কৰিব। এইদৰে বিভিন্ন কর্মসূচী আৰু পৰামর্শৰ দ্বাৰা ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগে মানৱ অধিকাৰ শিক্ষাৰ সচেতনতা বিয়পোৱাত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰি আছে ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ কোন চনত ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰৰ বিশ্ব ৰাজহুৱা তথ্য প্রচাৰ অভিযান কার্যসূচী আৰম্ভ হৈছিল?

.....

প্রশ্ন ৪ ঃ ইউনেস্ক'ৰ সম্পূর্ণ নাম কি?

.....

.....

প্রশ্ন ৫ ঃ মানৱ অধিকাৰ শিক্ষাৰ বিশ্ব কর্মসূচীৰ দ্বিতীয় আঁচনিৰ দুটা বিশেষ উপাদান লিখক।

.....

.....

.....

.....

প্রশ্ন ৬ ঃ শান্তি, মানৱ অধিকাৰ আৰু গণতন্ত্রৰ বাবে শৈক্ষিক উপদেষ্টা সমিতিৰ মূল উদ্দেশ্য কি আছিল?

.....

.....

.....



১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ অধিকাৰ শিক্ষা নিজেই এটা মানৱ অধিকাৰ। মানৱ অধিকাৰ শিক্ষাই ব্যক্তিক সকলোৰে মানৱ অধিকাৰক সন্মান, সুৰক্ষা আৰু পৃষ্ঠপোষকতা কৰিবলৈ শিকায় আৰু ইয়াৰ ফলস্বৰূপে গণতান্ত্রিক মূল্যবোধ, ন্যায় আৰু মানৱীয় মর্য্যাদাৰ বিকাশ সাধন হয় । মানুহৰ মাজত মানৱ অধিকাৰৰ বিষয়ে সচেতনতা আৰু জ্ঞান সৃষ্টি কৰাৰ বাবে মানৱ অধিকাৰ শিক্ষা অতি প্রয়োজনীয়।
- মানৱ অধিকাৰ শিক্ষাৰ সম্পূর্ণ ধাৰণাটো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা ৰ প্রতি সন্মানৰ ওপৰত প্রতিষ্ঠিত। ই সদায় মানুহৰ মর্য্যাদা আৰু অন্য ব্যক্তিৰ সন্মান ৰক্ষাৰ বাবে চেষ্টা কৰে। লিংগ সমতা, পুৰুষ আৰু মহিলা উভয়কে সমান সুবিধা প্রদান, নৈতিকতা, ধর্মীয়, ভাষিক বৈচিত্রতাৰ আধাৰত ৰাষ্ট্রীয়বোধ শক্তিশালী কৰা, গণতন্ত্র, সামাজিক ন্যায়ৰ প্রসাৰ, সাম্প্রদায়িক সংহতি ইত্যাদিবোৰ হৈছে মানৱ অধিকাৰ শিক্ষাৰ মূলবিষয়বস্তু।

- মানৱ অধিকাৰক গণতান্ত্রিক দেশ এখনৰ শান্তি ৰক্ষা আৰু বিকাশৰ পূর্বাৱশ্যকীয় চর্ত বুলি গণ্য কৰা হয়। গণতন্ত্রক শক্তিশালী কৰাৰ বাবে মানৱ অধিকাৰ শিক্ষা অতি প্রয়োজনীয়। মানৱ অধিকাৰ শিক্ষাই দৈনন্দিন জীৱনত মানৱ অধিকাৰৰ প্রয়োগৰ পৃষ্ঠপোষকতা আৰু ইয়াৰ সুৰক্ষাৰ কৌশলৰ জ্ঞান প্রদান কৰে।
- মানৱ অধিকাৰ শিক্ষাৰ উদ্দেশ্যে হ'ল — ব্যক্তিৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্রতি সন্মান শক্তিশালী কৰা , মানুহৰ ব্যক্তিত্বৰ আৰু মর্য্যাদাৰ বিকাশ সাধন কৰা , বিভিন্ন জনগোষ্ঠীয়, ধর্মীয় আৰু ভাষিক গোটৰ মাজত বুজা বুজি , সহশীলতা, সমতা, বন্ধুত্বৰ প্রসাৰণ কৰা , সকলো ব্যক্তিকে কার্য্যক্ষমভাৱে সামাজিক জীৱনত অংশগ্রহণ কৰিবলৈ সক্ষম কৰি তোলা।
- মানৱ অধিকাৰ শিক্ষাৰ সম্প্রসাৰণৰ ক্ষেত্রত ৰাষ্ট্রসংঘৰ প্রয়াস অতি গুৰুত্বপূর্ণ। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র ১০ ডিচেম্বৰ ১৯৪৮ চনত গ্রহণ কৰা সময়েৰে পৰা মানৱ অধিকাৰ শিক্ষাৰ বিশ্ব কার্যক্রমনিকা আৰম্ভণি হৈছিল। ১৯৮৮ চনৰ ১০ ডিচেম্বৰত ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই এটা প্রস্তাৱৰ জৰিয়তে ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰৰ বিশ্ব ৰাজহুৱা তথ্য প্রচাৰ অভিযান কার্যসূচী গ্রহণ কৰিছিল। ৰাষ্ট্রসংঘৰ এই প্রচাৰ অভিযানৰ মূল উদ্দেশ্য আছিল সমগ্র বিশ্বব্যাপি মানৱ অধিকাৰৰ শিক্ষণ কার্যক্রমনিকা, শিক্ষা আৰু তথ্যৰ বিকাশ সাধন কৰা ।
- মানৱ অধিকাৰ শিক্ষাৰ সম্প্রসাৰণ ক্ষেত্রত ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাই (ইউনেস্ক') গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। ৰাষ্ট্রসংঘৰ শৈক্ষিক বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাই ১৯৬২ চনত বৈষম্যৰ বিৰুদ্ধে এখন সিদ্ধান্ত গ্রহণ কৰিছিল আৰু ইয়াৰ জৰিয়তে ৰাষ্ট্রসমূহক শৈক্ষিক ক্ষেত্রত সমতা আৰু সুপৰিচালনাৰ বাবে ৰাষ্ট্রীয় নীতি গ্রহণ কৰিবলৈ আহ্বান জনাইছিল। অধিকাৰ আৰু ইয়াৰ কার্যকাৰিতাক প্রভাৱিত কৰা বিভিন্ন সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক বিষয়ৰ গৱেষণাৰ বাবে ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাই বিত্তীয় সাহার্য্য প্রদান কৰে।
- ১৯৯৩ চনত ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা আৰু ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰ কেন্দ্র , কানাডাৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাৰ আয়োগৰ সহযোগত মানৱ অধিকাৰ আৰু গণতন্ত্রৰ বাবে শিক্ষাৰ আন্তর্জাতিক মহাসভা কানাডাৰ মনত্রেলত অনুষ্ঠিত কৰিছিল। এই মহাসভাতেই মানৱ অধিকাৰ আৰু গণতন্ত্রৰ বাবে শিক্ষাৰ বিশ্ব কর্মসূচী গ্রহণ কৰা হৈছিল।
- ১৯৯৪ চনত শান্তি, মানৱ অধিকাৰ আৰু গণতন্ত্রৰ বাবে শৈক্ষিক উপদেষ্টা সমিতি এখন গঠন কৰা হৈছিল। এই সমিতিৰ মুখ্য উদ্দেশ্য আছিল ৰাষ্ট্রীয়, আঞ্চলিক আৰু আন্তর্জাতিক পর্যায়ত মানৱ অধিকাৰ, গণতন্ত্র আৰু শান্তি ৰক্ষাৰ বাবে শিক্ষাৰ কার্য্যসূচীসমূহ সম্পাদন কৰা আৰু সম্প্রসাৰণ কৰা।

- সকলো খণ্ডৰে মানৱ অধিকাৰ শিক্ষা সামৰি লোৱাৰ বাবে ২০০৪ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই মানৱ অধিকাৰ শিক্ষাৰ বিশ্ব কর্মসূচী প্রস্তুত কৰে ।
- ভাৰতবর্ষত মানৱ অধিকাৰ শিক্ষাৰ সচেতনতা সম্প্রসাৰণৰ বাবে বহুতো সাংবিধানিক আৰু বিধায়িনী ব্যৱস্থা গ্রহণ কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগে ভাৰতবর্ষত মানৱ অধিকাৰ শিক্ষা প্রসাৰণৰ উপায় আৰু পদ্ধতি বিবেচনা কৰাৰ বাবে ১৯৮০ চনত চিকৰি সমিতি নিয়োগ কৰিছিল। বিভিন্ন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে মানৱ অধিকাৰ শিক্ষাৰ পাঠ্যক্রম খোলাৰ বাবে বহুতো পদক্ষেপ গ্রহণ কৰি আছে। জৱহৰলাল নেহৰু বিশ্ববিদ্যালয়ত মানৱ অধিকাৰ শিক্ষা আৰু গৱেষণাৰ প্রসাৰণ কেন্দ্র এটা আছে, য'ত মানৱ অধিকাৰ অধ্যয়নৰ ওপৰত গুৰুত্ব প্রদান কৰা হয়।
- ভাৰতবর্ষত মানৱ অধিকাৰ শিক্ষাৰ সচেতনতা প্রসাৰণত ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকা অতি গুৰুত্বপূর্ণ ।



১৪.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.

2) Kurvey, B. (1999). *Human Rights Education in India: Needs and Future Actions.* Vol. II.

3) Mahapatra, N. (2012). *Role of Education in Promotion and Protection of Human Rights.* Odisha Review, pp 26-30.

4) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi : Akansha Publishing House.

5) *Human Rights Education in India: Importance , Present Status*. Asia Pacific Journal of Research. Vol. I, Issue XXXVI, February 2016.

6) General Assembly Resolution 59/113 A.

7) www.ohchr.org and www. unesco.org

১৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) ব্যক্তিৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্রতি সন্মান শক্তিশালী কৰা।

(খ) মানুহৰ ব্যক্তিত্বৰ আৰু মর্য্যাদাৰ বিকাশ সাধন কৰা ।

২ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্রশ্নৰ উত্তৰ ঃ ১৯৮৮ চন।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা ।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) নীতি আৰু কার্যকৰী সম্পর্কীয় উপাদান ঃ উচ্চ শিক্ষাৰ নীতিসমূহ এনেকৈ বিকাশ কৰিব লাগে যাতে উপযুক্ত আইন প্রণয়ন আৰু কার্য্যকৰণ সম্ভৱপৰ হয় ।

(খ) শিক্ষা শিকন প্রক্রিয়া আৰু সজুলি ঃ মানৱ অধিকাৰ শিক্ষাৰ বিকাশৰ বাবে শিক্ষণ আৰু শিকন পদ্ধতিৰ ক্ষেত্রত এক সামগ্রিক পদক্ষেপ গ্রহণ কৰিব লাগিব য'ত মূল্যবোধ সামৰি লোৱা হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ শান্তি, মানৱ অধিকাৰ আৰু গণতন্ত্রৰ বাবে শৈক্ষিক উপদেষ্টা সমিতিৰ মুখ্য উদ্দেশ্য আছিল ৰাষ্ট্রীয়, আঞ্চলিক আৰু আন্তর্জাতিক পর্যায়ত মানৱ অধিকাৰ, গণতন্ত্র আৰু শান্তি ৰক্ষাৰ বাবে শিক্ষাৰ কার্য্যসূচীসমূহ সম্পাদন কৰা আৰু সম্প্রসাৰণ কৰা।

১৪.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰ শিক্ষাৰ দশক হিচাপে কোনটো দশক উদ্‌যাপন কৰা হৈছিল?

প্রশ্ন ২ ঃ ১৯৮৮ চনত আৰম্ভ কৰা ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰৰ বিশ্ব ৰাজহুৱা তথ্য প্রচাৰ অভিযানৰ লক্ষ্য কি আছিল?

প্রশ্ন ৩ ঃ মানৱ অধিকাৰ শিক্ষাৰ বিশ্ব কর্মসূচীৰ বিষয়ে চমুকৈ লিখক।

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মানৱ অধিকাৰ শিক্ষাৰ অর্থৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰ শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতবৰ্ষত মানৱ অধিকাৰ শিক্ষাৰ সচেতনতা প্ৰসাৰণত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকাৰ বিষয়ে চমুটোকা লিখক।

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰ শিক্ষাৰ প্ৰসাৰৰ বাবে ভাৰতবৰ্ষত গ্ৰহণ কৰা পদক্ষেপসমূহ পৰীক্ষা কৰক।

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰ শিক্ষাৰ বিকাশত ৰাষ্ট্ৰসংঘৰ ভূমিকা আলোচনা কৰক।

****

অধ্যায় ১৫ ঃ মানৱ অধিকাৰৰ সু�ৰক্ষাত বে-চৰকাৰী সংস্থাসমূহৰ ভূমিকা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণত বে-চৰকাৰী সংস্থাবোৰৰ ভূমিকা

১৫.৪ মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণৰ ক্ষেত্ৰত এমনেষ্টি ইণ্টাৰনেচনেলৰ ভূমিকা

১৫.৫ মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণৰ ক্ষেত্ৰত হিউমেন ৰাইট্ছ ওৱাট্ছৰ ভূমিকা

১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৭ অধিক জানিবলৈ

১৫.৮ অগ্ৰগতিৰ খতিয়ান

১৫.৯ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ অধিকাৰৰ সুৰক্ষাত বে-চৰকাৰী সংস্থাবোৰৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণত এমনেষ্টি ইণ্টাৰনেচনেলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিব পাৰিব
- মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণত হিউমেন ৰাইট্ছ ওৱাট্ছৰ ভূমিকা মূল্যায়ন কৰিব পাৰিব।

১৫.২ পৰিচয়

সামাজিক পটভূমিত বে-চৰকাৰী সংস্থা আৰু মানৱ অধিকাৰ- এই দুয়োটাই আলোচ্য বিষয়বস্তু। বে-চৰকাৰী সংস্থাবোৰ হ'ল কিছুমান মুনাফাবিহীন সংস্থা যিবোৰে সাধাৰণতে সামাজিক তথা ৰাজনৈতিক বিষয়বোৰ সম্বোধন কৰাৰ বাবে চৰকাৰৰ পৰা স্বতন্ত্ৰ হৈ কাম কৰে। সম্পদ প্ৰদান তথা ৰাজনৈতিক বা সামাজিক উদ্দেশ্য সাধনৰ মানসেৰে গঠিত এইবোৰ নাগৰিকৰ হকে কাম কৰা কিছুমান সংস্থা। তাৰোপৰি, বে-চৰকাৰী সংস্থাবোৰ কাৰ্যচালিত আৰু উমৈহতীয়া ৰুচিসম্পন্ন মানুহৰ দ্বাৰা পৰিচালিত। এই সংস্থাবোৰে বিভিন্ন ধৰণৰ সেৱা আগবঢ়ায় আৰু মানৱীয়তাৰ সৈতে জড়িত কাৰ্যবোৰ কৰে, নাগৰিকৰ সমস্যাবোৰ চৰকাৰৰ আগত দাঙি ধৰে, চৰকাৰক নীতি সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়, চৰকাৰৰ নীতিবোৰ নিৰীক্ষণ কৰে তথা তথ্য ব্যৱস্থাৰ যোগেদি জনসাধাৰণৰ ৰাজনৈতিক অংশগ্ৰহণ উৎসাহিত কৰে। এইটো অধ্যায়টিত

আমি এমনেষ্টি ইণ্টাৰনেচনেল (Amnesty International) আৰু হিউমেন ৰাইট্ছ ওৱাচ্ছ (Human Rights Watch) ৰ বিশেষ প্রসংগৰ সৈতে মানৱ অধিকাৰ সুৰক্ষা আৰু উত্তৰণত বে-চৰকাৰী সংস্থাসমূহৰ ভূমিকা সম্পর্কে আলোচনা কৰিম।

১৫.৩ মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণত বে-চৰকাৰী সংস্থাবোৰৰ ভূমিকা

বে-চৰকাৰী সংস্থাবোৰ আয়োজকসকলৰ প্রত্যাশা অনুযায়ী গঠন কৰা হয়। এই সংস্থাবোৰে মানুহৰ কল্যাণৰ হকে কাম কৰে। মানৱ অধিকাৰৰ বাবে থকা দুটা গুৰুত্বপূর্ণ বে-চৰকাৰী সংস্থা হ'ল এমনেষ্টি ইণ্টাৰনেচনেল (Amnesty International) আৰু হিউমেন ৰাইট্ছ ওৱাচ্ছ (Human Rights Watch)। মানৱ অধিকাৰৰ সুৰক্ষাৰ বাবে থকা আন কিছুমান অনুষ্ঠানৰ ভিতৰত আফ্রিকান ওৱাচ্ছ (African Watch), এছিয়ান ওৱাচ্ছ (Asian Watch) (১৯৮৫) ৰ নাম উল্লেখযোগ্য। সমগ্র বিশ্বতে মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণ প্রক্রিয়াত মূখ্য ভূমিকা গ্রহণকাৰী হিচাপে বে-চৰকাৰী সংস্থাৰ উত্থান ঘটোৱাত মূলতঃ বিশ্বায়ণে গুৰি ধৰিছিল। ৰাষ্ট্রসংঘৰ প্রাক্তন সচিব ক'ফি আন্নানে (Kofi Annan) সমগ্র বিশ্বতে বে-চৰকাৰী সংস্থাবোৰৰ গুৰুত্ব সম্পর্কে মত প্রকাশ কৰি কয় যে 'একবিংশ শতিকাটো বে-চৰকাৰী সংস্থাসমূহৰ যুগ হ'ব'। তাৰোপৰি, ১৯৯৩ চনত অষ্ট্রিয়াৰ ভিয়েনাত অনুষ্ঠিত হোৱা মানৱ অধিকাৰ বিষয়ক বিশ্ব সম্মিলনে সামগ্রিকভাৱে মানৱাধিকাৰ উৎসাহিত কৰাত বেচৰকাৰী সংস্থা সমূহৰ তাৎপর্যপূর্ণ দায়িত্বৰ কথা স্বীকাৰ কৰিছে ।

সমগ্র বিশ্ব জুৰি থকা বিভিন্ন সংস্থা আৰু বে-চৰকাৰী সংস্থাবোৰে মানৱ অধিকাৰৰ সুৰক্ষা আৰু সংৰক্ষণৰ কাৰণে দিনে নিশাই কাম কৰি আছে আৰু মানৱ অধিকাৰৰ উপভোগৰ ক্ষেত্রত যাতে কোনো কঠিনতাৰ সৃষ্টি নহয় তাৰ বাবে সক্রিয় হৈ থাকে। বে-চৰকাৰী সংস্থাবোৰে মানৱ অধিকাৰ সম্পর্কীয় বিভিন্ন দিশৰ ওপৰত আলোচনাচক্র, সমাৰোহ আৰু মেল-মিটিংৰ আয়োজনৰ দ্বাৰা জনমত গঠনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে, যাৰ জৰিয়তে মানৱ অধিকাৰ সম্পর্কে সজাগতা সৃষ্টি আৰু সজাগতা প্রসাৰৰ কার্য্য ত্বৰান্বিত কৰিব পাৰে। বিভিন্ন বে-চৰকাৰী সংস্থাই বেলেগ বেলেগ ক্ষেত্রৰ ব্যক্তিত্বক আমন্ত্রণ জনোৱাৰ বাবে পদক্ষেপ গ্রহণ কৰিব পাৰে। উদাহৰণস্বৰূপে- প্রশাসনিক বিষয়া, কাৰাগাৰ ৰক্ষক , আৰক্ষী বিষয়া, ন্যায়াধীশ, উকীল, সাংবাদিক ইত্যাদি, যিয়ে মানৱ অধিকাৰ আৰু স্বাধীনতাৰ গুৰুত্ব সম্পর্কে বক্তৃতা প্রদান কৰিব পাৰে। বে-চৰকাৰী সংস্থাসমূহে এক আলোচনাৰ পৰিৱেশ গঢ় দিব লাগিব, যাতে মানৱাধিকাৰৰ সুৰক্ষাৰ লগত জড়িত বিষয়বোৰৰ ওপৰত গুৰুত্ব বাহাল থাকে। মানৱ অধিকাৰৰ উলংঘন সম্পর্কীয় ঘটনাবোৰ, উদাহৰণস্বৰূপে জেলৰ অৱস্থা, কয়েদীসকলৰ প্রতি কৰা আচৰণ আদিৰ সৈতে সমাজক অৱগত কৰাই বে-চৰকাৰী সংস্থাসমূহে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। বে-চৰকাৰী সংস্থাবোৰে কিছুমান বিশেষ দিশত গুৰুত্ব প্রদানৰ দ্বাৰা এক নাগৰিক সমাজৰ ভূমিকা পালন কৰিব পাৰে, য'ত মানুহে মর্যাদা অক্ষুন্ন ৰাখিব পৰা কিছুমান সা-সুবিধা উপলভ্য কৰিব পাৰে।

১৫.৪ মানৱ অধিকাৰৰ সু�ৰক্ষা আৰু উত্তৰণৰ ক্ষেত্ৰত এমনেষ্টি ইণ্টাৰনেচনেলৰ ভূমিকা

লণ্ডনত অৱস্থিত বে-চৰকাৰী সংস্থা এমনেষ্টি ইণ্টাৰনেচনেলে (Amnesty International) মানৱ অধিকাৰৰ লগত জড়িত বিষয়াবোৰৰ ওপৰত ধ্যাণ কেন্দ্ৰীত কৰে। মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণৰ লক্ষ্য আগত ৰাখি পিটাৰ বেনেনচনে ১৯৬১ চনৰ জুলাই মাহত সংস্থাটো গঠন কৰিছিল। বৰ্তমান এই বে-চৰকাৰী সংস্থাটোৰ উদ্দেশ্য হ'ল মানৱ অধিকাৰৰ উলংঘন প্ৰতিৰোধ তথা অৱসান কৰিবলৈ গৱেষণা কৰা আৰু সেই অনুযায়ী পদক্ষেপ লোৱা আৰু যিসকল লোকৰ মানৱাধিকাৰ উলংঘন হৈছে তেওঁলোকৰ বাবে ন্যায় দাবী কৰা। এমনেষ্টি ইণ্টাৰনেচনেলে মৃত্যুদণ্ডক 'মানৱাধিকাৰৰ নিকৃষ্ট উলংঘন' হিচাপে গণ্য কৰে। মানৱ অধিকাৰৰ ক্ষেত্ৰখনত কৰা অসাধাৰণ কাৰ্যকলাপ আৰু উৎপীড়নৰ বিৰুদ্ধে কৰা অভিযানৰ বাবে এমনেষ্টি ইণ্টাৰনেচনেলক ১৯৭৭ চনৰ শান্তিৰ ন'বেল বঁটা আৰু ১৯৭৮ চনত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ বঁটা প্ৰদান কৰা হয়। সমগ্ৰ বিশ্বতে মানৱ মৰ্যাদা সুৰক্ষিত কৰা আৰু মহিলা, শিশু আৰু সংখ্যালঘুসকলৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে এই বে-চৰকাৰী সংস্থাটোৱে অবিৰতভাৱে কাম কৰি আছে।

- **এমনেষ্টি ইণ্টাৰনেচনেলৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ**

এমনেষ্টি ইণ্টাৰনেচনেল হ'ল মানৱ অধিকাৰ সুৰক্ষা আৰু উত্তৰণৰ বাবে কাম কৰা এটা সংস্থা। ইয়াৰ কিছুমান লক্ষ্য আৰু উদ্দেশ্য হ'ল —

(ক) মৃতুদণ্ড দিয়া বন্ধ কৰা।

(খ) বিচাৰ বৰ্হিভুত মৃত্যুদণ্ড আৰু অন্তৰ্ধান কাৰ্য প্ৰতিৰোধ কৰা।

(গ) নিৰাপদ আৰু সুৰক্ষিত জেল সুনিশ্চিত কৰা যাতে কয়েদীসকলে আন্তৰ্জাতিক মানদণ্ডৰ মানৱ অধিকাৰ উপভোগ কৰিব পাৰে।

(ঘ) ৰাজনৈতিক কয়েদীসকলৰ ন্যায়পূৰ্ণ বিচাৰ সুনিশ্চিত কৰা।

(ঙ) সমগ্ৰ বিশ্বৰ শিশুসকলৰ বাবে বিনামূলীয়া শিক্ষা সুনিশ্চিত কৰা।

(চ) গৰ্ভপাত বৈধকৰণ।

এমনেষ্টি ইণ্টাৰনেচনেলে মানৱ অধিকাৰৰ প্ৰগতিশীল সুৰক্ষাৰ প্ৰতীক হিচাপে কাম কৰে। এইটো এটা নিযুতাধিক মানুহৰ বিশ্বজোৰা সংগঠন যিয়ে মানুহক ন্যায় প্ৰদানৰ বাবে যুঁজ কৰে। ই এনে এখন পৃথিৱীৰ কাৰণে কাম কৰে য'ত সকলো মানুহৰ কাৰণে সকলো ধৰণৰ মানৱ অধিকাৰ উপলব্ধ হয়। এমনেষ্টি ইণ্টাৰনেচনেল সকলো প্ৰকাৰৰ ৰাজনৈতিক আদৰ্শ, অৰ্থনৈতিক স্বাৰ্থ বা ধৰ্মৰ পৰা মুক্ত।

- **এমনেষ্টি ইণ্টাৰনেচনেলৰ নীতি সমূহ**

এমনেষ্টি ইণ্টাৰনেচনেলৰ প্ৰতিষ্ঠাৰ সময়ৰ নীতিসমূহ হ'ল —

(ক) ৰাজনৈতিক প্ৰশ্নবোৰত অনাস্থা প্ৰকাশ।

(খ) মানৱ অধিকাৰৰ পৃষ্ঠপোষকতা।

(গ) কয়েদীসকলৰ অধিকাৰৰ পৃষ্ঠপোষকতা।

(ঘ) বিভিন্ন ঘটনা সম্পর্কে তথ্য সংগ্রহ কৰাৰ বলিষ্ঠ প্রতিশ্রুতি।

- **এমনেষ্টি ইণ্টাৰনেচনেলৰ মূখ্য লক্ষ্যসমূহ**

এমনেষ্টি ইণ্টাৰনেচনেল আন্তর্জাতিক সংহতি, মানৱ অধিকাৰৰ সার্বজনীনতা আৰু অবিভাজ্যতা, নিৰক্ষেপতা, স্বাধীনতা, গণতন্ত্র আৰু পাৰস্পৰিক সন্মানৰ ভিত্তিত প্রতিস্থিত বিশ্ব সম্প্রদায়ৰ আৰু ভুক্তভোগীবিশেষৰ মানৱ অধিকাৰ ৰক্ষাৰ এটা সংস্থা। এমনেষ্টি ইণ্টাৰনেচনেলৰ প্রধান লক্ষ্যবোৰ হ'ল —

(ক) সকলো বিবেক বন্দীকে মুক্ত কৰি দিয়া।

(খ) ৰাজনৈতিক বন্দীসকলৰ শীঘ্র আৰু নিৰপেক্ষ বিচাৰ সুনিশ্চিত কৰা।

(গ) মৃত্যুদণ্ড, উৎপীড়ন আৰু অন্য তেনেকুৱা অৱমাননাকাৰী শাস্তিবোৰ নির্মূল কৰা।

(ঘ) বিচাৰ বর্হিভুত মৃত্যুদণ্ড আৰু অন্তর্ধান কার্য প্রতিৰোধ কৰা।

(ঙ) সকলোৱে আন্তর্জাতিক মানসম্পন্ন মানৱ অধিকাৰ পোৱাটো সুনিশ্চিত কৰা।

এমনেষ্টি ইণ্টাৰনেচনেলে ইয়াৰ নীতি অনুসৰি চৰকাৰৰ পৰা কোনো ধৰণৰ পুঁজি গ্রহণ নকৰে। ই চৰকাৰী, অর্থনৈতিক বা ৰাজনৈতিক স্বার্থৰ পৰা স্বতন্ত্র। তাৰোপৰি ই কোনো ধর্মৰ সৈতে সংযুক্ত নহয়। ই ধর্ম নির্বিশেষে সমাজৰ সকলো স্তৰৰ লোকক সামৰি লয়। ই এটা স্বশাসিত গণতান্ত্রিক সংস্থা যিটো ন-জন সদস্যৰে গঠিত আন্তর্জাতিক কার্যবাহী কমিটিৰ দ্বাৰা পৰিচালিত হয়।

এমনেষ্টি ইণ্টাৰনেচনেল সংস্থাটোৱে পোন প্রথমবাৰৰ বাবে ১৯৭৩ চনত উৎপীড়নৰ বিৰুদ্ধে বিশ্ব প্রচাৰ আৰম্ভ কৰিছিল আৰু ১৯৮৪ চনত ইয়াৰ দ্বাৰা প্রস্তাৱিত নির্যাতনৰ বিৰুদ্ধে চুক্তিখনত ৰাষ্ট্রসংঘই মঞ্জুৰি দিয়ে, যিয়ে চৰকাৰক তেওঁলোকৰ ক্ষেত্রাধিকাৰৰ ভিতৰত থকা নির্যাতনকাৰীসকলক শাস্তি দিয়াৰ আহ্বান জনাইছে। ১৯৮৭ চনৰ জুনত এই চুক্তিখন বলবৎ কৰা হয়। পিচলৈ ২০০১ চনৰ ফ্রেব্রুৱাৰী মাহত মুঠ ১২৩ খন ৰাষ্ট্রই এই চুক্তিখনত অনুমোদন জনায়।

- **এমনেষ্টি ইণ্টাৰনেচনেলৰ ক্ষেত্রাধিকাৰ**

এমনেষ্টি ইণ্টাৰনেচনেলৰ মূল উদ্দেশ্যটো হ'ল মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র অনুসৰি ভুক্তভোগীসকলৰ অধিকাৰসমূহৰ সুৰক্ষা আৰু সংৰক্ষণ সুনিশ্চিত কৰা। ইয়াৰ প্রধান ছয়টা ক্ষেত্র হ'ল —

(ক) শিশু, মহিলা, সংখ্যালঘু আৰু খিলঞ্জীয়াসকলৰ অধিকাৰ

(খ) নির্যাতন নাশ কৰা

(গ) মৃত্যুদণ্ড নির্মূলকৰণ

(ঘ) শৰণার্থীসকলৰ অধিকাৰ

(ঙ) বিবেক বন্দীসকলৰ অধিকাৰ

(চ) মানৱ মর্যাদা সুৰক্ষিত কৰা।

- **এমনেষ্টি ইণ্টাৰনেচনেলৰ বর্তমান স্থিতি**

বর্তমান এমনেষ্টি ইণ্টাৰনেচনেলৰ ৭ নিযুততকৈও অধিক সদস্য আৰু সমর্থক আছে। এই স্বতন্ত্র সংস্থাটোৰ নিজা আদর্শ আছে আৰু মানৱ অধিকাৰৰ সংৰক্ষণৰ হকে অভিযান চলায়। এমনেষ্টি ইণ্টাৰনেচনেলৰ উদ্দেশ্য হ'ল য'তেই মানুহৰ ন্যায়, নিৰপেক্ষতা, স্বাধীনতা আৰু সত্যতাৰ উলংঘন কৰা হয়, সেই ক্ষেত্রত তেওঁলোকক সুৰক্ষা প্রদান কৰা।

যিবোৰ দেশত এমনেষ্টি ইণ্টাৰনেচনেলৰ সবল উপস্থিতি আছে, সেইবোৰত সদস্যবোৰক 'শাখা' ত ভাগ কৰা হয়। শাখাবোৰে এক বৃহৎ সংখ্যক সদস্যৰ সৈতে সংস্থাটোৰ মৌলিক কার্যকলাপবোৰৰ সমন্বয় সাধন কৰে। এওঁলোকৰ কিছুসংখ্যক লোক 'দল' ত বিভক্ত হয় আৰু এখন সঞ্চালক মণ্ডলৰ তলত কাম কৰা কিছুসংখ্যক পেশাদাৰী কর্মী থাকে। গোটেই বিশ্বতে এমনেষ্টি ইণ্টাৰনেচনেলৰ ৫২ তকৈও বেছি শাখা আছে। এমনেষ্টি ইণ্টাৰনেচনেলৰ সাংগঠনিক আর্হি, যেনে — আন্তর্জাতিক সদস্য, বিশেষ বিষয়বস্তুৰ পৃষ্ঠপোষকতা কৰাৰ বাবে আন্তর্জাতিক নেটৱর্ক থাকে নাইবা নির্দিষ্ট পৰিচয় আৰু শাখা হিচাপে কাম কৰাৰ বাবে 'সম্বন্ধযুক্ত দল' থাকে।

এমনেষ্টি ইণ্টাৰনেচনেলৰ আন্তর্জাতিক সচিবালয়ে আন্তর্জাতিক মণ্ডলৰ অধীনত কার্য কৰে আৰু এই আন্তর্জাতিক সচিবালয় এমনেষ্টি ইণ্টাৰনেচনেলৰ দৈনিক কার্যাৱলী সম্পাদনৰ দায়িত্বত থাকে। সংস্থাটো মহাসচিবৰ নেতৃত্বত আন্তর্জাতিক মণ্ডল প্রায় ৫০০ গৰাকী বৃত্তিধাৰী কর্মী সদস্যৰ দ্বাৰা পৰিচালিত হয়। মহাসচিবজনে অনেক কার্য্যক্রমণিকাৰ পৰিচালনা কৰে, যেনে — আন্তর্জাতিক আইন আৰু সংস্থাবোৰ, গৱেষণা, অভিযান, যোগাযোগ, সংহতি। ১৯৮৪ চনত এমনেষ্টি ইণ্টাৰনেচনেলে চাৰিটা স্বাধীনতাৰ পুৰস্কাৰ লাভ কৰিছিল। সমগ্র পৃথিৱীতে স্বাধীনতা, ন্যায় আৰু শান্তি স্থাপনৰ দিশত আগবঢ়োৱা অৰিহণাৰ বাবে ১৯৭৭ চনত সংস্থাটোক শান্তিৰ ন'বেল বঁটা প্রদান কৰা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ এমনেষ্টি ইণ্টাৰনেচনেল ..... চনত প্রতিষ্ঠা কৰা হৈছিল । (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ২ ঃ এমনেষ্টি ইণ্টাৰনেচনেলক কোন চনত শান্তিৰ ন'বেল বঁটা প্রদান কৰা হৈছিল?

.....

প্রশ্ন ৩ ঃ এমনেষ্টি ইণ্টাৰনেচনেলৰ দুটা ক্ষেত্র উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৪ ঃ মানৱ অধিকাৰৰ সু�ৰক্ষা আৰু উত্তৰণত বে-চৰকাৰী সংস্থাসমূহৰ ভূমিকাৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

.....

.....

.....

১৫.৫ মানৱ অধিকাৰৰ সু�ৰক্ষা আৰু উত্তৰণৰ ক্ষেত্ৰত হিউমেন ৰাইটছ ওৱাটছৰ ভূমিকা

হিউমেন ৰাইটছ ওৱাটছ (Human Rights Watch) হৈছে এটা আন্তৰ্জাতিক সংস্থা যিয়ে মানৱ অধিকাৰৰ ওপৰত গৱেষণা কৰে আৰু ইয়াৰ ওকালতি কৰে। ইয়াক ১৯৭৮ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক চহৰত প্ৰতিষ্ঠা কৰা হৈছিল। উল্লেখযোগ্য যে সংস্থাটোক পূৰ্বে হেলচিন্‌কি ওৱাটছ (Helsinki Watch) বুলিও জনা গৈছিল। এই সংস্থাটো আৰয়েহ নেইৰ (Aryeh Neier) , ৰবাৰ্ট এল. বাৰ্ণষ্টেইন (Robert L.Bernstein), জেৰি লাবেৰ (Jeri Laber) ৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছিল। হিউমেন ৰাইটছ ওৱাটছৰ মুখ্য কাৰ্যালয় আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক চহৰত অৱস্থিত। হিউমেন ৰাইটছ ওৱাটছ হৈছে এটা আন্তৰ্জাতিক বে-চৰকাৰী সংস্থা যাক মানৱ অধিকাৰ সুৰক্ষা আৰু সংৰক্ষণৰ উদ্দেশ্যে গঠন কৰা হৈছিল। ই এটা স্বাধীন আন্তৰ্জাতিক সংস্থা যিয়ে সকলোৰে বাবে মানৱ অধিকাৰৰ ক্ষেত্ৰখনত সক্ৰিয় আন্দোলনৰ অংশ হিচাপে কাম কৰে আৰু সেৱা আগবঢ়ায়। আন্তৰ্জাতিক মানৱ অধিকাৰ আইন, মানৱতাবাদী আইন আৰু মানুহৰ মৰ্যাদাৰ প্ৰতি সন্মান কৰা আদি নীতিৰ দ্বাৰা হিউমেন ৰাইটছ ওৱাটছ পৰিচালিত হয়। হিউমেন ৰাইট ছ ওৱাটছৰ প্ৰধান প্ৰমূল্য হ'ল 'আমি আমাৰ বিশ্বব্যাপী মানৱ অধিকাৰৰ সুৰক্ষাৰ অভিযানক লৈ প্ৰতিশ্ৰুতিবদ্ধ'।

হিউমেন ৰাইট ছ ওৱাট ছৰ শাখা কাৰ্যালয় পৃথিৱীৰ বহুতো চহৰত আছে। প্ৰায়েই স্থানীয় মানৱ অধিকাৰ গোষ্ঠীৰ অংশীদাৰীত্বত কৰা সঠিক সত্য সন্ধান, নিৰপেক্ষ প্ৰতিবেদন, গণ মাধ্যমৰ সঠিক ব্যৱহাৰ, লক্ষ্যযুক্ত ওকালতি আদিৰ বাবে হিউমেন ৰাইটছ ওৱাট ছক জনা যায়। হিউমেন ৰাইটছ ওৱাটছে স্থানীয় আৰু আন্তৰ্জাতিক গণ মাধ্যমক সাঙুৰি প্ৰায় ৯০ খন দেশত মানৱ অধিকাৰৰ অৱস্থা সম্পৰ্কীয় ১০০ খনৰো অধিক প্ৰতিবেদন প্ৰকাশ কৰিছে। কেতিয়াবা ই চৰকাৰ, ৰাষ্ট্ৰসংঘ, আফ্ৰিকান সংঘ, ইউৰোপীয় সংঘ আদিৰ দৰে আঞ্চলিক গোষ্ঠীৰ সৈতে লগ লাগি কাম কৰে। সমগ্ৰ বিশ্বৰ প্ৰায় ৮০ খন দেশত ক্ষেত্ৰ প্ৰতিবেদকসকলে মানৱ অধিকাৰৰ অৱস্থা পৰ্যবেক্ষণ কৰে। ক্ষেত্ৰ প্ৰতিবেদকসকলে নিৰ্যাতিতসকলক বা নিৰ্যাতনৰ সাক্ষীসকলক লৈ কৰ্তব্যবোৰ পালন

কৰে আৰু তেওঁলোকে মানৱ অধিকাৰ কর্মী, আইনজীৱি, সাংবাদিক , বিশেষজ্ঞ আৰু চৰকাৰী বিষয়াসকলৰ সৈতে ভাৱ বিনিময় কৰে।

হিউমেন ৰাইট্ছ ওৱাট্ছে সমগ্ৰ বিশ্বতে মানুহৰ অধিকাৰ ৰক্ষা কৰে। বিশেষকৈ ই নির্যাতনৰ অনুসন্ধান কৰে, বিস্তৃতভাৱে সত্যবোৰ উদঙায় আৰু অধিকাৰ আৰু ন্যায় প্রদান কৰিবলৈ ক্ষমতাত থকা সকলৰ ওপৰত চাপ প্রয়োগ কৰে। প্রকৃতার্থত, মানৱ অধিকাৰ উলংঘা হোৱা ক্ষেত্রত আন্তর্জাতিক মনোযোগ আকর্ষণ কৰাৰ এইটো এটা সংস্থা। হিউমেন ৰাইট্ছ ওৱাট্ছে নির্যাতিতসকলৰ হৈ মাত মাতে আৰু অত্যাচাৰীসকলক তেওঁলোকৰ অপৰাধৰ বাবে জগৰীয়া কৰে। ই আৰম্ভণিৰে পৰা মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্রত কাম কৰি আছে আৰু সমগ্ৰ বিশ্বৰ মানুহক ন্যায় আৰু সুৰক্ষা প্রদানৰ বাবে যুঁজ দি আহিছে।

- **হিউমেন ৰাইট্ছ ওৱাট্ছৰ অভিযানৰ মুখ্য বিষয়বস্তুবোৰ**

মানৱ অধিকাৰৰ সুৰক্ষা আৰু সংৰক্ষণক কেন্দ্র কৰি হিউমেন ৰাইট্ছ ওৱাট্ছে ইয়াৰ লক্ষ্য আৰু বিষয়বস্তুবোৰ নির্ণয় কৰে। হিউমেন ৰাইটছ ওৱাটছৰ অভিযানৰ মূল বিষয়বস্তুবোৰ হ'ল —

(ক) অত্যাধিক শাস্তি নির্মূলকৰণ

(খ) শিশু শ্রম নাশকৰণ

(গ) সামৰিক বাহিনীত শিশুসকলৰ প্রৱেশ নিষিদ্ধকৰণ

(ঘ) আৰক্ষী জিম্মাত আৰু ন্যায়িক জিম্মাত হোৱা মৃত্যুৰ প্রতিৰোধ

(ঙ) যুদ্ধাৱস্থাত সাধাৰণ লোকক সুৰক্ষা প্রদান

(চ) আৰক্ষীৰ নির্যাতনৰ অৱসান ঘটোৱা

(ছ) মহিলা আৰু শিশুসকলৰ অধিকাৰ

(জ) ছোৱালী আৰু মহিলাৰ অবৈধ সৰবৰাহ বন্ধ কৰা

(ঝ) মানসিক নির্যাতন প্রতিৰোধকৰণ

(ঞ) গৃহহীন আৰু অনাথসকলৰ সমস্যা ইত্যাদি।

- **হিউমেন ৰাইট্ছ ওৱাট্ছৰ দৃষ্টি বিবৃতি**

হিউমেন ৰাইট্ছ ওৱাট্ছ হৈছে এটা মুনাফাবিহীন বে-চৰকাৰী সংস্থা যিয়ে বিশ্বব্যাপী মানৱ অধিকাৰ ৰক্ষাৰ কাম কৰে। ই হৈছে এটা স্বাধীন, আন্তর্জাতিক সংস্থা যিয়ে সকলোৰে বাবে মানৱ অধিকাৰৰ মানৱীয় মর্য্যাদা ৰক্ষা কৰিবলৈ স্পন্দনশীল আন্দোলনৰ অংশ হিচাপে কাম কৰে। হিউমেন ৰাইট্ছ ওৱাট্ছৰ প্রাথমিক মূল্যবোধ হ'ল মানৱ অধিকাৰ আৰু মানৱতাবাদী আইনসমূহক সুৰক্ষা প্রদান কৰা আৰু সমগ্ৰ বিশ্বতে মানুহৰ মর্য্যাদাৰ প্রতি সন্মান বর্তাই ৰখা। হিউমেন ৰাইট্ছ ওৱাট্ছে যিকোনো প্রকাৰৰ মানৱ অধিকাৰ উলংঘনৰ বিৰুদ্ধে যুঁজ দিয়ে।

হিউমেন ৰাইট্ছ ওৱাট্ছে মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রত উল্লেখ কৰা অনুসৰি আন্তর্জাতিক মানৱ অধিকাৰ উলংঘনৰ ওপৰত গৱেষণা প্রতিবেদন প্রকাশ কৰে। ই যুদ্ধৰ আইন

আৰু আন্তর্জাতিক মানৱতাবাদী আইনৰ বিভিন্ন প্রকাৰে হোৱা উলংঘন সম্পর্কে ইতিমধ্যে বহুতো প্রতিবেদন আৰু তথ্যচিত্র উলিয়াইছে। তদুপৰি মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্রখনত বিশেষ অৰিহণা যোগোৱা কর্মীসকললৈ প্রতি বছৰে ই মানৱ অধিকাৰ ৰক্ষকৰ বঁটা (Human Right Defenders Award) প্রদান কৰে। বর্তমান হিউমেন ৰাইট্ছ ওৱাট্ছৰ কার্যবাহী সঞ্চালক হ'ল কেনেথ ৰথ (Kenneth Roth)। আমেৰিকা, আফ্রিকা, এছিয়া, মধ্য প্রাচ্য আৰু ইউৰোপৰ প্রতিটো অঞ্চলৰ বাবে ইয়াৰ বেলেগ বেলেগ ওৱাট্ছ (Watch) থাকে আৰু এই সকলো ওৱাট্ছৰ তলত স্থানীয় গৱেষক থাকে যিসকলে প্রতিবেদন সংগ্রহ কৰে।



জানি থোৱা ভাল

আমেৰিকান ওৱাট্ছ , এছিয়ান ওৱাট্ছ , আফ্রিকান ওৱাট্ছ আৰু মধ্য প্রাচ্য ওৱাট্ছ ক "ওৱাট্ছ কমিটি" (Watch Comities) বুলি কোৱা হয়। ১৯৮৮ চনত এই আটাইকেইখন কমিটিক একত্রিত কৰি হিউমেন ৰাইটছ ওৱাটছ হিচাপে নামাংকৃত কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ হিউমেন ৰাইট্ছ ওৱাট্ছৰ মূখ্য কার্যালয় ..... ত অৱস্থিত। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ৬ ঃ মানৱ অধিকাৰ সুৰক্ষা আৰু সংৰক্ষণৰ লগত জড়িত হিউমেন ৰাইট্ছ ওৱাট্ছৰ চাৰিটা বিষয় উল্লেখ কৰক।

.....

.....

.....

.....

.....

প্রশ্ন ৭ ঃ মানৱ অধিকাৰ উত্তৰণত হিউমেন ৰাইট্ছ ওৱাট্ছৰ ভূমিকা সম্পর্কে চমুকৈ লিখক।

.....

.....

.....

.....



১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বে-চৰকাৰী সংস্থাবোৰ হ'ল কিছুমান মুনাফাবিহীন সংস্থা যিবোৰে সাধাৰণতে সামাজিক তথা ৰাজনৈতিক বিষয়বোৰ সম্বোধন কৰাৰ বাবে চৰকাৰৰ পৰা স্বতন্ত্ৰ হৈ কাম কৰে। সম্পদ প্ৰদান তথা ৰাজনৈতিক বা সামাজিক উদ্দেশ্য সাধনৰ মানসেৰে গঠিত এইবোৰ নাগৰিকৰ হকে কাম কৰা কিছুমান সংস্থা।
- সমগ্ৰ বিশ্ব জুৰি থকা বিভিন্ন সংস্থা আৰু বে-চৰকাৰী সংস্থাবোৰে মানৱ অধিকাৰৰ সুৰক্ষা আৰু সংৰক্ষণৰ কাৰণে দিনে নিশাই কাম কৰি আছে আৰু মানৱ অধিকাৰৰ উপভোগৰ ক্ষেত্ৰত যাতে কোনো কঠিনতাৰ সৃষ্টি নহয় তাৰ বাবে সক্ৰিয় হৈ থাকে।
- বে-চৰকাৰী সংস্থাবোৰে মানৱ অধিকাৰ সম্পৰ্কীয় বিভিন্ন দিশৰ ওপৰত আলোচনাচক্ৰ, সমাৰোহ আৰু মেল-মিটিংৰ আয়োজনৰ দ্বাৰা জনমত গঠনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে, যাৰ জৰিয়তে মানৱ অধিকাৰ সম্পৰ্কে সজাগতা সৃষ্টি আৰু সজাগতা প্ৰসাৰৰ কাৰ্য্য ত্বৰান্বিত কৰিব পাৰে। বে-চৰকাৰী সংস্থাসমূহে এক আলোচনাৰ পৰিৱেশ গঢ় দিব লাগিব, যাতে মানৱাধিকাৰৰ সুৰক্ষাৰ লগত জড়িত বিষয়াবোৰৰ ওপৰত গুৰুত্ব বাহাল থাকে।
- লণ্ডনত অৱস্থিত বে-চৰকাৰী সংস্থা এমনেষ্টি ইণ্টাৰনেচনেলে (Amnesty International) মানৱ অধিকাৰৰ লগত জড়িত বিষয়াবোৰৰ ওপৰত ধ্যাণ কেন্দ্ৰীত কৰে। মানৱ অধিকাৰৰ সুৰক্ষা আৰু উত্তৰণৰ লক্ষ্য আগত ৰাখি পিটাৰ বেনেনচনে ১৯৬১ চনৰ জুলাই মাহত সংস্থাটো গঠন কৰিছিল। সমগ্ৰ বিশ্বতে মানৱ মৰ্যাদা সুৰক্ষিত কৰা আৰু মহিলা, শিশু আৰু সংখ্যালঘুসকলৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে এই বে-চৰকাৰী সংস্থাটোৱে অবি�ৰতভাৱে কাম কৰি আছে।
- এমনেষ্টি ইণ্টাৰনেচনেলে মৃত্যুদণ্ডক 'মানৱাধিকাৰৰ নিকৃষ্ট উলংঘন' হিচাপে গণ্য কৰে। মানৱ অধিকাৰৰ ক্ষেত্ৰখনত কৰা অসাধাৰণ কাৰ্যকলাপ আৰু উৎপীড়নৰ বিৰুদ্ধে কৰা অভিযানৰ বাবে এমনেষ্টি ইণ্টাৰনেচনেলক ১৯৭৭ চনৰ শান্তিৰ ন'বেল বঁটা আৰু ১৯৭৮ চনত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ বঁটা প্ৰদান কৰা হয়।
- হিউমেন ৰাইট্ছ ওৱাট্ছ (Human Rights Watch) হৈছে এটা আন্তৰ্জাতিক সংস্থা যিয়ে মানৱ অধিকাৰৰ ওপৰত গৱেষণা কৰে আৰু ইয়াৰ ওকালতি কৰে। ইয়াক ১৯৭৮ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক চহৰত প্ৰতিষ্ঠা কৰা হৈছিল। উল্লেখযোগ্য যে সংস্থাটোক পূৰ্বে হেলচিন্‌কি ওৱাটছ (Helsinki Watch) বুলিও জনা গৈছিল। এই সংস্থাটো আৰয়েহ নেইৰ (Aryeh Neier) , ৰবাৰ্ট এল. বাৰ্ণষ্টেইন (Robert L.Bernstein), জেৰি লাবেৰ (Jeri Laber) ৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছিল। হিউমেন ৰাইট্ছ ওৱাট্ছৰ মুখ্য কাৰ্যালয় আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক চহৰত অৱস্থিত।

- হিউমেন ৰাইট্ছ ওৱাট্ছ হৈছে এটা আন্তর্জাতিক বে-চৰকাৰী সংস্থা যাক মানৱ অধিকাৰ সুৰক্ষা আৰু সংৰক্ষণৰ উদ্দেশ্যে গঠন কৰা হৈছিল। ই এটা স্বাধীন আন্তর্জাতিক সংস্থা যিয়ে সকলোৰে বাবে মানৱ অধিকাৰৰ ক্ষেত্রখনত সক্রিয় আন্দোলনৰ অংশ হিচাপে কাম কৰে আৰু সেৱা আগবঢ়ায়। আন্তর্জাতিক মানৱ অধিকাৰ আইন, মানৱতাবাদী আইন আৰু মানুহৰ মর্যাদাৰ প্রতি সন্মান কৰা আদি নীতিৰ দ্বাৰা হিউমেন ৰাইট্ছ ওৱাট্ছ পৰিচালিত হয়।
- হিউমেন ৰাইট ছ ওৱাট ছ্ব শাখা কার্যালয় পৃথিৱীৰ বহুতো চহৰত আছে। প্রায়েই স্থানীয় মানৱ অধিকাৰ গোষ্ঠীৰ অংশীদাৰীত্বত কৰা সঠিক সত্য সন্ধান, নিৰপেক্ষ প্রতিবেদন, গণ মাধ্যমৰ সঠিক ব্যৱহাৰ, লক্ষ্যযুক্ত ওকালতি আদিৰ বাবে হিউমেন ৰাইট্ছ ওৱাট ছক জনা যায়।
- হিউমেন ৰাইট্ছ ওৱাট্ছে সমগ্র বিশ্বতে মানুহৰ অধিকাৰ ৰক্ষা কৰে। বিশেষকৈ ই নির্যাতনৰ অনুসন্ধান কৰে, বিস্তৃতভাৱে সত্যবোৰ উদঙায় আৰু অধিকাৰ আৰু ন্যায় প্রদান কৰিবলৈ ক্ষমতাত থকা সকলৰ ওপৰত চাপ প্রয়োগ কৰে। প্রকৃতার্থত, মানৱ অধিকাৰ উলংঘ হোৱা ক্ষেত্রত আন্তর্জাতিক মনোযোগ আকর্ষণ কৰাৰ এইটো এটা সংস্থা। হিউমেন ৰাইট্ছ ওৱাট্ছে নির্যাতিতসকলৰ হৈ মাত মাতে আৰু অত্যাচাৰীসকলক তেওঁলোকৰ অপৰাধৰ বাবে জগৰীয়া কৰে।



১৫.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.
2) Anuradha, K.P. (2010). *Human Rights Issues In India.* New Delhi : Adhyayan Publishers and Distributors.
3) Malhotra, S; Upadhyay, P; M Srivastava, R & Pandey, S. (2005) . *Human Rights: Emerging Issues.* New Delhi: Kilaso Books Publication.
4) Sanajoba, N. (1994). *Human Rights : Principles, Practices and Abuses.*New Delhi: Omsons Publication.
5) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi: Akansha Publishing House.

১৫.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯৬১ চন।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৭৭ চন।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) মৃত্যুদণ্ড নির্মূলকৰণ।

(খ) নির্যাতন নাশ কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ সমগ্র বিশ্ব জুৰি থকা বিভিন্ন সংস্থা আৰু বে-চৰকাৰী সংস্থাবোৰে মানৱ অধিকাৰৰ সুৰক্ষা আৰু সংৰক্ষণৰ কাৰণে দিনে নিশাই কাম কৰি আছে আৰু মানৱ অধিকাৰৰ উপভোগৰ ক্ষেত্রত যাতে কোনো কঠিনতাৰ সৃষ্টি নহয় তাৰ বাবে সক্রিয় হৈ থাকে। বে-চৰকাৰী সংস্থাবোৰে মানৱ অধিকাৰ সম্পর্কীয় বিভিন্ন দিশৰ ওপৰত আলোচনাচক্র, সমাৱেহ আৰু মেল-মিটিংৰ আয়োজনৰ দ্বাৰা জনমত গঠনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে, যাৰ জৰিয়তে মানৱ অধিকাৰ সম্পর্কে সজাগতা সৃষ্টি আৰু সজাগতা প্রসাৰৰ কার্য্য ত্বৰান্বিত কৰিব পাৰে। বিভিন্ন বে-চৰকাৰী সংস্থাই বেলেগ বেলেগ ক্ষেত্রৰ ব্যক্তিত্বক আমন্ত্রণ জনোৱাৰ বাবে পদক্ষেপ গ্রহণ কৰিব পাৰে। উদাহৰণস্বৰূপে- প্রশাসনিক বিষয়া, কাৰাগাৰ ৰক্ষক, আৰক্ষী বিষয়া, ন্যায়াধীশ,উকীল, সাংবাদিক ইত্যাদি, যিয়ে মানৱ অধিকাৰ আৰু স্বাধীনতাৰ গুৰুত্ব সম্পর্কে বক্তৃতা প্রদান কৰিব পাৰে। বে-চৰকাৰী সংস্থাসমূহে এক আলোচনাৰ পৰিৱেশ গঢ় দিব লাগিব, যাতে মানৱাধিকাৰৰ সুৰক্ষাৰ লগত জড়িত বিষয়বোৰৰ ওপৰত গুৰুত্ব বাহাল থাকে। মানৱ অধিকাৰৰ উলংঘন সম্পর্কীয় ঘটনাবোৰ, উদাহৰণস্বৰূপে জেলৰ অৱস্থা, কয়েদীসকলৰ প্রতি কৰা আচৰণ আদিৰ সৈতে সমাজক অৱগত কৰাই বে-চৰকাৰী সংস্থাসমূহে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। বে-চৰকাৰী সংস্থাবোৰে কিছুমান বিশেষ দিশত গুৰুত্ব প্রদানৰ দ্বাৰা এক নাগৰিক সমাজৰ ভূমিকা পালন কৰিব পাৰে, য'ত মানুহে মর্যাদা অক্ষুন্ন ৰাখিব পৰা কিছুমান সা-সুবিধা উপলভ্য কৰিব পাৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ আমেৰিকা যুক্তৰাষ্ট্রৰ নিউয়র্ক চহৰত

৬ নং প্রশ্নৰ উত্তৰ ঃ ক) অত্যাধিক শাস্তি নির্মূলকৰণ।

খ) শিশু শ্রম নাশকৰণ

গ) আৰক্ষী জিম্মাত আৰু ন্যায়িক জিম্মাত হোৱা মৃত্যুৰ প্রতিৰোধ

ঘ) যুদ্ধাৱস্থাত সাধাৰণ লোকক সুৰক্ষা প্রদান

৭ নং প্রশ্নৰ উত্তৰ ঃ হিউমেন ৰাইট্ছ ওৱাট্ছ হৈছে এটা মুনাফাবিহীন বে-চৰকাৰী সংস্থা যিয়ে বিশ্বব্যাপী মানৱ অধিকাৰ ৰক্ষাৰ কাম কৰে। ই হৈছে এটা স্বাধীন, আন্তর্জাতিক সংস্থা যিয়ে সকলোৰে বাবে মানৱ অধিকাৰৰ মানৱীয় মর্য্যাদা ৰক্ষা কৰিবলৈ স্পন্দনশীল আন্দোলনৰ অংশ হিচাপে কাম কৰে। হিউমেন ৰাইট্ছ ওৱাট্ছৰ প্রাথমিক

মূল্যবোধ হ'ল মানৱ অধিকাৰ আৰু মানৱতাবাদী আইনসমূহক সুৰক্ষা প্ৰদান কৰা আৰু সমগ্ৰ বিশ্বতে মানুহৰ মৰ্য্যাদাৰ প্ৰতি সন্মান বৰ্তাই ৰখা। হিউমেন ৰাইট্ছ ওৱাট্ছে যিকোনো প্ৰকাৰৰ মানৱ অধিকাৰ উলংঘনৰ বিৰুদ্ধে যুঁজ দিয়ে। হিউমেন ৰাইট্ছ ওৱাট্ছে মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত উল্লেখ কৰা অনুসৰি আন্তৰ্জাতিক মানৱ অধিকাৰ উলংঘনৰ ওপৰত গৱেষণা প্ৰতিবেদন প্ৰকাশ কৰে। ই যুদ্ধৰ আইন আৰু আন্তৰ্জাতিক মানৱতাবাদী আইনৰ বিভিন্ন প্ৰকাৰে হোৱা উলংঘন সম্পৰ্কে ইতিমধ্যে বহুতো প্ৰতিবেদন আৰু তথ্যচিত্ৰ উলিয়াইছে। তদুপৰি মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰখনত বিশেষ অৱিহণা যোগোৱা কৰ্মীসকললৈ প্ৰতি বছৰে ই মানৱ অধিকাৰ ৰক্ষকৰ বঁটা (Human Right Defenders Award) প্ৰদান কৰে। বৰ্তমান হিউমেন ৰাইট্ছ ওৱাট্ছৰ কাৰ্যবাহী সঞ্চালক হ'ল কেনেথ ৰথ (Kenneth Roth)। আমেৰিকা, আফ্ৰিকা, এছিয়া, মধ্য প্ৰাচ্য আৰু ইউৰোপৰ প্ৰতিটো অঞ্চলৰ বাবে ইয়াৰ বেলেগ বেলেগ ওৱাট্ছ (Watch) থাকে আৰু এই সকলো ওৱাট্ছৰ তলত স্থানীয় গৱেষক থাকে যিসকলে প্ৰতিবেদন সংগ্ৰহ কৰে।



১৫.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ হিউমেন ৰাইট্ছ ওৱাট্ছৰ প্ৰতিষ্ঠাপক কোন?

প্ৰশ্ন ২ ঃ এমনেষ্টি ইণ্টাৰনেচনেলৰ প্ৰতিষ্ঠাপক কোন?

প্ৰশ্ন ৩ ঃ এমনেষ্টি ইণ্টাৰনেচনেলৰ ক্ষেত্ৰাধিকাৰৰ বিষয়ে চমুকৈ লিখক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰৰ উত্তৰণ আৰু সংৰক্ষণত বেচৰকাৰী সংস্থাবোৰৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰৰ বাবে হিউমেন ৰাইট্ছ ওৱাট্ছৰ অভিযানৰ প্ৰধান বিষয়বোৰৰ ওপৰত এটি টোকা লিখক।

প্ৰশ্ন ৩ ঃ এমনেষ্টি ইণ্টাৰনেচনেলৰ লক্ষ্য আৰু উদ্দেশ্যবোৰৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰৰ উত্তৰণ আৰু সংৰক্ষণত এমনেষ্টি ইণ্টাৰনেচনেলৰ ভূমিকা সম্পৰ্কে লিখক।

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰৰ উত্তৰণ আৰু সংৰক্ষণত হিউমেন ৰাইট্ছ ওৱাট্ছৰ ভূমিকা সম্পৰ্কে লিখক।

****



প্ৰসঙ্গ পুথি

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad: Central Law Publications.
2) Anuradh, K.P. (2010). *Human Rights Issues In India*. New Delhi: Adhyayan Publishers and Distributors
3) Dhiman, O.P. (2011). *Understanding Human Rights: An Overview*. Delhi : Kalpaz Publications.
4) Gupta, D.C. (2010). *Indian Government and Politics*. Delhi: Vikas Publishing House Pvt. Ltd.
5) Malhotra, S, Upadhyay, P., Gupta, M.. Srivastava, R., & Pandey, S. (2005). *Human Rights: Emerging Issues.* New Delhi: Kialso Books Publication.
6) Rai, R. (2000). *Human Rights: UN Initiative*. Delhi: Authors Press Publication.
7) Saksena, K.P.(ed) (2003). *Human Rights and The Constitution Vision and the Reality*. New Delhi: Gyan Publishing House.
8) Sanajoaba, N. (1994). *Human Rights: Principles, Practices and Abuses*. New Delhi: Omsons Publication.
9) Stephen, R.M. (2002). *Human Rights: Concepts and Perspectives*. New Delhi: Concept Publishing Company.
10) Syed, M.H. (2003). *Human Rights: The New Era*. New Delhi: Kilaso Books.
11) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights.* New Delhi: Akansha Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) বৈশ্য ধনেশ্বৰ ২০০৫ ঃ *মানৱ অধিকাৰ* । গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল প্ৰকাশক।
২) দেৱ, অ., দেৱ, ই., দেৱ, সু (অনুবাদ, গুণ বৰুৱা) ২০০১ ঃ *মানৱ অধিকাৰ ঃ এখনি আদি গ্ৰন্থ*। নতুন দিল্লীঃ নেশ্যনেল বুক ট্ৰাষ্ট।

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষার্থীৰ সঁহাৰি

প্ৰিয় শিক্ষার্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? [ ] [ ] [ ]

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধার্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কার্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পর্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পর্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকর্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱর্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।